Library

## অসম চৰকাৰ

# বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ
# ২০১৩-১৪

**শ্ৰী তৰুণ গগৈ**
মুখ্যমন্ত্ৰী, অসম

১১ মাৰ্চ, ২০১৩

*মাননীয় অধ্যক্ষ মহোদয়,*

মই ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰিবলৈ লৈছো।

১। অৰ্থনৈতিক বাতাবৰণ ঃ

১.১ মই বাজেট প্ৰস্তাৱসমূহ উত্থাপন কৰিবলৈ যোৱাৰ আগতে এই পৱিত্ৰ সদনৰ মাননীয় সদস্য সকলক ৰাজ্যখনৰ সামগ্ৰীক অৰ্থনৈতিক বাতাবৰণ আৰু অৰ্থনৈতিক স্থিতিৰ বিষয়ে এটি আভাস দিব বিছাৰিছো।

১.২ মাননীয় সদস্যসকল এই বিষয়ে সজাগ যে গোলকীয় অৰ্থনীতিৰ লগতে দেশীয় অৰ্থনীতিয়েও এক নিম্নমুখী গতি লৈছে। গোলকীয় অৰ্থনীতিৰ বিকাশৰ হাৰ ২০১১ আৰু ২০১২ বছৰ দুটাৰ ভিতৰত ৩.৯% ৰ পৰা ৩.২% লৈ অৱনমিত হৈছে। তেনেদৰে (কেন্দ্ৰীয় পৰিসংখ্যা সংস্থাৰ শেহতীয়া হিচাপ অনুসৰি) ভাৰতৰ বিকাশ নিৰিখো ২০১১-১২ চনৰ ৬.২% ৰ ২০১২-১৩ চনত ৫% লৈ অৱনমিত হৈছে। ২০১০-১১ চনত থকা মুঠ ঘৰুৱা উৎপাদনৰ নিৰিখ ৯.৩% ৰ সৈতে তুলনা কৰিলে এই হ্ৰাস তাৎপৰ্য্যপূৰ্ণ। মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী যে কেন্দ্ৰীয় পৰিসংখ্যা সংস্থাৰ শেহতীয়া হিচাপ অনুযায়ী ২০১২-১৩ চনৰ বছৰটোত অসমৰ প্ৰক্ষেপিত বিকাশৰ নিৰিখ ৬.৮৮% হৈ ৰাষ্ট্ৰীয় গড়তকৈ যথেষ্ট ওপৰত আছে। বিত্তীয় আৰু ৰাজহৱ ঘাটিসমূহ কমোৱাৰ বাবে আন ঠাইত ব্যয় সংকোচনৰ ব্যৱস্থা লোৱাৰ বিপৰীতে, অতিৰিক্ত সম্পদ যোগানেৰে, উন্নয়নমূলক কাম-কাজৰ

গতি আৰু অধিক ত্বৰান্বিত কৰিব পৰাকৈ আমাৰ ৰাজ্য খনৰ অৱস্থা টনকিয়াল হৈ আছে। এয়া সম্ভৱ হৈছে আমাৰ দক্ষ বিত্তীয় পৰিচালনাৰ বাবেই। ইয়াৰ ফলত বিকাশৰ হাৰ আৰু ওপৰলৈ নিবৰ বাবে প্ৰয়োজনীয় বিত্তীয় উৎসৰো সৃষ্টি হৈছে। মই আজি ঘোষণা কৰিবলৈ লোৱা নতুন কৰ্ম আঁচনিসমূহৰ জৰিয়তে ২০১৩-১৪ চনৰ বৰ্ষটোত ৰাজ্যখনৰ বিকাশৰ হাৰ ৮% হ'ব বুলি আৰু ২০১২-১৭ চনৰ দ্বাদশ পৰিকল্পনাৰ সময়খিনিত গড় বিকাশ ৮.৩৩% লৈ বৃদ্ধি হ'ব বুলি আশা কৰিছো।

১.৩ আগতীয়া প্ৰাক্কলন অনুসৰি মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ভিত্তিত চলিত মূল্যত উলিওৱা অসমৰ জনমুৰি আয় ২০১১-১২ চনৰ ক্ষীপ্ৰ হিচাপমতে ৩৭ হাজাৰ ২৫০ টকাৰ বিপৰীতে ২০১২-১৩ বৰ্ষত ৪২ হাজাৰ ৩৬ টকা হ'ব বুলি অনুমান কৰা হৈছে।

১.৪ ১৯৯৩-৯৪ চনক ১০০ ভিত্তি কৰি মূল খণ্ডত অসমৰ কৃষিজাত সামগ্ৰীৰ পাইকাৰী মূল্য সূচাংক ২০০৯-১০ চনৰ ২৪৯ আৰু ২০১০-১১ চনৰ ২৭২ ৰ বিপৰীতে ২০১১-১২ চনত ২৮৭ হৈছিল আৰু ইয়াৰ বৃদ্ধিৰ হাৰ আছিল ক্ৰমে ৫.৫১% আৰু ৯.২৪%। তেনেদৰে ২০০৪-০৫ ভিত্তি বছৰ হিচাপে সকলো সামগ্ৰীৰে সৰ্বভাৰতীয় পাইকাৰী দৰ সূচাংক অনুসৰি পাইকাৰী দৰ সূচাংক ২০১০-১১ বৰ্ষৰ ১৪২.৩২ ৰ পৰা ২০১১-১২ বৰ্ষত হৈছিলগৈ ১৫৬.১৩। এই বৃদ্ধিৰ পৰিমাণ ৮.৯৪%।

১.৫ ২০০১ চনক ভিত্তি বছৰ হিচাপে লৈ অসমত শ্ৰমিক শ্ৰেণীৰ লোকসকলৰ গড় গ্ৰাহক দৰ সূচাংক ২০১০ চনত আছিল ১৬৪, ই ২০১১ চনত ১৭৪ হৈ ২০১২ চনত ১৮৮ হৈছেগৈ।



## ৰাজ্যৰ বিত্তীয় পৰিস্থিতিঃ

২.১ এই পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকল অৱগত যে ২০০৪-০৫ বৰ্ষ পৰ্যন্ত আমাৰ ৰাজ্যখন প্ৰতিকূল বিত্তীয় পৰিস্থিতিৰ সন্মুখীন হৈ আছিল। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন বিত্তীয় ব্যৱস্থাসমূহে ২০০৫-০৬ বৰ্ষৰ পৰা সুফল দিবলৈ আৰম্ভ কৰিলে। ২০০৫ চনৰ এপ্ৰিল মাহৰ পৰা ৰাজ্য চৰকাৰখনে এদিনৰ বাবেও ও'ভাৰড্ৰাফ্টৰ আশ্ৰয় ল'ব লগা হোৱা নাই। ৰাজহ আৰু বিত্তীয় ঘাটিৰ মৌলিক সূচকসমূহৰ উল্লেখনীয়ভাৱে উন্নতি ঘটিছে।

২.২ ২০০৫-০৬ বৰ্ষত ৰাজহ আৰু বিত্তীয় ঘাটি নাইকিয়া হৈ এক উৎসাহজনক মাত্ৰা লাভ কৰে। এই সূচকসমূহ অনুযায়ী আমি পিচৰ বছৰ বিলাকতো বিত্তীয় সুস্থিৰতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছো। আমি ২০১১-১২ বছৰটি ৯২৭ কোটি টকাৰ ৰাজহ ৰাহিৰে সমাপ্ত কৰিছিলো। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাতৰ বিত্তীয় ঘাটি ২০১০-১১ বৰ্ষৰ ১.৯১ শতাংশৰ পৰা ২০১১-১২ বৰ্ষত ১.৪৩ শতাংশলৈ নামি আহিছে। ই এফ আৰ বি এমৰ লক্ষ্য ৩ শতাংশৰ যথেষ্ট তলত।

৩। ঋণৰ স্থিতি ঃ

৩.১ ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ উন্নতিৰ লগে লগে, ঋণৰ ওপৰত নিৰ্ভৰশীলতা যথেষ্ট পৰিমাণে কমি আহিছে। সন্মানীয় সদস্য সকলে জানিব পাৰি সুখী হ'ব যে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক (কেগ)ৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ২০১১-১২ বৰ্ষত ৰাজ্য চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ আছিল ঋণাত্মক ভাৱে ১৯৩.৭৭ কোটি টকা। ইয়াৰ অৰ্থ এয়ে যে আমি নতুনকৈ লোৱা ঋণৰ তুলনাত পূৰণি ঋণ পৰিশোধৰ পৰিমাণ অধিক। আমাৰ বিত্তীয় সুস্থিৰতাৰ ক্ষেত্ৰত ই এক নতুন মানদণ্ডৰ চিনাকি।

৩.২ ত্ৰয়োদশ বিত্ত আয়োগৰ অনুমোদনৰ লগত সংগতি ৰাখি ২০১১ চনৰ অসম এফ আৰ বি এম (সংশোধিত) আইনে ২০১১-১২ বৰ্ষৰ বাবে ঋণ আৰু মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাতৰ সু-বিবেচিত সীমা ২৮.৩ শতাংশ হিচাপে ধাৰ্য কৰিছে। মই সুখী যে সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাত হিচাপে আমাৰ ৰাজ্যখনৰ ঋণৰ পৰিমাণ ২০০০-০১ চনৰ ২৩.৩৫ শতাংশৰ পৰা ৩১-০৩-২০১২ তাৰিখলৈ ১৭.২৮ শতাংশলৈ উল্লেখযোগ্য ভাৱে হ্ৰাস পাইছে। ই ভাল ধৰণেই নিৰ্দ্ধাৰিত সীমাৰ ভিতৰতে আছে। অসমৰ সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ মুঠ ঋণৰ বোজাৰ অনুপাত ২০০৪ চনৰ পৰা ৩১ মাৰ্চ ২০১২ তাৰিখলৈ ৩৩.২ শতাংশৰ পৰা ২২.৭ শতাংশ লৈ হ্ৰাস পাইছে। ত্ৰয়োদশ বিত্ত আয়োগৰ অনুমোদনাৱলীমৰ্মে কেন্দ্ৰীয় পৃষ্ঠপোষকতা লাভ কৰা তথা কেন্দ্ৰীয় খণ্ডৰ আঁচনিসমূহৰ ক্ষেত্ৰত থকা ৩০৬ কোটি টকাৰ ঋণৰ পৰিমাণ ভাৰত চৰকাৰে ৰেহাই দিয়াৰ কাৰণে ৰাজ্যখনৰ ঋণৰ বোজা আৰু অধিক হ্ৰাস পাইছে। এনে উৎকৃষ্ট ফল প্ৰদৰ্শন কৰা ৰাজ্য সমূহৰ ভিতৰত অসমো অন্যতম। ২০১১ চনৰ জনসংখ্যা অনুসৰি ২০১২-১৩ চনৰ মাৰ্চৰ শেষত অসমৰ জনমূৰি ঋণ আৰু দেয়ক হৈছে ৯৩৫৯ টকা; ১৮,৪১১ টকাৰ সৰ্বভাৰতীয় গড় সংখ্যাৰ ই যথেষ্ট তলত। বৰ্তমান ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি যথেষ্ট সন্তোষজনক হৈছে। সেয়েহে ২০১০-১১ বৰ্ষত মুকলি বজাৰৰ পৰা লোৱা ঋণৰ অনুমোদনযোগ্য পৰিমাণ ৩৫০৯ কোটি টকা আছিল যদিও কেৱল ৮০০ কোটি টকাৰ ঋণহে ৰাজ্যখনে লৈছে। ২০১১-১২ বৰ্ষৰ কালছোৱাত ৰাজ্যখনে বজাৰৰ পৰা মুঠেই ঋণ লব লগা হোৱা নাছিল। বিত্তীয় বৰ্ষ ২০১২-১৩ ৰ কালছোৱাতো ২৪২৬ কোটি টকাৰ মুঠ বজাৰ ঋণৰ নিৰ্দ্ধাৰিত সীমাৰ বিপৰীতে ৰাজ্য চৰকাৰে কেৱল মাত্ৰ ৩০০ কোটি টকাহে ঋণ লৈছে। সুত প্ৰদান



ক ৰাজহ প্ৰাপ্তিৰ অনুপাত ২০০৫-০৬ বৰ্ষৰ ১২.৫৪ শতাংশৰ া ২০১১-১২ বৰ্ষত ৭.৫৬ শতাংশলৈ হ্ৰাস পাইছে। এই অনুপাত শ বিত্ত আয়োগৰ দ্বাৰা নিৰ্দ্ধাৰিত সীমা ১৫ শতাংশতকৈ যথেষ্ট া। এনেদৰেই ৰাজ্য খনৰ ঋণ বহন ক্ষমতাও ক্ৰমান্বয়ে বাঢ়ি হিছে।

চৰকাৰী প্ৰত্যাভূতি ঃ

.১ বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহে অৰ্থনীতিৰ বিভিন্ন সমূহত বিনিয়োগৰ বাবে প্ৰদান কৰা ঋণৰ বিপৰীতে বিভিন্ন জ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু সমবায় প্ৰতিষ্ঠানসমূহলৈ ৰাজ্য কাৰে বহুদিনৰে পৰা প্ৰত্যাভূতি প্ৰদান কৰি আহিছে। দুৰ্বল বিত্তীয় ৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বেছিভাগ ঋণ গ্ৰহণকাৰী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে সময়মতে ঋণ পৰিশোধ কৰিবলৈ সক্ষম হোৱা নাছিল। স্বৰূপে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান সমূহে তেওঁলোকৰ প্ৰত্যাভূতি লাক কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা লয়। এনে চৰকাৰী প্ৰত্যাভূতিক ন্মান জনাই ৰাজ্য চৰকাৰে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সৈতে ককালীন বন্দোৱস্তিৰ এক প্ৰক্ৰিয়া আৰম্ভ কৰিছিল আৰু ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ লগতে ভুল পথে পৰিচালিত যুৱকসকলৰ হৈ দিয়া চৰকাৰী প্ৰত্যাভূতিৰ ঋণৰ বৃহৎ পৰিমাণ পৰিশোধ কৰিছিল। চৰকাৰী প্ৰত্যাভূতিৰ কাৰণে উদ্ভৱ হব পৰা সম্ভাব্য দেয়কৰ পৰিমাণ ৰাজ্য চৰকাৰে এনে ধৰণেই হ্ৰাস কৰিছিল। সূতৰ সৈতে বকেয়া চৰকাৰী প্ৰত্যাভূতিৰ ধন ২০০৫-০৬ চনৰ ১২৭২.৯৩ কোটি টকাৰ পৰা ২০১১-১২ বৰ্ষলৈ ২৫৯.০৩ কোটি টকালৈ হ্ৰাস পায়।

৫।　　একত্ৰিত নিক্ষেপ পুঁজি আৰু প্ৰত্যাভূতি ঋণমুক্ত পুঁজি ঃ

ৰাজ্য চৰকাৰৰ বকেয়া ঋণ মুক্তিৰ বাবে ভৱিষ্যতে সহায় হোৱাকৈ অসম চৰকাৰে বিজাৰ্ভ বেংকত এক একত্ৰিত নিক্ষেপ পুঁজি (চি এচ এফ) গঠন কৰিছে। ৰাজ্য চৰকাৰৰ বাৰ্ষিক বৰঙণি আৰু পুঁজিৰ সূদৰ দ্বাৰা গঠিত এই ক'ৰ্পাচ পুঁজিটো সাধাৰণ ৰাজহ আৰু একত্ৰিত পুঁজিৰ আওতাৰ বাহিৰত ৰখা হয়। ভাৰতীয় বিজাৰ্ভ বেংকৰ দ্বাৰা এই পুঁজি পৰিচালিত হয়। ৰাজ্য চৰকাৰে নিয়মিতভাৱে একত্ৰিত নিক্ষেপ পুঁজিলৈ (চি এচ এফ) বৰঙণি আগবঢ়াই আহিছে আৰু ২০১২ বৰ্ষৰ ৩১ মাৰ্চত এই নিৰ্ধাৰিত পুঁজি (কৰ্পাচ) প্ৰায় দুই হাজাৰ দহ কোটি টকা হৈছেগৈ। এই একত্ৰিত নিক্ষেপ পুঁজিয়ে ভৱিষ্যতৰ যিকোনো জটিল বিত্তীয় পৰিস্থিতিত বীমাৰ দৰে কাম কৰিব পাৰে। আজি পৰ্যন্ত আমি এই পুঁজিৰ পৰা কোনো টকা উলিওৱা নাই।

একেধৰণে চৰকাৰী প্ৰত্যাভূতিৰ পৰা উদ্ভৱ হোৱা ভৱিষ্যতৰ সম্ভাব্য দেয়ক পৰিশোধ কৰিবলৈ ভাৰতীয় বিজাৰ্ভ বেংকে ৰাজ্য চৰকাৰক ২০১২-১৩ চনৰ পৰা প্ৰত্যাভূতি ঋণমুক্ত পুঁজি গঠনৰ বাবে অনুমতি দিছে। চলিত বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে এই পুঁজিলৈ প্ৰায় বিশ কোটি টকা বৰঙণি আগবঢ়াইছে। আগন্তুক বিত্তীয় বৰ্ষতো আমাৰ বৰঙণিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অৱশ্যে যিহেতু বিগত বছৰ কেইটাত চৰকাৰী প্ৰত্যাভূতিৰ পৰিমাণ উল্লেখনীয় ভাবে কমি গৈছে, সেয়েহে অদূৰ ভৱিষ্যতে এই পুঁজিলৈ আগবঢ়োৱা বৰঙণিৰ প্ৰয়োজন নাথাকিবও পাৰে।

৬।　　চতুৰ্থ অসম ৰাজ্যিক বিত্তীয় আয়োগ ঃ

৬.১　　২০১২-১৩ বৰ্ষৰ পৰা ২০১৫-১৬ বৰ্ষৰ সময়ছোৱাক সামৰি চতুৰ্থ অসম ৰাজ্যিক বিত্তীয় আয়োগৰ চূড়ান্ত প্ৰতিবেদন চৰকাৰৰ ওচৰত যোৱা ১৮-০২-২০১২ ইং তাৰিখে দাখিল কৰা হৈছিল। আয়োগৰ চূড়ান্ত প্ৰতিবেদনত প্ৰৱেশ কৰ, আমোদ কৰ আৰু বিজুলী সেৱা কৰ ব্যতিৰেকে ৰাজ্যখনে আহৰণ কৰা প্ৰকৃত ৰাজহৰ ১৫ শতাংশক সামৰি ৪১৬৫.৬২ কোটি টকাৰ বিভাজ্য পিতান গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। চূড়ান্ত প্ৰতিবেদন দাখিল কৰাৰ পিছত ২০১২ চনৰ এপ্ৰিল মাহত আয়োগে চৰকাৰক এখন পৰিপূৰক প্ৰতিবেদনো দাখিল কৰিছিল। এই পৰিপূৰক প্ৰতিবেদন খন পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু নগৰীয়া স্থানীয় নিকায়ৰ যথাযথ কৰ্মচাৰীৰ বিন্যাস আৰু সেই অনুসৰি কৰ্মচাৰী সকলৰ সংশোধিত বেতন গাঁথনি সম্বন্ধিত বিষয়ত সংবিধানৰ ৭৩তম্ আৰু ৭৫ তম্ সংশোধনীমতে স্থানীয় নিকায় সমূহৰ কৰ্মচাৰী সকলৰ চাকৰিৰ প্ৰাদেশিকীকৰণ বিষয়ত দাখিল কৰা হৈছিল।

৬.২　　ৰাজ্যিক কেবিনেটে চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগৰ চূড়ান্ত প্ৰতিবেদনৰ প্ৰায় সকলোবোৰ অনুমোদনাৱলীতে সন্মতি জনাইছে। অৱশ্যে কেবিনেটে আয়োগে দাখিল কৰা পৰিপূৰক প্ৰতিবেদনখন পৰীক্ষা তথা অনুমোদনৰ বাবে এক মন্ত্ৰী গোটৰ ওচৰত দাখিল কৰাৰ পৰামৰ্শ আগবঢ়ায়। সেই অনুসৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিৰ মাননীয় মন্ত্ৰী শ্ৰীপৃথিবী মাঝিৰ অধ্যক্ষতাত মন্ত্ৰী গোটৰ এখন সমিতি গঠন কৰা হয়। এই মন্ত্ৰী গোটে ইতিমধ্যে তেওঁলোকলৈ পঠোৱা বিষয়সমূহৰ ওপৰত আলাপ-আলোচনা আৰম্ভ কৰিছে। মন্ত্ৰীগোটে আগবঢ়োৱা প্ৰতিবেদন লাভ কৰাৰ পিছতে এই ক্ষেত্ৰত পৰৱৰ্তী কাৰ্য্যব্যৱস্থা লোৱা হব।

৭।　　পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগ ঃ

৭.১　　কেন্দ্ৰীয় চৰকাৰৰ ত্ৰয়োদশ বিত্ত আয়োগে ইয়াৰ প্ৰতিবেদনত কেন্দ্ৰীয় বিত্ত আয়োগ আৰু ৰাজ্যিক বিত্ত আয়োগৰ

সময় সংগতিকৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। সেই মতে ৰাজ্য চৰকাৰে চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগৰ সময় ৩১/৩/২০১৬ ৰ পৰা ৩১/৩/২০১৫ লৈ হ্ৰাস কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে ৰাজ্য চৰকাৰে ২০১৩ চনৰ ৫ মাৰ্চত এক অধিসূচনা যোগে ২০১৫-১৬ ৰ পৰা ২০১৯-২০ সময়ছোৱাক সামৰি পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগখন গঠন কৰিছে, যাতে কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্দশ বিত্ত আয়োগক ইয়াৰ অনুমোদনাৱলীসমূহ উত্থাপনৰ বাবে ৰাজ্য চৰকাৰক ২০১৪ চনৰ ৩০ এপ্ৰিলৰ ভিতৰত তেখেত সকলে প্ৰতিবেদন দাখিল কৰিব পাৰে।

৮। কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্দশ বিত্ত আয়োগ ঃ

৮.১ ভাৰত চৰকাৰে ২০১৩ চনৰ ২ জানুৱাৰীত ৰাষ্ট্ৰপতিৰ এক আদেশ মৰ্মে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভূতপূৰ্ব গৱৰ্ণৰ ডং ওৱাই ভি ৰেড্ডিৰ অধ্যক্ষতাত চতুৰ্দশ বিত্ত আয়োগখন গঠন কৰিছে। এই আয়োগখনৰ অনুমোদনাৱলীয়ে ২০১৫ ৰ ১ এপ্ৰিলৰ পৰা ২০২০ চনৰ ৩১ মাৰ্চলৈ - এই পাঁচ বছৰ সামৰি ল'ব। আয়োগখনে ২০১৪ চনৰ অক্টোবৰৰ শেষৰফালে ইয়াৰ প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। সন্মানীয় সদস্যসকলৰ এইটো জ্ঞাত যে ত্ৰয়োদশ বিত্ত আয়োগৰ অধীনত অসমক এক ভাল অনুদান প্ৰদান কৰা হৈছিল। এইবাৰো অধিক ভাল অনুদান লাভ কৰাৰ বাবে চতুৰ্দশ বিত্ত আয়োগৰ আগত আমাৰ দাবী সজোৰে উত্থাপন কৰিবলৈ ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছো।

৯। বাৰ্ষিক পৰিকল্পনা ঃ

৯.১ সন্মানীয় সদস্যসকলে জানে যে, ৰাজ্যৰ ২০১৩-১৪ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনা সম্পৰ্কত এতিয়াও আলোচনা হোৱা নাই। গতিকে পৰিকল্পনাৰ আকাৰ এতিয়াও চূড়ান্ত হোৱা নাই। অৱশ্যে,



তে অহা বিত্তীয় বৰ্ষৰ আৰম্ভণিৰে পৰা পৰিকল্পনাভুক্ত আঁচনিসমূহ ৰূপায়ণ কৰিব পাৰি সেই অৰ্থে চলিত বৰ্ষৰ সংশোধিত পুঁজিৰ পৰিমানকৈ ২০১৩-১৪ বৰ্ষৰ বাবে ১০৫৫০.৬০ কোটি টকাৰ সম্ভাব্য পৰিকল্পনা বিস্তৃত ভাৱে উত্থাপন কৰিবলৈ লৈছো। পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ লগত মোৰ আলোচনা অনুষ্ঠিত হোৱাৰ পিছত এই পুঁজিৰ পৰিমাণ বঢ়াৰ সম্ভাৱনা আছে। পৰিকল্পনাৰ আকাৰ চূড়ান্ত হোৱাৰ পিছত যি অতিৰিক্ত পুঁজি লাভ কৰিম, সেয়া ২০১৩-১৪ বৰ্ষৰ পৰিকল্পনা বাজেটত পৰিপূৰক দাবী মঞ্জুৰীৰে অন্তৰ্ভুক্ত কৰা হ'ব।

৯.২ এইখিনিতে মই সন্মানীয় সদস্যসকলক অৱগত কৰিব বিচাৰো যে মোৰ চৰকাৰে বৰ্তমান চলি থকা কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আঁচনিসমূহৰ লগতে যোৱা ২৮ ফেব্ৰুৱাৰীত সন্মানীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে তেঁওৰ বাজেটত ঘোষণা কৰা নতুন আঁচনিসমূহৰো সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিব। ইয়াৰ বাবে প্ৰয়োজনীয় ৰাজ্যিক অংশ সম্পূৰ্ণৰূপে দিয়া হ'ব। ৰাজ্য চৰকাৰৰ ফালৰ পৰাও ২০১৩-১৪ বৰ্ষৰ ৰাজ্যিক পৰিকল্পনাত কিছুমান নতুন আঁচনি গ্ৰহণ কৰা হ'ব আৰু ইতিমধ্যে ৰূপায়িত হোৱা তথা বৰ্তমান সময়ত প্ৰয়োজন শেষ হোৱা আঁচনি কিছুমান বন্ধ কৰি দিয়া হব। ২০১৩-১৪ বৰ্ষত আমি নিয়োজন সৃষ্টি, স্বাস্থ্য আৰু শিক্ষা খণ্ডকেইটাত বিশেষ গুৰুত্ব দিম। তদুপৰি চলিত বিত্তীয় বৰ্ষৰ পৰিকল্পনাৰ আকাৰতকৈ ২০১৩-১৪ বৰ্ষৰ ৰাজ্যিক পৰিকল্পনাৰ আকাৰ বঢ়াবৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত পুঁজি ৰাজ্য চৰকাৰৰ নিজা উৎসৰ পৰা যোগান ধৰা হব।

৯.৩ এই বছৰ বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি ৪০ লাখ টকাৰ পৰা ১ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। অহা বছৰৰ কাৰণে এই বৰ্দ্ধিত হাৰত পুঁজিৰ ব্যৱস্থা ৰখা হৈছে।

৯.৪ বৰাক উপত্যকাৰ বাবে এখন বিশেষ উন্নয়ন আঁচনি লোৱা হ'ব বুলি মই ইতিমধ্যে ঘোষণা কৰিছিলো। বৰাক উপত্যকাৰ বাবে ১০০০ কোটি টকাৰ এই উন্নয়ন আঁচনিখন পৰিকল্পনা আৰু উন্নয়ন বিভাগে প্ৰস্তুত কৰি ২০১৩-১৪ বৰ্ষৰ সময়ছোৱাত পুঁজি উলিয়াই দিব পৰাকৈ মোৰ হাতত তিনি মাহৰ ভিতৰত দাখিল কৰিব।

৯.৫ বছৰৰ শেষৰফালে খৰধৰকৈ ব্যয় কৰাৰ প্ৰৱণতা প্ৰতিৰোধ কৰাৰ বাবে মই পৰিকল্পিত ব্যয়ৰ তিনিমহীয়া লক্ষ্য নিৰ্দ্ধাৰণৰ বাবে প্ৰস্তাৱ দিছো। যদি কোনো বিভাগে এই তিনিমহীয়া পৰিকল্পিত ব্যয়ৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে তেন্তে খৰচ নোহোৱা পুঁজি উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হোৱা আন বিভাগক প্ৰদান কৰা হ'ব।

১০। আৰ আই ডি এফ প্ৰকল্পসমূহ ঃ

১০.১ গ্ৰাম্যাঞ্চলৰ সংযোগ ব্যৱস্থা উন্নীত কৰাৰ লক্ষ্যৰে নাবাৰ্ডৰ দ্বাৰা পৰিচালিত আৰু গ্ৰামীণ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ সাহায্যৰে কাঠৰ দলংসমূহক পকী দলঙলৈ ৰূপান্তৰ কৰা আৰু গাঁৱলীয়া পথসমূহ নিৰ্মাণ কৰা এক আঁচনি মোৰ চৰকাৰে আৰম্ভ কৰিছে। ২০০৫-০৬ বৰ্ষৰ পিছত আৰ আই ডি এফৰ অধীনত ৰূপায়িত প্ৰকল্পসমূহ ভিন্নমুখী কৰি তোলা হৈছে। গ্ৰাম্য পথ আৰু দলংসমূহৰ উপৰি ৰাজ্য চৰকাৰে বৰ্তমান বান নিয়ন্ত্ৰণ, ক্ষুদ্ৰ জলসিঞ্চন, শক্তি, উদ্যোগ আৰু বাণিজ্য, মীন, ৰেচম, হস্তাঁত, কৃষি, শীতল ভঁৰাল, পশুপালন আৰু পশুচিকিৎসা খণ্ডতো প্ৰকল্প ৰূপায়িত কৰি আছে।



১০.২ ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত আৰ আই ডি এফ-ৰ অধীনৰ প্ৰকল্পসমূহৰ বাবে ২৬১ কোটি টকা অনুমোদন কৰা হৈছে। ২০১৩-১৪ বৰ্ষৰ পৰা ৰূপায়িত হ'বলগীয়া এই প্ৰকল্পসমূহ হৈছে -

| | | | |
|---|---|---|---|
| ক) | ১৭ টা বান নিয়ন্ত্ৰণ প্ৰকল্প | = ৭৪.৬০ | কোটি টকা |
| খ) | ১০০ খন পশু চিকিৎসালয়/ স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণ | = ৬১.০৬ | কোটি টকা |
| গ) | ১০৪ টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প | = ৭৫.৮৩ | কোটি টকা |
| ঘ) | ২৫১ টা গ্ৰামীণ ভঁৰাল | = ৪৯.৪৬ | কোটি টকা |

১০.৩ পৰৱৰ্তী বিত্তীয় বৰ্ষত আৰ আই ডি এফ প্ৰকল্পৰ অধীনত শীতলীকৰণ ভঁৰাল আৰু সূঁতা বং কৰা গোটকে ধৰি অধিক নতুন আঁচনি সামৰি লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে। এই শিতানত অনুমোদিত ধনৰ পৰিমাণো প্ৰায় ৪০০ কোটি টকালৈ বৃদ্ধি কৰা হ'ব।

১১। বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ ঃ

১১.১ বিগত কেইটামান বছৰত বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ (ই এ পি) ৰ অধীনত অসমলৈ আগমন ঘটা পুঁজিৰ পৰিমাণ উল্লেখনীয়ভাবে বৃদ্ধি পাইছে। ২০১৩-১৪ বৰ্ষৰ পৰিকল্পনা বাজেটত নিম্নোক্ত বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ ৰূপায়ণৰ বাবে ১১০৬ কোটি টকা ধাৰ্য কৰা হৈছে -

১। বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প (এ এ চি পি) = ১২৬ কোটি টকা

২। বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত অসম ৰাজ্যিক = ২৫০ কোটি টকা

পথ প্ৰকল্প (এ এচ আৰ পি)

৩। বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত অসম গড়কাপ্তানী = ৬ কোটি টকা
কম্পিউটাৰকৰণ প্ৰকল্প (এ পি চি পি)

৪। বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত এ এ চি পি = ৪৪ কোটি টকা
গ্ৰাম্য পথ

৫। এছিয়ান ডেভেল'পমেন্ট বেংকৰ = ১০১ কোটি টকা
সাহায্যপ্ৰাপ্ত অসম সংহত বান আৰু নৈৰ
পাৰ খহনীয়া বিপদ সংকুল ব্যৱস্থাপনা
প্ৰকল্প

৬। এছিয়ান ডেভেল'পমেন্ট বেংকৰ = ১০ লাখ টকা
সাহায্যপ্ৰাপ্ত অসম প্ৰশাসন বাজহুৱা সমল
ব্যৱস্থাপনা কাৰ্যসূচী (এ জি পি আৰ এম
পি)

৭। এছিয়ান ডেভেল'পমেন্ট বেংকৰ = ৩৪৯ কোটি টকা
সাহায্যপ্ৰাপ্ত অসম শক্তিখণ্ড বৃদ্ধি
বিনিয়োগ প্ৰকল্প
(এ পি এচ ই আই পি)

৮। এছিয়ান ডেভেল'পমেন্ট বেংকৰ = ২১ কোটি টকা
সাহায্যপ্ৰাপ্ত অসম নগৰীয়া আন্তঃগাঁথনি
বিনিয়োগ কাৰ্যসূচী (এ,ইউ আই আইপি)

৯। জে আই চি এ সাহায্যপ্ৰাপ্ত গুৱাহাটী = ২০৮ কোটি টকা
পানী যোগান প্ৰকল্প (জি ডব্লিউ এচ পি)



১১.২ এছিয়ান ডেভেল'পমেন্ট বেংকৰ সাহায্যপ্ৰাপ্ত অসম শাসন আৰু ৰাজহুৱা সমল ব্যৱস্থাপনা কাৰ্যসূচী আৰু প্ৰকল্পটো ২০১৩ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে সমাপ্ত কৰা হৈছে। বিত্ত বিভাগৰ দ্বাৰা কৃতকাৰ্যতাৰে ৰূপায়ণ কৰা এই প্ৰকল্পটো ভাৰত চৰকাৰ, এছিয়ান ডেভেল'পমেন্ট বেংক আৰু অন্যান্য বহুজাতিক সংস্থাসমূহৰ দ্বাৰা বহুলভাৱে প্ৰশংসিত হৈছে।

১১.৩ সকলোবোৰ বন সংমণ্ডলৰ ২০০ খন যুটীয়া বন ব্যৱস্থাপনা সমিতি আৰু ২৮ টা পৰিবেশ উন্নয়নী সমিতিক সামৰি এগনেচ ফ্ৰেনচাইজ ডে ডেভেল'পমেন্টৰ (এ এফ ডি) সাহায্যৰে ৬০ মিলিয়ণ ইউৰো, অৰ্থাৎ প্ৰায় ৩৬৬ কোটি টকা ব্যয় সাপেক্ষ অসম বন আৰু জৈৱ-বিবিধতা প্ৰকল্প নামৰ আন এখন বহিঃসাহায্য প্ৰাপ্ত প্ৰকল্প ৫ বছৰ ধৰি ৰূপায়ণ কৰি থকা হৈছে।

১১.৪ এই সমূহ বহিঃসাহায্য প্ৰাপ্ত প্ৰকল্পই ৰাজ্যখনৰ উন্নয়ন বিশেষকৈ কৃষি, পথ সংযোগ, বন, মীন, শক্তি, বান আৰু গৰাখহনীয়া ব্যৱস্থাপনা, বিত্তীয় সংস্কাৰ, পানী যোগান ইত্যাদিৰ লেখীয়া খণ্ডসমূহৰ উন্নয়নত উল্লেখনীয় ফল দেখুৱাইছে।

১১.৫ বহিঃসাহায্য প্ৰাপ্ত আৰু দুটা প্ৰকল্পৰ বাবে যোগাযোগ চলাই থকা হৈছে। সেইসমূহ হ'ল -

ক) শক্তিখণ্ডত এছিয়ান ডেভেল'পমেন্ট বেংক সাহায্যপ্ৰাপ্ত ৩০০ মিলিয়ণ মাৰ্কিন ডলাৰ অৰ্থাৎ ১৬৩৮.১৯ কোটি টকা (আনুমানিক) ব্যয় সাপেক্ষে মাল্টি ট্ৰান্স ফাইনেন্সিং ফেচিলিটি (এম এফ এফ-২)।

খ) তথ্য প্ৰযুক্তি খণ্ডত ৯৯.৩৬ মিলিয়ণ মাৰ্কিন ডলাৰ অৰ্থাৎ ৫৪৬.৪৬ কোটি টকা (আনুমানিক) ব্যয় সাপেক্ষে বিশ্ব বেংক

সাহায্যপ্ৰাপ্ত বৰ্দ্ধিত সেৱা প্ৰদান প্ৰকল্পৰ অসম ৰাজ্যিক ৰাজহুৱা সংস্কাৰ (এ এচ পি আৰ ই এচ ডি পি)।

১২। অসম আন্তঃগাঁথনি বিত্তীয় প্ৰাধিকৰণ (এ আই এফ এ) ঃ

১২.১ যিবিলাক প্ৰকল্পৰ খৰচ ৫০ কোটি টকা বা ততোধিক আৰু য'ত ৰাজ্য চৰকাৰৰ বিনিয়োগৰ পৰিমাণ ১৫ কোটিতকৈ কম নহয়, তেনেধৰণৰ গুৰুত্বপূৰ্ণ আৰু জটিল আন্তঃগাঁথনি প্ৰকল্পসমূহলৈ পুঁজি যোগান ধৰাৰ অৰ্থে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অসম আন্তঃগাঁথনি বিত্তীয় প্ৰাধিকৰণ নামেৰে এক পঞ্জীয়ণযুক্ত সমিতি গঠন কৰা হৈছে।

১২.২ অসম আন্তঃগাঁথনি বিত্তীয় প্ৰাধিকৰণৰ অধীনত পুঁজি যোগান ধৰাৰ বাবে এতিয়ালৈকে চিনাক্ত কৰা প্ৰকল্পসমূহ হ'ল -

ক) ৭০ মেগাৱাট শক্তিসম্পন্ন লাকুৱা বিপ্লেচমেন্ট শক্তি প্ৰকল্প (৭৯.২০ কোটি টকা) আৰু নামনি কপিলি জলবিদ্যুৎ প্ৰকল্প (৪৫০ কোটি টকা)।

খ) ছয়গাওঁ, মাকুম, ৰবগাওঁ আৰু হাজোত চাৰিটা ১৩২ কে.ভি. উপকেন্দ্ৰৰ সংবৰ্দ্ধনৰ বাবে অসম ইলেকট্ৰিচিটি গ্ৰীড ক'ৰপৰেশ্যন (১৩৪.৯৫ কোটি টকা)ৰ প্ৰকল্প ।

গ) আৰক্ষী গৃহ নিৰ্মাণকে ধৰি আৰক্ষী আন্তঃগাঁথনিৰ উন্নয়ন সাধন (৫০০ কোটি টকা) ।

ঘ) গুৱাহাটীৰ ওচৰত ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপনৰ বাবে ৩০ কোটি টকাৰ ব্যয়ত ভূমি অধিগ্ৰহণ।

১২.৩ মাননীয় সদস্যসকল মোৰ লগত নিশ্চয় একমত যে মৌলিক আন্তঃগাঁথনিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন যথেষ্ট পিছপৰা। আমাৰ উন্নত বিত্তীয় অৱস্থাৰ ফলশ্ৰুতিত আমাৰ নিজস্ব উৎসৰেও আমি এতিয়া বৃহৎ আন্তঃগাঁথনিমূলক প্ৰকল্প হাতত ল'ব পৰা অৱস্থাত



নীত হৈছো। আগন্তুক বিত্তীয় বৰ্ষত ইতিমধ্যে চিনাক্তকৰণ কৰা প্ৰকল্পসমূহৰ উপৰি এ আই এফ এ-ৰ অধীনত আৰু কিছু সংখ্যক আন্তঃগাঁথনিৰ প্ৰকল্প হাতত লবলৈ মই প্ৰস্তাৱ কৰো। মই ৰাজ্যখনৰ বাবে অত্যন্ত গুৰুত্ব বুলি বিবেচনা কৰা এই আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ বাবে নিজস্ব পুঁজিৰ উৎসসমূহৰ পৰিপূৰক হিচাপে ভাৰত চৰকাৰ, জে আই চি এ-ৰ লেখীয়া দ্বিপাক্ষিক সংস্থা আৰু বিশ্ব ংক, এছিয়ান ডেভেল'পমেন্ট বেংকৰ লেখীয়া বহুপক্ষীয় সংস্থাসমূহৰ পৰাও পুঁজি আহৰণৰ বিকল্প খোলা থাকিব। আগন্তুক ত্তীয় বৰ্ষত হাতত ল'বলগীয়া প্ৰকল্পসমূহ হ'ল -

ক) গুৱাহাটী মহানগৰীৰ বাবে ১৮০০ কোটি টকা আনুমানিক ব্যয়ৰ মেট্ৰ' ৰেল প্ৰকল্প।

খ) ৬০০ কোটি টকা আনুমানিক ব্যয় সাপেক্ষ ৩০ বছৰ বা তাতকৈ পুৰণি মথাউৰিসমূহৰ শক্তিশালীকৰণ।

গ) গুৱাহাটী মহানগৰীৰ বাবে ১৪০০ কোটি টকা আনুমানিক ব্যয় সাপেক্ষ ময়লা নিষ্কাশন প্ৰকল্প।

ঘ) ৫০ বছৰ বা তাতকৈ পুৰণি সকলোবোৰ হাইস্কুল আৰু মহাবিদ্যালয়ৰ ভৱনসমূহৰ নৱীকৰণ।

ঙ) শিল সাকো বিল আৰু গুৱাহাটী তথা ইয়াৰ চৌপাশে থকা অন্যান্য জলাশয়সমূহৰ পুনৰুদ্ধাৰ কৰা।

চ) দীপৰ বিলৰ সুৰক্ষা আৰু সংৰক্ষণ।

ছ) দীঘলী পুখুৰীক পৰ্য্যটন থলী হিচাপে সৌন্দৰ্যবৰ্দ্ধন আৰু উন্নয়ন কৰা।

জ) ভৰলু নদীক পূৰ্বৰ অৱস্থালৈ ঘূৰাই অনা।

ঝ) বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত ৰাজ্যিক পথ-প্ৰকল্প নাইবা বৰ্তমানে থকা অন্যান্য আঁচনিয়ে সামৰি নোলোৱা ৰাজ্যিক ঘাই পথসমূহ আৰু প্ৰধান জিলা পথসমূহৰ বহলকৰণ আৰু উন্নীতকৰণ।

ঞ) সকলোবোৰ জিলা আৰু মহকুমা সদৰতে আন্তঃগাঁথনি আৰু অন্যান্য নাগৰিক সা-সুবিধাৰ উন্নয়ন সাধন।

ট) ৩০০ কোটি টকাৰ আনুমানিক ব্যয়ত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ নদীৰ সন্মুখস্থলী আৰু অসমৰ অন্যান্য চহৰসমূহৰ সৌন্দৰ্যবৰ্দ্ধন।

ঠ) ১৬০০ কোটি টকা আনুমানিক ব্যয়ত ডুমুনী চকীলৈকে পথ সংযোগৰ সুবিধাৰে নাৰেঙ্গীৰ পৰা কুৰুৱালৈ ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত ছয়লেনযুক্ত পথৰে সৈতে দলং নিৰ্মাণ।

ড) ১৫০ কোটি টকা আনুমানিক ব্যয়ত অসমৰ বিভিন্ন ঠাইত কমেও ৩০ টা শীতল ভৰাল স্থাপন।

ঢ) কাৰ্যালয়, কৰ্মচাৰীৰ চৰকাৰী বাসগৃহ, হাস্পাতাল আৰু অন্যান্য প্ৰতিষ্ঠানসমূহকে ধৰি সকলোবোৰ চৰকাৰী গৃহৰে মেৰামতিকৰণ।

ণ) খৰচ পুনৰুদ্ধাৰ ভিত্তিত উদ্যোগ স্থাপন আৰু পৰ্যটনৰ সা-সুবিধাৰ সৃষ্টিৰ বাবে উন্নত ভূমি বেংকৰ সৃষ্টি।

ত) উন্নত আন্তঃগাঁথনিযুক্ত উপগ্ৰহীয় নগৰ স্থাপন।

থ) ১০০০ কোটি টকা আনুমানিক ব্যয়ত ৰাজ্যখনৰ বিশ্ব বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত আন্তঃগাঁথনি উন্নয়ন সাধনৰ জড়িয়তে উচ্চ শিক্ষাৰ মান উন্নতকৰণ।

দ) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ প্ৰধান উপনৈসমূহৰ নদীগৰ্ভ খন্দাৰ পাইলট প্ৰকল্প।



ধ) ৬০ কোটি টকা আনুমানিক ব্যয়ত 'মিনি আচাম' নামৰ এটা পৰ্যটন প্ৰকল্প স্থাপন।

ন) অসম পাৱাৰ গ্ৰীড কোম্পানী লিমিটেডৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰাকে ধৰি বিদ্যুৎ বুনিয়াদৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণ।

প) ২৯৫ কোটি টকা আনুমানিক ব্যয়ৰে জি পি এচ ভিত্তিক যাত্ৰীবাহী বাছ, বাণিজ্যিক পৰিবহন আৰু স্কুল বাছ চলাচল কৰোৱাৰ ব্যৱস্থা প্ৰৱৰ্তন।

ফ) ১০৫ কোটি টকাৰ আনুমানিক ব্যয়ৰে জি পি এচ ভিত্তিক যাত্ৰীবাহী বাছ, বাণিজ্যিক পৰিবহন আৰু স্কুলবাছ চলাচল কৰোৱাৰ ব্যৱস্থা প্ৰৱৰ্তন।

১২.৪ মই উল্লেখ কৰা বেছিভাগ আঁচনিৰে ৰূপায়ণ কাল বেচ দীঘলীয়া হ'ব। সংশ্লিষ্ট বিভাগসমূহে প্ৰস্তুত কৰা বিতং প্ৰকল্প প্ৰতিবেদনৰ ভিত্তিত ৰাজ্যিক পৰিকল্পনাৰ অংশ হিচাপে আঁচনিসমূহৰ বাবে এ আই এফ এ-ই পুঁজিৰ ব্যৱস্থা কৰিব। এক প্ৰাথমিক সমীক্ষা অনুসৰি ওপৰোক্ত আঁচনিসমূহৰ বাবে ব্যয় হ'ব প্ৰায় ১৫০০০ কোটি টকা আৰু আঁচনিসমূহ দুবছৰৰ পৰা ৮ বছৰৰ ভিতৰত পৰ্যায়ক্ৰমে ৰূপায়ণ কৰা হ'ব। অহা বছৰৰ বাজেটত ওপৰোক্ত নতুন আন্তঃগাঁথনিমূলক আঁচনিবোৰৰ কাম হাতত লোৱাৰ বাবে এ আই এফ এ-ৰ শিতানত ২৫০০ কোটি টকা ৰখা হৈছে।

১৩। প্ৰতিষ্ঠানিক বিত্ত ঃ

১৩.১ মাননীয় সদস্যসকলক মই অৱগত কৰিব খোজো যে ২০১২ চনৰ ৩০ চেপ্তেম্বৰলৈকে ৰাজ্যখনৰ ঋণ জমাৰ (Credit Deposit) অনুপাত ৪৬.৬% লৈ বৃদ্ধি পাইছে। কিন্তু এই চি.ডি.

অনুপাত ৭৬.৫% ৰ ৰাষ্ট্ৰীয় খণ্ডৰ সমপৰ্যায়লৈ আনিবলৈ এক কাৰ্যক্ষম ৰণকৌশল হাতত লোৱাৰ আৱশ্যকতা আছে।

১৩.২ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ ড° ডি. চুব্বা ৰাৱে ২০১৩ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ কমিটি, অসমৰ এখন বিশেষ বৈঠক অনুষ্ঠিত কৰে, য'ত মইও উপস্থিত আছিলো।

বৈঠকত তলত উল্লিখিত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হৈছে-

- বেংক আৰু জনসংখ্যাৰ ৰাষ্ট্ৰীয় গড় হিচাপৰ তুলনাত আমাৰ ৰাজ্যখনত প্ৰায় ৬৫০ টা অতিৰিক্ত বেংকৰ শাখাৰ প্ৰয়োজন। এই ঘাটি পূৰণৰ জোৰা মৰাৰ প্ৰথম পদক্ষেপ হিচাপে ২০১৩-১৪ বৰ্ষৰ কালছোৱাত ৰাজ্যখনত ২০০ টা নতুন বেংকৰ শাখা প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লোৱা হৈছে।
- ২০১৩-১৪ বৰ্ষৰ বাবে ৰাজ্যখনৰ মজলীয়া, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগিক প্ৰতিষ্ঠানলৈ ঋণ বিতৰণৰ লক্ষ্য ৩৮০০ কোটি টকা স্থিৰ কৰা হৈছে, যিটো ২০১২-১৩ বৰ্ষতকৈ প্ৰায় ৫০% বেছি।
- মজলীয়া, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহলৈ দিয়া ঋণৰ বাবদ ১ কোটি টকালৈ কোনো বেংকে অতিৰিক্ত নিৰাপত্তাৰ ওপৰত জোৰ দিব নোৱাৰিব।
- ২০১৩-১৪ বৰ্ষৰ কালছোৱাত নাবাৰ্ডে কমেও ১ লাখ যুটীয়া ঋণ দায়বদ্ধতা গোট (জে চি এল জি) স্থাপন কৰাৰ পদক্ষেপ হাতত লব।



- কৃষক সকললৈ অভিযান আকাৰে **(Mission mode)** কিষান ক্ৰেডিট কাৰ্ড প্ৰদান কৰা হ'ব।
- বিত্তীয় খণ্ডটোত অন্তৰ্ভূক্তিৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে ৰাজ্যখনত থকা প্ৰতিটো পৰিয়ালৰে এটাকৈ বেংক একাউন্ট থাকিবই লাগিব। এতিয়ালৈকে বেংক একাউন্ট নথকা পৰিয়ালসমূহে যাতে বেংকত একাউন্ট খোলে তাৰ বাবে ৰাজ্য চৰকাৰে জিলা উপায়ুক্ত আৰু আগশাৰীৰ বেংকসমূহৰ জৰিয়তে জিলা পৰ্যায়ৰ অভিযান আৰম্ভ কৰিব।
- এনবেগাৰ দৰে আঁচনিসমূহৰ হিতাধিকাৰীসকললৈ নগদ ধন প্ৰদানৰ বাবে স্মাৰ্ট কাৰ্ড **(Smart Card)** প্ৰৱৰ্তনৰ পদক্ষেপ ইতিমধ্যে আৰম্ভ কৰা হৈছে।

১৩.৩ শেহতীয়াভাৱে কেইবাটাও ভুৱা বিত্তীয় প্ৰতিষ্ঠানে অধিক লাভ প্ৰদানৰ মিছা প্ৰতিশ্ৰুতিৰে জনসাধাৰণৰ পৰা টকা জমা লোৱাৰ তথ্য পোৱা গৈছে। এই বিষয়টোৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি জমাকাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰে তলত উল্লেখ কৰা পদক্ষেপসমূহ গ্ৰহণ কৰিছে -

- জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰি ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰলোভনত ভোল নাযাবলৈ বহুলভাৱে প্ৰচলিত বাতৰি কাকত আৰু টেলিভিছন চেনেলৰ যোগেদি ৰাজহুৱা জাননী প্ৰচাৰ কৰা হৈছে।
- বিত্ত বিভাগৰ জৰিয়তে এনে ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰতিখন জিলাত থকা এনে প্ৰতিষ্ঠানৰ তালিকা প্ৰস্তুত কৰি বিত্ত

বিভাগত জমা দিবৰ বাবে জিলা উপায়ুক্তসকলক নির্দেশ দিয়া হৈছে।

- প্ৰচলিত আইন ব্যৱস্থা অধিক শক্তিশালী কৰাৰ অৰ্থে ভাৰতীয় বিজাৰ্ভ বেংক আৰু চেবী (**Securities and Exchange Board of India**) ৰ লগত আলোচনা কৰা হৈছে।
- অসম বিধান সভাৰ চলিত অধিবেশনত উত্থাপন কৰাৰ অৰ্থে ইতিমধ্যে বিত্ত বিভাগে আসাম প্ৰতেকচন অব ইন্টাৰেষ্ট অব ডিপোজিটৰচ্ (**in financial establishment**) এক্ট, ২০০০ ৰ প্ৰয়োজনীয় সংশোধনী বিধেয়কৰ খচৰা প্ৰস্তুত কৰিছে। সংশোধনী বিধেয়কখনত ১০ বছৰলৈকে কাৰাবাসৰ ব্যৱস্থা আৰু অন্য প্ৰতিৰোধী তথা শাস্তি প্ৰদানৰ বিভিন্ন ব্যৱস্থাৱলী সবিস্তাৰে আছে। সন্মানীয় সদনে এই বিধেয়কখনত অনুমোদন জনোৱাৰ পিছত অন্যান্য আনুসংগিক নীতি বিলাক সংশোধনৰ বাবে পদক্ষেপ লোৱা হ'ব। ইয়াৰ বাবেও খচৰা প্ৰস্তুত কৰা হৈছে।

১৪। মূল্য বৃদ্ধি আৰু অসামৰিক যোগান ঃ

১৪.১ দুখীয়া জনসাধাৰণক ন্যুনতম সকাহ দিয়াৰ ক্ষেত্ৰত প্ৰাথমিক চৰ্ত হৈছে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীসমূহৰ সুষম যোগান। দৰিদ্ৰ সীমাৰ তলৰ আৰু ওপৰৰ পৰিয়াল সমূহলৈ নিয়মিতভাৱে আৰু সময়মতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ খাদ্য সামগ্ৰী, চেনি, কেৰাচিন আৰু নিমখ আদি যোগান ধৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। প্ৰতিমাহে প্ৰতিটো পৰিয়াললৈ ২০ কিলোগ্ৰামকৈ চাউলৰ যোগান ধৰাৰ জৰিয়তে প্ৰায় ২০ লাখ পৰিয়াল উপকৃত হৈ থকা



মন্ত্ৰীৰ অন্ন সুৰক্ষা যোঁজনাখন চলি থাকিব। ৰাজ্যখনত বৰ্তমানে ১৪ খন 'আমাৰ দোকান' নামৰ দোকান আছে আৰু এইবোৰে ই দৰত ৰাজহুৱা ব্যৱস্থাৰ বহিৰ্ভূত সামগ্ৰীৰ যোগান ধৰি আছে।

.২ অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্য বৃদ্ধি বোধ কৰাৰ ৰ শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। টি পি ডি এছ ব্যৱস্থাৰ নত খাদ্য শস্যৰ বিতৰণ ব্যৱস্থাটোৰ স্বচ্ছতা অনা আৰু ফলপ্ৰসু য়ণৰ অৰ্থে খাদ্য শস্যৰ বিতৰণ শৃংখলাটো কম্পিউটাৰভুক্ত কৰা ছে।

.৩ গুৱাহাটীৰ বহুমহলীয়া অট্টালিকা সমূহত এল পি জি ন গেছ বেংক/গ্ৰীডৰ এক ব্যৱস্থাপনা প্ৰযোজ্যকৰণৰ বাবে মোৰ কাৰে পদক্ষেপ লৈছে আৰু গ্ৰাহক সকলৰ আপত্তিসমূহ নিৰসনৰ ৰণে ৰাজ্যিক গ্ৰাহক হেল্প লাইন কাৰ্যকৰী কৰাৰো ব্যৱস্থা লৈছে।

.৪ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে পৰিকল্পনা বহিঃভূত তানত ১.৪৮ কোটি টকা আৰু পৰিকল্পনা শিতানৰ বাবে বৰ্তমানে .৯০ কোটি টকা আছুতীয়াকৈ ধৰা হৈছে।

৫। আভ্যন্তৰীণ নিৰাপত্তা ঃ

৫.১ মোৰ চৰকাৰৰ আপ্ত বাক্যই হ'ল শান্তি, প্ৰগতি আৰু য়ন। মই এই সদনক জনাবলৈ পাই সুখী যে মানৱ সৰবৰাহ তিৰোধ খণ্ডত আমি সমাধা কৰা সৰ্বোৎকৃষ্ট কামৰ বাবে দেশৰ িতৰতে আমাৰ ৰাজ্যখনে সৰ্বোত্তম ৰাজ্যৰ মৰ্যাদা লাভ কৰিছে। ৰাজ্যখনত উগ্ৰপন্থী কাৰ্যকলাপ মোকাবিলা কৰাৰ দিশত যৌথ অভিযানকাৰী গোটৰ অধীনত মোৰ চৰকাৰে চলোৱা অবিৰত উগ্ৰবাদ বিৰোধী অভিযান সমূহে আশাব্যঞ্জক ফল দিছে। ২০১২-১৩ চনৰ সময়ছোৱাত নিৰাপত্তা বাহিনীবোৰে ১২৮৭ গৰাকী উগ্ৰপন্থীক কৰায়ত্ত

কৰিছে আৰু বিভিন্ন উগ্ৰপন্থী গোটৰ বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও জব্দ কৰিছে।

১৫.২ ২০১২ চনৰ ৮ অক্টোবৰ তাৰিখে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু ডি এইচ ডিৰ দুয়োটা গোট আৰু অন্যান্য ৯ টা গোষ্ঠীয় উগ্ৰপন্থী গোটৰ সৈতে এখন নিষ্পত্তিকৰণৰ বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছিল।

১৫.৩ অসম ভূক্তভোগী ক্ষতিপূৰণ আঁচনি, ২০১২ ৰ অধিসূচনা জাৰি কৰা হৈছে। অসম আৰক্ষী বাহিনীৰ শক্তিশালীকৰণৰ বাবে হাতত লৈ থকা অন্যান্য ব্যৱস্থাসমূহ পৰৱৰ্তী বছৰটোতে অব্যাহত ৰখা হ'ব। কামৰূপ (গ্ৰাম্য) আৰু কামৰূপ (মহানগৰ) জিলাৰ ৪৮ টা স্থানত চি চি টি এন এছ (CCTNS) প্ৰকল্প কৰ্মক্ষম কৰি তোলা হৈছে। ১৪ টা মানৱ সৰবৰাহ প্ৰতিৰোধী গোট কৰ্তব্যত নিয়োগ কৰা হৈছে। ২০১২-১৩ বৰ্ষত ৩০ খন আৰক্ষী থানাত মহিলা কোষ কৰ্মক্ষম কৰি তোলা হৈছে। মহিলা আৰক্ষীৰ বীৰাংগনা বাহিনী গঠনৰ উপৰিও অহা বৰ্ষত ৩০ টা অতিৰিক্ত মহিলা কোষো কৰ্মক্ষম কৰি তোলা হ'ব।

১৫.৪ স্বাভাৱিক আইন-শৃংখলাজনিত সমস্যাসমূহৰ ক্ৰমবৰ্ধমান জটিলতা আৰু অপৰাধৰ দৃশ্যপটলৈ লক্ষ্য ৰাখি ৰাজ্যখনত অসামৰিক আৰক্ষী বাহিনীৰ শক্তিশালীকৰণৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰতিখন নগৰাঞ্চলৰ আৰক্ষী থানাৰ বিপৰীতে ৮০ জন আৰক্ষীৰ লোক আৰু প্ৰতিখন গ্ৰামাঞ্চলৰ আৰক্ষী থানাৰ বিপৰীতে ৪০ জনকৈ আৰক্ষীৰ লোক থাকিবলগীয়া নিয়ম অনুসৰি এইটো ধাৰণা কৰা হৈছে যে ৰাজ্যখনত প্ৰায় ৮০০০ টা অসামৰিক আৰক্ষীৰ পদ কমি আছে। প্ৰাৰম্ভিকভাৱে মই বিভিন্ন পৰ্যায়ত ২০০০ টা অসামৰিক আৰক্ষীৰ পদ অনুমোদন কৰিছো। লগতে ৩০ টা



অতিৰিক্ত মহিলা আৰক্ষী কোষ কৰ্মক্ষম কৰি তোলাৰ বাবে মহিলা আৰক্ষীৰ ১৮৪ টা পদ আৰু শোণিতপুৰ জিলাৰ ৩ খন নতুন আৰক্ষী থানাৰ বাবে ৫১ টা পদতো মই অনুমোদন জনাইছো। ইয়াৰ উপৰি, ৮৪ টা উপ-পৰিদৰ্শকৰ পদক পৰিদৰ্শকৰ পৰ্যায়লৈ উন্নীত কৰা হৈছে। এইবোৰ হৈছে ইতিমধ্যে সৃষ্টি কৰা ২৩০ টা পদৰ পৰিবৃদ্ধি।

১৫.৫ যোৰহাটত এটা আঞ্চলিক ফৰেনচিক বিজ্ঞান গৱেষণাগাৰ তথা শিলচৰ আৰু বঙাইগাঁৱত দুটা ভ্ৰাম্যমান জিলা ফৰেনচিক বিজ্ঞান গোট কাৰ্যক্ষম কৰি তোলা হৈছে। গৃহৰক্ষী বাহিনীৰ জোৱানৰ কৰ্তব্যকালীন ভাট্টা দিনে ১৫০/- টকাৰ পৰা ২০০/- টকালৈ বৃদ্ধি কৰা হৈছে।

১৫.৬ ওদালগুৰিত নিৰ্মাণ কৰা নতুন কাৰাগাৰখন ব্যৱহাৰৰ বাবে সাজু হৈ উঠিছে। নতুন কাৰাগাৰৰ নিৰ্মাণ, ইতিমধ্যে থকা কাৰাগাৰসমূহৰ সম্প্ৰসাৰণ আৰু পুনৰুজ্জীৱিতকৰণকে ধৰি কাৰাগাৰ প্ৰশাসনৰ আধুনিকীকৰণৰ আঁচনিসমূহ অব্যাহত ৰখা হ'ব।

১৫.৭ প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু কৰ্মচাৰীৰে বিদেশী ন্যায়াধিকৰণ বিলাক শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা চলি আছে। বিদেশী ন্যায়াধিকৰণত পৰি থকা গোচৰসমূহৰ ক্ষিপ্ৰ নিষ্পত্তি সুনিশ্চিত কৰাৰ অৰ্থে ২০১২ ৰ এপ্ৰিলত বিদেশী (ন্যায়াধিকৰণ) আদেশ, ১৯৬৪ ৰ দফা ৩ ৰ সংশোধনী ঘটোৱা হৈছে।

১৫.৮ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ বাবে গঠিত কেবিনেট উপ-সমিতিখনে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিছে আৰু এই প্ৰতিবেদনখন ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

১৫.৯ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ কাৰণে পৰিকল্পনা বহিঃৰ্ভূত শিতানৰ অধীনত ৩১৭৩ কোটি টকা আৰু পৰিকল্পনা শিতানৰ অধীনত বৰ্তমানে ১০৬ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

১৬। বিধায়িনী ঃ

১৬.১ এইটো এটা সৰ্বস্বীকৃত বিষয় যে বহু সময়ত বিবাদত জড়িত পক্ষসমূহক এক পাৰস্পৰিক বুজাবুজিৰ অৰ্থে এক সাধাৰণ মঞ্চলৈ আনিলে দুই পক্ষকে ক্ষীপ্ৰ সকাহ দিয়াৰ লগতে আইনী ব্যৱস্থাটোৰ সময় আৰু জনশক্তিৰ অপচয় বোধ হয়।

১৬.২ এই ক্ষেত্ৰত ২০১৩-১৪ বৰ্ষত আইনী সাহায্য প্ৰদান, লোক আদালত আৰু আইনী সজাগতা শিবিৰ অনুষ্ঠিতকৰণৰ লেখীয়া বিভিন্ন আঁচনিৰ ৰূপায়ণৰ কাম অব্যাহত থাকিব। গোচৰসমূহ ক্ষিপ্ৰ নিষ্পত্তিকৰণৰ বাবে এটা বিকল্প বিবাদ নিষ্পত্তিকৰণ ব্যৱস্থা হিচাপে মধ্যস্থতা সম্পৰ্কীয় সজাগতা সৃষ্টিৰ বাবে প্ৰচেষ্টা অব্যাহত আছে।

১৬.৩ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনা বহিঃৰ্ভূত শিতানৰ অধীনত ২২ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

১৭। ন্যায়িক ঃ

১৭.১ এক ক্ষীপ্ৰ আৰু নিৰপেক্ষ ন্যায়িক ব্যৱস্থা উপলব্ধকৰণৰ বাবে অনুকুল বাতাবৰণ সৃষ্টি কৰাত সহায়ৰ হাত আগবঢ়াবলৈ ৰাজ্য চৰকাৰ সদায়েই আগ্ৰহী। এইটো কোৱা হয় যে “ন্যায় পলম হোৱা মানে ন্যায়ক অস্বীকাৰ কৰা”। ৰাজ্যখনৰ বিভিন্ন আদালতত বহু বছৰ ধৰি পৰি থকা বৃহৎ পৰিমাণৰ গোচৰ সমূহৰ নিষ্পত্তিকৰণ কৰাটো আদালত সমূহৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। গুৱাহাটীত প্ৰায় ৬৫৯৬ লাখ টকা ব্যয়বে নিৰ্মাণ কৰা নতুন উচ্চ ন্যায়ালয় সংলগ্ন ভৱনটো সেৱা উপলব্ধকৰণৰ বাবে সাজু কৰি তোলা হৈছে।



চৰ সমূহৰ ক্ষীপ্ৰ নিষ্পত্তিকৰণ নিশ্চিত কৰিবলৈ মহামান্য বিচাৰক লক প্ৰয়োজনীয় সহায়-সহযোগ আগবঢ়াবলৈ ২৩ টা আদালত বিচালকৰ পদ সৃষ্টি কৰা হৈছে। ই-আদালত (e-Courts) ল্পবোৰ ৰূপায়ণ কৰাৰ বাবে চৰকাৰে উচ্চ ন্যায়ালয় আৰু ইয়াৰ হযোগী আদালত সমূহৰ বাবে কিছু সংখ্যক প্ৰণালী বিষয়া (System Officer) আৰু প্ৰণালী সহায়ক (System Assistance) পদবোৰ সৃষ্টি কৰিছে। তিতাবৰ, বোকাখাত, নাজিৰা, গহপুৰ আৰু লক্ষীপুৰ মহকুমাৰ প্ৰত্যেকতে একোখনকৈ মহকুমা ন্যায়িক দণ্ডাধীশ আৰু মুন্সিফ তথা ন্যায়িক দণ্ডাধীশৰ প্ৰথম শ্ৰেণীৰ আদালত স্থাপন কৰা হৈছে। অধিক সংখ্যক অমীমাংসিত গোচৰ থকা জিলাসমুহ যেনে - কামৰূপ, কাছাৰ, বৰপেটা আৰু ধুবুৰীত ৰাজ্য চৰকাৰে ৭ খন নতুন অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়ধীশৰ আদালত স্থাপন কৰিছে। কাৰ্যপালিকাক ন্যায়পালিকাৰ পৰা পৃথকীকৰণৰ উদ্দেশ্য আগত ৰাখি দেৱানী আৰু ফৌজদাৰী গোচৰ সমূহৰ বিচাৰৰ বাবে ৰাজ্য চৰকাৰে কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাত নিয়মীয়া আদালত স্থাপন কৰিছে। ৰাজ্য চৰকাৰে ৰাজ্যিক মোকৰ্দমা নীতি, অসম - ২০১২ ৰ জাননী জাৰি কৰিছে।

১৭.২ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ এই খণ্ডৰ বাবে পৰিকল্পনা বহিঃৰ্ভূত শিতানত ২৭০ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

১৮। সীমান্ত অঞ্চল ঃ

১৮.১ দূৰৱৰ্তী আৰু দুৰ্গম সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলে মুখামুখি হোৱা সমস্যাৰাজি মোৰ চৰকাৰে গুৰুত্বসহকাৰে লৈছে। সীমান্ত অঞ্চলত বাস কৰা জনসাধাৰণৰ উন্নয়নৰ বাবে বাট-পথ, খোৱা পানী, স্বাস্থ্য, শিক্ষা আৰু বিজুলী সংযোগকে ধৰি বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। এই অঞ্চলসমূহৰ

আৰ্থ-সামাজিক ক্ষেত্ৰত সৰ্বাংগীন বিকাশৰ বাবে অসম বিকাশ যোজনা, বিকেন্দ্ৰীকৃত পৰিকল্পনা, ত্ৰয়োদশ বিত্ত আয়োগৰ পুঁজি আৰু সীমান্ত অঞ্চল উন্নয়ন আঁচনিত পৰ্যাপ্ত পুঁজি আছুতীয়াকৈ ৰখা হৈছে।

১৮.২ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনা বহিঃভূৰ্ত শিতানত ২.৮৪ কোটি টকা আৰু পৰিকল্পনা শিতানত ১৮১ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

১৯। আৱকাৰী ঃ

১৯.১ ৰাজ্যিক আৱকাৰী হৈছে চৰকাৰৰ ৰাজহ আহৰণৰ এক প্ৰয়োজনীয় উৎস। চলিত বিত্তীয় বৰ্ষৰ ৫৩০ কোটি টকা লক্ষ্যৰ বিপৰীতে ৰাজ্য চৰকাৰে ২০১২ চনৰ ডিচেম্বৰ পৰ্যন্ত ৩৯৭ কোটি টকা আৱকাৰী কৰ সংগ্ৰহ কৰিছে। ৰাজ্যিক কোষাগাৰলৈ বৰঙণি আগবঢ়োৱাত আৱকাৰী খণ্ডটোৰ পূৰ্ণ সম্ভাৱণীয়তাক ব্যৱহাৰ কৰিবৰ বাবে ৰাজ্যিক আৱকাৰীৰ লগত সংশ্লিষ্ট অনুজ্ঞা-মাচুলৰ হাৰ তথা বিভিন্ন কৰাৰোপণসমূহ পুনৰ বিবেচনা কৰা হ'ব। চলিত বিত্তীয় বৰ্ষৰ ডিচেম্বৰ পৰ্যন্ত অবৈধ পানীয়ৰ ১৬,০০০ ত কৈও অধিক ঘটনা ধৰা পেলোৱা হৈছে। ৰাজ্যত অবৈধ পানীয়ৰ উৎপাদন আৰু বিক্ৰী ধৰা পেলোৱাৰ বিভাগীয় ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰা হ'ব। উন্নত কাৰ্যালয় পৰিচালনা আৰু আৱকাৰী নীতি-নিৰ্দেশনাসমূহ মানি চলাটো নিশ্চিত কৰি তোলাৰ বাবে ই-প্ৰশাসনৰ ৰূপায়ণত আমি গুৰুত্ব আৰোপ কৰিছো। নাবালকসকল, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক এলকহল আসক্তিৰ পৰা দূৰৈত ৰখাৰ উদ্দেশ্যে তথা নাবালকসকলক এলকহলযুক্ত পানীয় বিক্ৰী কৰাৰ পৰা খুচুৰা বিক্ৰেতাসকলক বাৰণ কৰাৰ বাবে বিভিন্ন নিয়ন্ত্ৰণমূলক আৰু উদ্ভাৱনমূলক ব্যৱস্থা হাতত লোৱা হ'ব।



.২ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনা ৰ্ভূত শিতানত ৪৮ কোটি টকা আৰু পৰিকল্পনা শিতানত ২৫ লাখ া ধাৰ্য কৰা হৈছে।

। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ

.১ ৰাজ্যখনৰ সাধাৰণ জনগনে সহজে খৰচ বহন কৰিব া আৰু সহজে পাব পৰা স্বাস্থ্য সেৱা প্ৰদান কৰিবলৈ মোৰ কাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। বৰপেটাৰ ফখৰুদ্দিন আলি হমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনে ১০০ জনীয়া ত্ৰ-ছাত্ৰীৰে সৈতে পাঠদান আৰম্ভ কৰিছে আৰু তেজপুৰ চিকিৎসা হাবিদ্যালয় তথা চিকিৎসালয়খনৰ কাম-কাজ ২০১৩-১৪ চনৰ পৰা ৰম্ভ হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যিক পৰিকল্পনাৰ অধীনত নুমানিক ৮ কোটি টকা ব্যয় সাপেক্ষে বৰপেটা মেডিকেল কলেজত টা এম আৰ আই (M R I) মেচিন সংস্থাপন কৰা হ'ব। ডিফুত তি সোনকালে অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা তিষ্ঠান স্থাপন কৰিবলৈ লোৱা হৈছে। গুৱাহাটী চিকিৎসা হাবিদ্যালয় আৰু হাস্পাতালত ১২৭ কোটি টকা ব্যয় সাপেক্ষে ৭৫ খন বিচনাযুক্ত অত্যাধুনিক চিকিৎসালয়খন নিৰ্মাণৰত অৱস্থাত াছে। ডিব্ৰুগড় আৰু শিলচৰত দুখন স্নাতক পৰ্যায়ৰ নাৰ্চিং হাবিদ্যালয় স্থাপন কৰা হৈছে। কোকৰাঝাৰ, ধুবুৰী, লক্ষীমপুৰ আৰু গাওঁ জিলাত নতুন চিকিৎসা মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণ আৰু ৱাহাটীত ২০০ খন বিচনাযুক্ত কৰ্কট ৰোগ চিকিৎসালয়ৰ গৃহ নিৰ্মাণৰ বাবে আৱশ্যকীয় পুঁজিৰ যোগান ধৰা হ'ব।

২০.২ প্ৰসুতিৰ মৃত্যুৰ অনুপাত প্ৰতি লাখত ৪৮০ টাৰ (২০০৪-০৬) ৰ পৰা প্ৰতি লাখত ৩৮১ টালৈ (২০০৭-০৯) হ্ৰাস পাইছে আৰু শিশুৰ মৃত্যুৰ হাৰ প্ৰতি ১০০০ টা জন্ম লাভ কৰা

শিশুৰ ভিতৰত ৫৫ টালৈ হ্ৰাস পাইছে। ২০১৬ চনৰ ভিতৰত প্ৰসুতিৰ মৃত্যুৰ হাৰ আৰু শিশুৰ মৃত্যুৰ হাৰ যথাক্ৰমে ২১০ আৰু ৩৮ টালৈ হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা চলি আছে। এই উদ্দেশ্যে এক মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি হাতত লোৱা হ'ব। জন্মগতভাবে হৃদ ৰোগত ভোগা শিশুসকলৰ বাবে নাৰায়ণ হৃদয়ালয়া, বাংগালোৰ আৰু কলকাতাত বিনামূলীয়া অস্ত্ৰোপ্ৰচাৰ সম্পন্ন কৰা হৈছে। ফটা ওঁঠ থকা শিশুসকলৰ বাবে প্ৰায় ৮০০০ টা অস্ত্ৰোপ্ৰচাৰ কৰা হৈছে। বৰ্তমান ৰক্তহীন গৰ্ভৱতী মহিলা সকলৰ ক্ষেত্ৰত পৰিপুষ্টিহীনতা নিবাময়ৰ বাবে ১০ টা পৰিপুষ্টিজনক পুনৰসংস্থাপন কেন্দ্ৰই কাম কৰি আছে আৰু ২০১৩-১৪ বৰ্ষৰ কালছোৱাত আৰু ৮ টা কেন্দ্ৰ কাৰ্যক্ষম কৰি তোলা হ'ব।

২০.৩ বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ অধীনত বাস কৰা ৰোগী সকলৰ বাবে বিনামূলীয়াকৈ পেচ মেকাৰ/হাৰ্টভাল্ব সংৰোপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মেলেৰিয়া আৰু ডেংগু ৰোগ প্ৰতিৰোধৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ অধীনত বসবাস কৰা পৰিয়ালসকললৈ অধিক দিন টিকি থকা আঁঠুৰা প্ৰদান কৰা হৈছে। আৰোগ্য নিধি আঁচনিৰ অধীনত ডায়'বেটিচ, কৰ্কট ৰোগ, বৃক্ক সংৰোপন, যকৃত ৰোগৰ লেখীয়া বিপদজনক ৰোগসমূহৰ চিকিৎসাৰ বাবে ৰোগী সকললৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ পদক্ষেপ হাতত লোৱা হৈছে। প্ৰতিৰোধকাৰী ঔষধৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছে। আয়ুৰ্বেদিক আৰু হোমিওপেথিক চিকিৎসা শিক্ষাৰ বাবে ২০১২ চনত 'আয়ুস'ৰ এটা নতুন সঞ্চালকালয় স্থাপন কৰা হৈছে। আয়ুৰ্বেদিক চিকিৎসাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব আৰু ৰাজ্যখনত আৰু এখন আয়ুৰ্বেদিক মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা হাতত লোৱা হ'ব। শিশুৰ স্বাস্থ্য সেৱাই বিশেষ গুৰুত্ব লাভ কৰিব। ২০১২ চনত এইচ আই



ভৰ দ্বাৰা সংক্ৰমিত শিশুসকলৰ বাবে এখন অনাথ আশ্ৰম প্ৰতিষ্ঠা ৰা হৈছে।

০.৪ চিকিৎসা শিক্ষা আৰু স্বাস্থ্য সেৱা খণ্ডটোৰ প্ৰতি ক্তিগত বিনিয়োগক আকৰ্ষিত কৰাৰ অৰ্থে অহা বিত্তীয় বৰ্ষত এটা নগম স্থাপনৰ পদক্ষেপ হাতত লোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

০.৫ আধুনিক ঔষধ আৰু স্বাস্থ্য প্ৰযত্ন প্ৰযুক্তিৰ উন্নয়নৰ লগে লগে আগ বাঢ়ি যাব পৰাকৈ ৰাজ্যত এখন স্বাস্থ্য ব্যৱস্থাপনা আৰু বেষণা প্ৰতিষ্ঠান স্থাপনৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

০.৬ যোৰহাটত থকা কেন্দ্ৰটোৰ উপৰি তিনিবছৰীয়া চিকিৎসা পাঠ্যক্ৰম প্ৰদান কৰাৰ বাবে এনেধৰণৰ দুটা অতিৰিক্ত কেন্দ্ৰ স্থাপন কৰাৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

০.৭। এই খণ্ডটোৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ১০৯০ কোটি টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ৭৯৫ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

২১। শ্ৰম আৰু নিয়োগ ঃ

২১.১ ব্যাপক নিবনুৱা সমস্যাই সৃষ্টি কৰা সামাজিক আৰু অৰ্থনৈতিক সমস্যাবোৰৰ প্ৰতি মোৰ চৰকাৰ সজাগ আৰু এক দুমুখীয়া কৌশলেৰে নিবনুৱা সমস্যাটো মোকাবিলা কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। সেয়া হ'ল, প্ৰথমে নিয়োজনৰ সুবিধা সৃষ্টি কৰা আৰু দ্বিতীয়তে আমাৰ যুৱক-যুৱতীসকলক বিভিন্ন কাম আৰু বৃত্তিত নিয়োজনৰ বাবে যোগ্য কৰি গঢ়ি তোলা। সংগঠিত আৰু অ-সংগঠিত খণ্ডবোৰত নিয়োজন যোগ্য কৰি গঢ়ি তোলাৰ বাবে যুৱক-যুৱতীসকলক দক্ষতাৰ প্ৰশিক্ষণ দিয়াৰ অৰ্থে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত বৃত্তিগত শিক্ষা তথা প্ৰশিক্ষণ

আঁচনিৰ অধীনত ২৫৭৪ গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছে। নিৱনুৱা যুৱকক প্ৰশিক্ষণ প্ৰদানৰ বাবে ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু হুণ্ডাই, টাটা মটৰছ আদিৰ লেখিয়া অটো'ম'বাইল প্ৰতিষ্ঠানৰ মাজত সহযোগিতামূলক ব্যৱস্থা কৰা হৈছে।

পঞ্জীভুক্ত বৃত্তিগত প্ৰশিক্ষণ প্ৰদানকাৰী সকলক 'অসম দক্ষতা উন্নয়ণ পদক্ষেপ সংস্থা' (**Assam Skill Development Initiative Society**) ৰ জৰিয়তে মাপাংকীয় নিয়োজনযোগ্য দক্ষতা আঁচনিৰ সা-সুবিধাসমূহ আগবঢ়োৱাৰ বাবে পদক্ষেপ লোৱা হৈছে। এতিয়ালৈকে ২২ হাজাৰ ৮৬৮ গৰাকী প্ৰশিক্ষাৰ্থীক ১০৭ টা পঞ্জীয়নভুক্ত বৃত্তিগত প্ৰশিক্ষণ প্ৰদানকাৰী সংস্থাৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হৈছে। দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত ৫০টা নতুন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ৫০ টা নতুন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ খোলাৰ প্ৰস্তাৱ লোৱা হৈছে। এই উদ্দেশ্যে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে ৭৫ কোটি টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

২১.২ অনানুষ্ঠানিক খণ্ডত নিয়োজিত হৈ থকা কৰ্মীসকলৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰিব। "গৃহ আৰু অন্যান্য নিৰ্মাণ কৰ্মী আইন, ১৯৯৬" ৰ অধীনত কল্যাণকামী আঁচনি গ্ৰহণৰ বাবে ৩১-০১-২০১৩ তাৰিখলৈ ২০ হাজাৰ ৪৩৪ গৰাকী হিতাধিকাৰীৰ বাছনি কৰি পঞ্জীয়ণ কৰা হৈছে। চিলিকোচিচ (**Silicosis**) নামৰ পেছাগত দুৰাৰোগ্য ব্যাধিটোৰ প্ৰতিৰোধ আৰু চিনাক্তকৰণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

২১.৩ কৰ্পোৰেট খণ্ডক জড়িত কৰি ৰাষ্ট্ৰীয় নিপুণতা উন্নয়ন নিগমৰ দৰে এক ৰাজ্যিক নিপুণতা উন্নয়ন নিগম স্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰো।



২১.৪ নৱ-উত্থিত অৰ্থনীতিৰ সমসাময়িক ধাৰা আৰু মাল্টিমিডিয়া গ্ৰাফিকচ্‌ৰ গুৰুত্বলৈ লক্ষ্য ৰাখি ৰাজ্যখনত এখন মিডিয়া আৰু আৰ্ট ডিজাইনিং প্ৰতিষ্ঠান স্থাপনৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো। ইয়াৰ বাবে প্ৰয়োজনীয় বিস্তৃত প্ৰকল্প প্ৰতিবেদন (ডি পি আৰ) তথ্য আৰু প্ৰযুক্তি বিভাগে প্ৰস্তুত কৰিব আৰু পুঁজি মঞ্জুৰ কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াব।

২১.৫ চলিত বিত্তীয় বছৰত ফেক্টৰী আইন, ১৯৪৮ ৰ অধীনত ৩০৯ টা নতুন কাৰখানা পঞ্জীয়ণ কৰা হৈছে। এইবোৰত ১৬ হাজাৰ ৭৮৮ গৰাকী নিৱনুৱা যুৱকৰ নিয়োজনৰ সুযোগ সৃষ্টি হৈছে।

২১.৬ স্থল বাহিনী, নৌ বাহিনী, বায়ু সেনা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীত থকা পদত মকৰলৰ ক্ষেত্ৰত আমাৰ যুৱক-যুৱতীসকলে যাতে কৃতকাৰ্যতাৰে উত্তীৰ্ণ হ'ব পাৰে তাৰ বাবে তেওঁলোকক প্ৰশিক্ষণ প্ৰদানৰ অৰ্থে এটা কোচিং চেন্টাৰ স্থাপন কৰা হ'ব। এই পৱিত্ৰ সদনক মই জনাবলৈ পাই সুখী হৈছো যে ভাৰতীয় নৌ বাহিনীয়ে গুৱাহাটীত এই বাহিনীৰ বাবে এটা মকৰল কেন্দ্ৰ স্থাপনৰ আগ্ৰহ প্ৰকাশ কৰিছে আৰু এই উদ্দেশ্যে তেওঁলোকে মোক এটুকুৰা উপযুক্ত মাটিৰ ব্যৱস্থা কৰি দিবলৈ অনুৰোধ কৰিছে। নাৱিকসকলক মকৰল কৰাৰ উপৰি আমাৰ যুৱক-যুৱতীসকলে যাতে ভাৰতীয় নৌ সেনা বাহিনীত বিষয়া হিচাপে যোগদান কৰিব পাৰে তাৰ বাবেও এই মকৰল কেন্দ্ৰটোৱে পথ নিৰ্দেশনা দিব।

২১.৭ বৰ্তমানে চলি থকা নিয়োগ সৃষ্টিৰ আঁচনিসমূহৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ নিয়োগৰ সুবিধাৰ লগত জড়িত আজীৱিকা (Aajeevika) দক্ষতা উন্নয়ন আঁচনিৰ নিচিনা এক ৰাজ্যিক পৰ্যায়ৰ আজীৱিকা (**Aajeevika**) দক্ষতা উন্নয়ন আঁচনি হাতত লৈ দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা গ্ৰাম্য নিৱনুৱা যুৱক-যুৱতীৰ

নিপুণতা প্ৰদান আৰু নিয়োগ সৃষ্টিৰ বাবে মই এখন বিশেষ আঁচনি গ্ৰহণ কৰাৰ প্ৰস্তাৱ হাতত লৈছো।

২১.৮ বৰ্তমান ২০১৩-১৪ বৰ্ষৰ বাবে এই খণ্ডটোত পৰিকল্পনা বহিৰ্ভূত শিতানত ৯৭ কোটি টকা আৰু পৰিকল্পনা শিতানত ৭৮ কোটি টকা আছুটীয়াকৈ ধাৰ্য কৰা হৈছে।

২২.(ক) শিক্ষা (প্ৰাথমিক)ঃ

২২(ক)১ ৰাজ্য চৰকাৰে, সকলো শিশুকে বিদ্যালয়লৈ আনিবলৈ আৰু ফলপ্ৰসুভাৱে শিক্ষা প্ৰদান কৰিবলৈ প্ৰাথমিক শিক্ষা ব্যৱস্থাক অধিক আকৰ্ষণীয় কৰি তোলাৰ লগতে যোগ্য শিক্ষক নিযুক্ত কৰাৰ বাবে আৱশ্যকতা অনুভৱ কৰিছে। চৰকাৰী আৰু প্ৰাদেশিকীকৃত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত ১১,৫০০ জন শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষাত উত্তীৰ্ণ (টেট কোৱালীফাইড) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া চূড়ান্ত পৰ্য্যায়ত আছে। চলিত বিত্তীয় বৰ্ষত ১২,৮৫৫ খন যোগ্য বেচৰকাৰী প্ৰাথমিক বিদ্যালয়লৈ বিত্তীয় উদগণি আগবঢ়োৱা হৈছে। প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ বিশেষ উদগণি হিচাবে এক লাখ ছাত্ৰ-ছাত্ৰীলৈ জলপানি আগবঢ়াবলৈ ৫০ কোটি টকা আগবঢ়োৱা হৈছে। গ্ৰাম্য এলেকাৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত পঢ়ি থকা প্ৰায় ৬ লাখ ৪০ হাজাৰ ছাত্ৰীলৈ জোতা যোগান ধৰাৰ বাবে ২২ কোটি টকা মোকোলাই দিয়া হৈছে।

২২(ক)২ সৰ্বশিক্ষা অভিযানৰ অধীনত ২৫ খন নতুন 'কস্তুৰবা গান্ধী বালিকা বিদ্যালয়' স্থাপন কৰা হ'ব। ভেঞ্চাৰ প্ৰাথমিক শিক্ষকৰ পদৰ প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া ২০১৩-১৪ বৰ্ষতো অব্যাহত থাকিব। বিনামূলীয়া পাঠ্যপুথিৰ যোগান, সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীলৈ



জলপানি প্ৰদান, মধ্যাহ্ন ভোজন প্ৰদান ইত্যাদিৰ লেখীয়া বৰ্তমানে লৈ থকা আঁচনি সমূহো অব্যাহত থাকিব।

২(ক)৩ ২০১৩-১৪ বৰ্ষৰ বাবে এই খণ্ডত পৰিকল্পনা বহিঃভূত তানত ৪০২৪ কোটি টকা আৰু পৰিকল্পনা শিতানত বৰ্তমানে ৪৭ কোটি টকা আছুটীয়াকৈ ৰখা হৈছে।

২(খ) মাধ্যমিক শিক্ষা ঃ

২(খ)১ মাধ্যমিক শিক্ষা পৰ্য্যায়টো হ'ল এনে এটা পৰ্য্যায় যি ত্ৰ-ছাত্ৰীৰ বাবে উচ্চশিক্ষাৰ দুৱাৰ মুকলি কৰে আৰু বিভিন্ন বিকা আৰু বৃত্তিৰ বাবে তেওঁলোকক প্ৰস্তুত কৰে। ইয়াৰ বাবে এটা দৃঢ় ভেটি স্থাপন কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। পৰবৰ্ত্তী বিত্তীয় বৰ্ষত ৫০০ খন মাধ্যমিক বিদ্যালয় প্ৰদেশিকীকৰণ কৰা হ'ব। ৪ খন চৰকাৰী মাধ্যমিক বিদ্যালয়ত স্মাৰ্ট শ্ৰেণী প্ৰৱৰ্তন কৰা হব। উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত পৰ্য্যায়ক্ৰমে বিজ্ঞান আৰু বাণিজ্য শাখা প্ৰৱৰ্তন কৰা হ'ব।

২২(খ)২ গোৱালপাৰা সৈনিক বিদ্যালয়খন প্ৰায় ৫০ বছৰৰ আগতেই স্থাপন কৰা হৈছিল। ৰাজ্যখনত এতিয়া কমেও দুখন অতিৰিক্ত সৈনিক বিদ্যালয় স্থাপনৰ সময় আহি পৰিছে। অহা বিত্তীয় বৰ্ষত ইয়াৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব।

২২(খ)৩ মাধ্যমিক বিদ্যালয় সমূহত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তিৰ বাবে টেট (শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষা)ৰ বাধ্যতামূলক কৰা হৈছে। স্বীকৃত সাহায্যপ্ৰাপ্ত ভেঞ্চাৰ বিদ্যালয় সমূহক সামৰি লবলৈ আই চি টি আঁচনিখন সম্প্ৰসাৰিত কৰা হ'ব।

২২(খ)৪ চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয় সমূহত অতিৰিক্ত শ্ৰেণীকোঠা, বিজ্ঞান পৰীক্ষাগাৰ আৰু পৰীক্ষাগাৰত ব্যৱহৃত

সা-সজুঁলি, পুথিভঁড়াল, কম্পিউটাৰৰ শ্ৰেণীকোঠা, কলা সংস্কৃতিৰ কোঠা, প্ৰস্ৰাৱগাৰ নিৰ্মাণ আৰু খোৱা পানীৰ সা-সুবিধাৰ বাবে পুঁজি মোকোলাই দিয়া হৈছে।

২২(খ)৫ ৰাজ্যখনৰ ৮১ টা শৈক্ষিকভাবে পিচপৰা খণ্ডৰ প্ৰত্যেকতে একোখনকৈ আদৰ্শ বিদ্যালয় স্থাপন আৰু ৮১ টা শৈক্ষিকভাৱে পিচপৰা খণ্ডৰ প্ৰত্যেকতে ১০০ খন বিচনাযুক্ত ছাত্ৰীনিবাস নিৰ্মাণৰ কাম চলি আছে।

২২(খ)৬ ৰাজ্যিক পৰিকল্পনাৰ অধীনত ছাত্ৰী সকললৈ চাইকেল যোগান ধৰা আঁচনিখন অব্যাহত থাকিব।

২২(খ)৭ ২০১২-১৩ বৰ্ষত ২০১২ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম হাই মাদ্ৰাছা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ২৬,৭৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হৈছে। এই আঁচনিখন ২০১৩ বৰ্ষটো অব্যাহত থাকিব। প্ৰয়াত দেৱ কুমাৰ বৰাৰ সোঁৱৰণত প্ৰবৰ্ত্তিত আঁচনিখনৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম হাই মাদ্ৰাছা পৰীক্ষাত শীৰ্ষ স্থানপ্ৰাপ্ত সাতগৰাকী ছাত্ৰ-ছাত্ৰীক আমেৰিকাৰ নাচা (NASA) লৈ পঠোৱা হৈছে।

২২(খ)৮ জ্ঞান বিকাশ যাত্ৰাৰ অধীনত প্ৰদৰ্শনীমূলক ভ্ৰমণৰ অৰ্থে ১১৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীক নতুন দিল্লী আৰু আগ্ৰালৈ পঠোৱা হৈছে। চৰকাৰী/ প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়সমূহত অধ্যয়ণৰত ২,৩১,৪৮২ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ শিক্ষামূলক ভ্ৰমণৰ সুবিধা প্ৰদান কৰা হৈছে।

২২(খ)৯ মহিলাৰ সাক্ষৰতাৰ হাৰ ৫০ শতাংশ অথবা তাতকৈ কম থকা ১২ খন জিলাত সাক্ষৰ ভাৰত অভিযান আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে।



২২(খ)১০ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে এই খণ্ডত বৰ্ত্তমানে পৰিকল্পনাৰ বহিৰ্ভূত শিতানৰ অধীনত ২০৫৫ কোটি টকা আৰু পৰিকল্পনা শিতানৰ অধীনত ৪১৮ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

২২(গ) উচ্চ আৰু কাৰিকৰী শিক্ষা ঃ

২২(গ)১ উচ্চ শিক্ষাৰ এক অনুকূল বাতাৱৰণ সৃষ্টিৰ অৰ্থে উপযুক্ত আন্তঃগাঁথনিৰ প্ৰয়োজন। আমি জানো যে ৰাজ্যখনৰ উচ্চশিক্ষাৰ বিভিন্ন অনুষ্ঠান বিশেষকৈ ৰাজ্যিক বিশ্ববিদ্যালয় কেইখনৰ, ৰাজ্য চৰকাৰৰ অনুদানৰ উপৰিও অন্যান্য আয়ৰ উৎসৰ পৰা পুঁজি আহৰণৰ সামৰ্থ্য আছে আৰু এই ক্ষেত্ৰত আমি খেতসকলক আগবাঢ়ি আহিবলৈ আহ্বান জনাওঁ। একেসময়তে তেওঁলোকৰ নিজা প্ৰচেষ্টাসমূহৰ সফলতা আৰু সহায়ক হোৱাৰ ক্ষেত্ৰত ৰাজ্যৰ উৎস সমূহৰ পৰা এই প্ৰতিষ্ঠানসমূহক সহায় কৰাৰ প্ৰতি আমাৰ প্ৰতিশ্ৰুতিৰ কথা পুনৰ দোহাৰিছোঁ। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয়, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয় আৰু কুমাৰ ভাষ্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়ৰ আন্তঃগাথনিগত উন্নয়নৰ বাবে আমি পৰ্যাপ্ত পুঁজিৰ যোগান ধৰিছো। অহা বিত্তীয .বৰ্ষতো এই সাহায্য প্ৰদান অব্যাহত ৰখা হব। বিভিন্ন আপুৰুগীয়া পুথি প্ৰকাশৰ বাবে প্ৰকাশন পৰিষদলৈ পুঁজিৰ যোগান ধৰা হৈছে। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত অসম বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় নামৰ এখন নতুন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত ডিজিটেল শ্ৰেণীকোঠা, ডিজিটেল পুথিভড়াঁল ইত্যাদিৰ লেখীয়া আন্তঃগাথনিৰ উন্নয়নৰ বাবে ৪১ খন মহাবিদ্যালয়লৈ পুঁজিৰ যোগান ধৰা হৈছে।

২২(গ)২ বিভিন্ন নৃগোষ্ঠীয় ভাষা সাহিত্যৰ উত্তৰণ আৰু থলুৱা সংস্কৃতিৰ বিকাশৰ লগতে এই কৃষ্টি আৰু সংস্কৃতি বিষয়ক গৱেষণা কৰিবৰ বাবে বিভিন্ন স্বেচ্ছাসেৱী তথা সাহিত্য অনুষ্ঠান যেনে- অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, মিছিং, ডিমাছা, মনিপুৰী, ৰাভা আদি সাহিত্য সভা, অসম বিজ্ঞান সমিতি, তাই ভাষা অধ্যয়ণ আৰু গৱেষণা প্ৰতিষ্ঠান, দক্ষিণ-পূৰ্ব এচিয়া ৰামায়ণী গৱেষণা কেন্দ্ৰ আদিলৈ ২০১৩-১৪ বৰ্ষত অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ত ড° ইন্দিৰা গোস্বামীৰ স্মৃতিত এখন আসন প্ৰতিষ্ঠা কৰিবলৈ পুঁজিৰ যোগান ধৰা হ'ব। ইতিমধ্যে থকা প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত পৰ্য্যায়ক্ৰমে বিজ্ঞান আৰু বানিজ্য শাখা প্ৰৱৰ্তন কৰা হব। এই উদ্দেশ্যে প্ৰতিটো প্ৰস্তাৱৰ গুণা-গুণ পৰীক্ষা কৰাৰ বাবে আমি কিছুসংখ্যক অৰ্হতাৰ নিয়মাৱলী যুগুত কৰি উলিয়াম।

২২(গ)৩ গোৱালপাৰা, কোকৰাঝাৰ, কৰিমগঞ্জ, নগাঁও, ধেমাজি, নলবাৰী, ওদালগুৰি আৰু গোলাঘাটত স্থাপন কৰিবলৈ লোৱা প্ৰস্তাৱিত নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় সমূহলৈ অহা বিত্তীয় বৰ্ষত ৰাজ্যিক পৰিকল্পনাৰ অধীনত প্ৰয়োজনীয় পুঁজি যোগান ধৰা হ'ব। যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান (জে আই এছ টি) ৰ আন্তঃ গাঁথনিৰ আধুনিকীকৰণ আৰু সংবৰ্ধনৰ কাম আৰম্ভ কৰা হৈছে। এই প্ৰতিষ্ঠানত চিভিল আৰু মেকানিকেল ইঞ্জিনিয়াৰিঙৰ দুটা নতুন শাখা প্ৰৱৰ্তনৰো প্ৰস্তাৱ লোৱা হৈছে।

২২(গ)৪ মই অৱগত যে প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহে সংগ্ৰহ কৰা ছাত্ৰ-ছাত্ৰীৰ মাচুলসমূহ অব্যৱহৃত হৈ আছে। উচ্চ শিক্ষা বিভাগে অতি সোনকালেই ইয়াৰ সঠিক ব্যৱহাৰৰ বাবে উপযুক্ত প্ৰস্তাৱ দাখিল কৰিব।



২২(গ)৫ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ব্যক্তিগত বিনিয়োগ আৰু নিপুন্যতাক আকৰ্ষিত কৰিবৰ বাবে অহা বিত্তীয় বৰ্ষত এটা নিগম গঠনৰ পদক্ষেপ হাতত লোৱাৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

২২(গ)৬ বিদ্যালয় আৰু মহা বিদ্যালয় সমূহৰ প্ৰাদেশীকৰণ সন্দৰ্ভত ১০ বছৰৰ অৰ্হতাৰ মাপকাঠী ৭ বছৰলৈ হ্ৰাস কৰাৰ বাবে মই বিভিন্ন পক্ষৰ পৰা অনুৰোধ লাভ কৰিছো। ইয়াৰ বাবে সংশ্লিষ্ট আইনখন সংশোধনীৰ প্ৰয়োজন হব। পৰৱৰ্তী পৰ্যায়ত এই উদ্দেশ্যৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত পুঁজি যোগানৰ বিষয়টো মই বিবেচনা কৰিম।

২২(গ)৭ মই লক্ষ্য কৰিছো যে কিছুমান বিদ্যালয় আৰু মহাবিদ্যালয়ৰ আচবাবসমূহ জৰাজীৰ্ণ অৱস্থাত আছে আৰু আচবাবৰ সংখ্যা পৰ্য্যাপ্ত নহয়। আচবাব অনুদানৰ বাবে আমি এখন তালিকা প্ৰস্তুত কৰিম আৰু প্ৰস্তাৱ গ্ৰহণ কৰিম তথা ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰিম।

২২(গ)৮ শিক্ষানুষ্ঠানৰ হোষ্টেল বিলাকত ৰেহাই মূল্যত ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হ'ব।

২২(গ)৯ ৰাজ্যিক পৰিকল্পনাৰ অধীনত শ্ৰীমতী নাৰায়ণী সন্দিকৈ ভৱনটোৰ নবীকৰণ আৰু পুনৰ নিৰ্মাণৰ বাবে ২ কোটি টকা আগবঢ়োৱা হ'ব। ইয়াত বৰ্তমান বুৰঞ্জী আৰু পুৰাতাত্বিক অধ্যয়ণ সঞ্চালকালয়ৰ কাৰ্য্যালয় আছে।

২২(গ)১০ ২০১৩-১৪ বিত্তীয় বৰ্ষত বৰ্তমান এই খণ্ডৰ বাবে পৰিকল্পনা বৰ্হিভূত শিতানৰ অধীনত ১৩৮৩ কোটি টকা আৰু পৰিকল্পনা শিতানৰ অধীনত ৫০১ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

২৩। নগৰ উন্নয়ন ঃ

২৩.১ অসমত ৯০ খন নগৰীয়া স্থানীয় নিকায় আৰু ২৪ টা উন্নয়ন কৰ্তৃপক্ষই নগৰ অঞ্চলৰ জনসাধাৰণলৈ সেৱা আগবঢ়াই আছে। ৰাজ্যখনত হকাৰ আৰু খুচুৰা বিক্ৰেতা সকলৰ বাবে পুনৰসংস্থাপন কেন্দ্ৰ, ট্ৰাক আস্থান, বহু কৰ্ম্মোপযোগী (Multy Utility) অট্টালিকা, পথ, বৃহৎ নলা-নৰ্দমা, বাণিজ্যিক কেন্দ্ৰ, খেল পথাৰ, পানী যোগান প্ৰকল্প, বহুমহলীয়া গাড়ী পাৰ্কিং, ইত্যাদিৰ লেখীয়া বহুতো গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিগত প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে। সংহত গৃহ আৰু বস্তি উন্নয়ণ আঁচনিৰ অধীনত ১৪২৪ টা গৃহ নিৰ্মাণ কৰা হৈছে। ২০১৩-১৪ বৰ্ষৰ ভিতৰত ১৫ খন নগৰৰ বাবে জি আই এচ ভিত্তিৰ মানচিত্ৰ প্ৰস্তুতকৰণৰ প্ৰস্তাৱ কৰা হৈছে। নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ে ৪৩ খন নগৰীয়া স্থানীয় নিকায়ৰ বাবে মাষ্টাৰ প্লেন প্ৰস্তুত কৰি আছে।

২৩.২ নগৰীয়া স্থানীয় নিকায় সমূহক অধিক ক্ষমতা প্ৰদান কৰি অসম পৌৰ আইন ১৯৫৬ খন সংশোধন কৰা হৈছে। পথ আৰু নলা পৰিস্কাৰ কৰাৰ বাবে ৩১ খন নগৰীয়া স্থানীয় নিকায়লৈ অসম বিকাশ যোজনাৰ অধীনত ৩১ খন স্কীড্ষ্টিয়াৰ লোডাৰ যোগান ধৰা হৈছে।

২৩.৩ অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদে আৰ্থিক ভাবে দুৰ্বল শ্ৰেণীৰ বাবে জনতা গৃহ আঁচনি আৰু তৃতীয় তথা চতুৰ্থ শ্ৰেণীৰ চৰকাৰী কৰ্মচাৰী সকলৰ বাবে ভাড়াতীয়া গৃহ নিৰ্মাণ আঁচনি ৰূপায়ণ কৰি আছে। ২০১৩-১৪ বৰ্ষত ৮৪৬ টা গোট গৃহ নিৰ্মাণ আঁচনি ৰূপায়ণৰ প্ৰস্তাৱ কৰা হৈছে।

২৩.৪ সকলোবোৰ নগৰতেই গোটা আৱৰ্জনা নিষ্কাশনক উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।



.৫ ২০১৩-১৪ বিত্তীয় বৰ্ষত এইখণ্ডৰ বাবে পৰিকল্পনা ভুত শিতানত ২১ কোটি টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ১ কোটি টকা ধাৰ্য কৰা হৈছে।

। কৰ্মচাৰী বিভাগঃ

.১ উন্নত প্ৰশাসনিক ব্যৱস্থাৰ অৱতাৰণাৰ উদ্দেশ্যে আমি ৰতীয় প্ৰশাসনিক সেৱা আৰু অসম অসামৰিক সেৱাৰ বিষয়া সব সেৱা সম্বন্ধীয় তথ্য সমূহ কম্পিউটাৰাইজ কৰাৰ পদক্ষেপ হণ কৰিছো। স্বচ্ছতা আনিবৰ বাবে অসম অসামৰিক সেৱাৰ ষয়াসকলৰো স্থাৱৰ সম্পত্তিৰ তালিকা চৰকাৰী ৱেবচাইটত উপলব্ধ বাৰ পদক্ষেপ লোৱা হৈছে। উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লগে গে কামৰ হেচা বাঢ়িছে আৰু বাজেটৰ পৰিসৰো বাঢ়িছে। ফলত াজ্য চৰকাৰে বিভিন্ন বিভাগত মানৱ সম্পদৰ স্বল্পতাৰ সন্মূখীন হৈছে। বিশেষকৈ গাৱলীয়া আৰু মফচলীয় অঞ্চল সমূহত বিষয়া নথকাৰ বিষয়টো বেছি জটিল হৈ পৰিছে। সেয়েহে মই এই সমস্যাটো জৰুৰীভাবে সমাধান কৰাৰ বাবে ইতিবাচক কাৰ্য্য-ব্যৱস্থা গতত লোৱাৰ প্ৰস্তাৱ আগবঢ়াইছো। মই এই সমস্যাটো জৰুৰী ভাবে সমাধান কৰাৰ বাবে ইতিবাচক কাৰ্যব্যৱস্থা সেয়ে খালী হৈ থকা পদসমূহ ক্ষীপ্ৰভাবে পূৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে কৰ্মচাৰী পৰিদৰ্শণকাৰী গোটৰ চৰ্ত শিথিল কৰি দিয়া হৈছে। প্ৰয়োজন অনুসৰি নতুন পদ সৃষ্টিৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে। বাছনি প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ অসম লোক সেৱা আয়োগক অনুৰোধ জনোৱা হৈছে। অসম লোক সেৱা আয়োগত আৰু এটা পৰীক্ষা কোষ গঠন কৰাৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত পদৰ বাবে মঞ্জুৰী দিয়া হৈছে। আয়োগৰ আন্তঃগাঠনি উন্নয়নৰ বাবেও ৰাজ্য চৰকাৰে সহায়ৰ হাত আগবঢ়াইছে।

২৪.২ যদিও আমি নতুনকৈ অস্থায়ী বা কেজুৱেল কৰ্মচাৰী নিয়োগ কৰাটো বন্ধ কৰিছো, তথাপি পূৰ্বতে এই দৰে নিযুক্তি লাভ কৰা সকলে এতিয়াও সেৱা আগবঢ়াই আছে। তেওঁলোকক মৰগীয়া বানচ নিদিয়াকৈ নিৰ্দ্ধাৰিত মজুৰি প্ৰদান কৰা হৈছে। তেওঁলোকৰ নিৰ্দ্ধাৰিত মজুৰি মাহিলী ৪৫০০ টকাৰ পৰা ২০১৩ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা কাৰ্য্যকৰী হোৱাকৈ মাহিলী ৬০০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো।

২৪.৩ ২০১৩-১৪ বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনা বৰ্হিভূত শিতানত ৪৩ কোটি টকা আৰু পৰিকল্পনাৰ শিতানত সম্প্ৰতি ৫৫ লাখ টকা আছুতীয়াকৈ ৰখা হৈছে।

২৫। গুৱাহাটী উন্নয়ন ঃ

২৫.১ ২০১১ চনৰ লোক পিয়ল অনুসৰি ৯.৬৩ লাখ জনসংখ্যাৰে গুৱাহাটী হৈছে এখন দ্ৰুত বৰ্দ্ধমান মহানগৰ আৰু ইয়াক আধুনিক সা-সুবিধাৰে সৈতে এখন নিকা আৰু সেউজীয়া মহানগৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সন্মূখীন হোৱা বিভিন্ন প্ৰত্যাহ্বান সমূহৰ বিষয়ে আমি সজাগ। মহানগৰখনে সন্মূখীন হোৱা যান-জঁটৰ সমস্যা আৰু বাৰিষাৰ কালত পানী জমা হোৱা সমস্যাৰ উপৰিও নলীৰে যোগান ধৰা পানীৰ পৰ্যাপ্তিৰ অভাৱ আৰু ময়লা নিষ্কাষণৰ নলা-নৰ্দমাৰ অভাৱ হৈছে মহানগৰখনৰ প্ৰধান সমস্যা। এনেধৰণৰ সমস্যাৰ সমাধানৰ বাবে পৰ্যাপ্ত বিত্তীয় সম্পদ আৰু আনুসংগিক প্ৰযুক্তিগত সাহায্যৰ প্ৰয়োজন। সেয়েহে ইয়াৰ বাবে এক সুদূৰ প্ৰসাৰী পৰিকল্পনাৰ প্ৰয়োজন।

২৫.২ জৱাহৰলাল নেহৰু আৰবান বিনিৱেল মিচন(জে,এন্ ইউ আৰ এম্), এছীয় উন্নয়নী বেংকৰ পৰা লাভ কৰা সাহায্য আৰু জাপান ইন্টাৰনেচনেল কোঅপাৰেচন এজেন্সি (জে আই চি এ) ৰ



ধীনত হাতত লোৱা তিনিটা প্ৰকল্পৰ জৰিয়তে এক ব্যাপক খোৱা নী যোগান ব্যৱস্থাৰ কাম নিৰ্মাণৰত অৱস্থাত আছে। গুৱাহাটীৰ ন-জঁটৰ সমস্যাটো সমাধানৰ বাবে ঠেক পথসমূহ বহল কৰাৰ কথা বেচনাধীন হৈ আছে। মহানগৰ খনৰ বাবে নিৰাপদ আৰু দ্ৰুত বিবহন ব্যৱস্থা আগবঢ়োৱাৰ ক্ষেত্ৰত মেট্ৰো ৰেল প্ৰজেক্টটোৱে এক কত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰিব পাৰে। ইয়াৰ এক সাধন সম্ভাৱনা ব্যয়ন আৰু বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে আমি ন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰি আছো। মহানগৰখনৰ বাবে ক ব্যাপক নলা-নৰ্দমা ব্যৱস্থাৰ পৰিকল্পনা কৰা হৈছে। প্ৰথম ৰ্য্যায়ত নুনমাটি বিভাৰ বেচিনটো চাফ-চিকুন কৰা প্ৰকল্পৰ কাম তত লোৱা হৈছে। গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ প্ৰতি উচ্চ গ্ৰাধিকাৰ প্ৰদান কৰা হৈছে আৰু ইয়াৰ বাবে পৰ্যাপ্ত পুঁজিৰ যোগান ৰা হৈছে।

৫.৩ মহানগৰখনত দৰিদ্ৰ বস্তি অঞ্চলৰ বাসিন্দাসকলৰ ল্যাণৰ বাবে ৰাজীৱ আৱাস যোজনাৰ অধীনত কেইবাটাও বস্তি ঞ্চল উন্নয়ন প্ৰকল্পৰ কাম হাতত লোৱা হৈছে।

৫.৪ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনাৰ তানত বৰ্তমান ৪৯২ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

৬। প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ

৬.১ মোৰ চৰকাৰে প্ৰশাসনীয় সংস্কাৰ ক্ষেত্ৰখনৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। কাম-কাজ সমূহৰ নিৰীক্ষণ আৰু মূল্যাংকনৰ বাবে অসম চৰকাৰৰ ৪৮ টা বিভাগে “ৰিজাল্ট ফ্ৰেমৱৰ্ক ডকুমেন্ট” পদ্ধতি (আৰ এফ ডি) অৱলম্বন কৰিছে। এক নিৰ্দ্দিষ্ট সময় সীমাৰ ভিতৰত যোগ্য নাগৰিক সকললৈ তালিকাভূক্ত সেৱা সমূহ উপলব্ধ কৰাৰ বাবে অসম লোকসেৱা অধিকাৰ আইন, ২০১২

খনৰ বাবে ইতিমধ্যে অধিসূচিত কৰা হৈছে। তেনেদৰে অহা বিত্তীয় বছৰটোত এক নিৰ্দ্দিষ্ট সময় সীমাৰ ভিতৰত নাগৰিক সকলৰ ওজৰ আপত্তি সমূহ নিৰসনৰ বাবে এক অ'নলাইন ৰাজহুৱা আপত্তি নিষ্পতিকৰণ আৰু নিৰীক্ষণ পদ্ধতিও আৰম্ভ কৰা হ'ব।

২৬.২ সু-প্ৰশাসনৰ প্ৰতি লক্ষ্য ৰাখি অসামৰিক চাকৰিয়াল সকলৰ নিপুণতা আৰু সামৰ্থ্য বৃদ্ধি আৰু দৃষ্টিভংগিৰ ইতিবাচক পৰিৱৰ্তন অনাৰ বাবে ৰাজ্যিক প্ৰশিক্ষণ নীতি, ২০১২ অধিসূচিত কৰা হৈছে। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়খনক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ বিত্তীয় আৰু কাম-কাজৰ ক্ষেত্ৰত স্বতন্ত্ৰতা দিয়া হৈছে।

২৬.৩ এই খণ্ডৰ বাবে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ সময় ছোৱাৰ বাবে পৰিকল্পনাৰ বহিঃভুত শিতানত ৫১১ লাখ টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ৫৫০ লাখ টকা আছুটীয়াকৈ ধাৰ্য্য কৰা হৈছে।

২৭। পাৰ্বত্য অঞ্চল ঃ

২৭.১ পাৰ্বত্য অঞ্চলত বসবাস কৰা লোকসকলৰ কল্যাণ আৰু সৰ্বাংগীন উন্নয়নৰ প্ৰতি মোৰ চৰকাৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ। কাৰ্বি আংলঙ আৰু ডিমা হাচাওঁ জিলাৰ দুয়োখন স্বায়ত্ত শাসিত পৰিষদলৈ অধিক ক্ষমতা হস্তান্তৰ কৰা হৈছে। ই এই অঞ্চলৰ উন্নয়নমূলক কাম-কাজৰ বিভিন্ন ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰিছে। এই স্বায়ত্ত শাসিত পৰিষদ দুখনে পৰিকল্পনাৰ শিতানৰ অধীনত বিভিন্ন আঁচনিৰ পৰিকল্পনা আৰু ৰূপায়ণৰ কাম হাতত লৈছে। ডিফুত নিৰ্মাণ কৰা জয়সিং দলৈ প্ৰেক্ষাগৃহৰ কাম সম্পূৰ্ণ কৰা হৈছে। কাৰ্বি আংলঙ জিলাত ডি এল এইচ এচ আৰু বি বি ডি চি পথত পকী দলঙৰ নিৰ্মাণৰ কাম চলি আছে। অসমৰ পাৰ্বত্য অঞ্চলত অসম



ৰ্বত্য আভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অসম পাৰ্বত্য বিশ্ববিদ্যালয় ন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

.২ অসম পাৰ্বত্য অঞ্চলৰ সাধাৰণ ৰাজ্যিক পৰিকল্পনা চনি, এইচ এ ডি পি আৰু অন্যান্য পৰিকল্পনাৰ অধীনৰ বিভিন্ন চনি ৰূপায়ণৰ অৰ্থে ২০১৩-১৪ ৰ বাৰ্ষিক পৰিকল্পনাৰ সময়ত ৫.০৭ কোটি টকাৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰে কাৰ্বি আংলঙ ত্ত শাসিত পৰিষদৰ বাবে ৩১২.৮১ কোটি আৰু ডিমা হাচাও ত্ত শাসিত পৰিষদৰ বাবে ১৪২.২৬ কোটি টকা ধাৰ্য কৰা হৈছে।

। পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তিঃ

.১ ২০০৯ বৰ্ষৰ ২০ মে'ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ মীয়া মাষ্টাৰ ৰোল কৰ্মচাৰীৰ চাকৰি সমূহ পেঞ্চনযোগ্য কৰা ছে। প্ৰাদেশীকৃত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ চাকৰিয়ালসকলৰ পেঞ্চনৰ চ কৰণৰ বাবে পেঞ্চন সঞ্চালকালয়, অসমক পেঞ্চন প্ৰদানৰ পক্ষ হিচাপে ঘোষণা কৰা হৈছে।

৮.২ মহাগাননিক (এ এণ্ড ই) অসমে চুড়ান্ত পি পি অ' দান নকৰালৈকে অৱসৰ গ্ৰহণ কৰা ঠিক পিছতে ৰাজ্য চৰকাৰৰ কলো চৰকাৰী চাকৰিয়াললৈ সাময়িক পেঞ্চন প্ৰদানৰ বাবে াসনীয় বিভাগসমূহক, বিভাগৰ মূৰব্বীসকলক আৰু জিলা সমূহৰ ৰ্য্যালয়ৰ মূৰব্বীসকলক ক্ষমতা দিয়া হৈছে।

৮.৩ এই খণ্ডৰ বাবে ৩১৩৭ কোটি টকা পৰিকল্পনা বহিঃভূৰ্ত তানত ২০১৩-১৪ বিত্তীয় বৰ্ষত বৰ্তমান ধাৰ্য্য কৰা হৈছে।

। সাংস্কৃতিক পৰিক্ৰমা ঃ

.১ অসমৰ বাবেৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু কাশত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।

মাজুলী সাংস্কৃতিক ক্ষেত্ৰ পৰিচালনা প্ৰাধিকৰণৰ যোগেদি মাজুলীৰ পৰম্পৰাগত সংস্কৃতিৰ সংৰক্ষণৰ কাম চলাই থকা হৈছে। তাত পথ আৰু দলং নিৰ্মাণৰ কেইবাটিও প্ৰকল্প হাতত লোৱা হৈছে। সত্ৰসমূহৰ বাবে ৯.৫৫ কোটি টকা মোকলাই দিয়া হৈছে। উত্তৰ বংগস্থিত মধুপুৰ সত্ৰৰ সুৰক্ষা আৰু উন্নীতকৰণৰ বাবে অধিক পদক্ষেপ হাতত লোৱা হ'ব। ৰাজ্যৰ সাংস্কৃতিক জীৱনলৈ অসামান্য বৰঙণি আগবঢ়োৱা ভালেসংখ্যক শিল্পীলৈ শিল্পী বঁটা আগবঢ়োৱা হৈছে। জ্যোতি চিত্ৰবন সমিতি (ফ্লিম ষ্টুডিঅ') ৰ সমাজত "ফিল্ম চিটি" নিৰ্মাণৰ কাম সমাপ্ত হোৱাৰ পথত। চিলাত নিৰ্মাণৰত আঞ্চলিক চৰকাৰী ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠানৰ স্থায়ী চৌহদটো অতি সোনকালে সাজু হৈ উঠিব।

২৯.২ হোজাইৰ আমতলাত নতুনকৈ পোৱা প্ৰত্নতাত্বিক সমল সমূহৰ সংৰক্ষণ আৰু খনন কাৰ্য্য চলি আছে। অধ্যয়নৰ সুন্দৰ বাতাৱৰণ সৃষ্টিৰ বাবে পুথিভঁড়াল সমূহৰ উন্নয়ন সাধন কৰি থকা হৈছে। অসম ৰাজ্যিক সংগ্ৰহালয়ত আৰু এটি নতুন বীথিকা শীঘ্ৰেই স্থাপন হ'ব। প্ৰত্নতাত্বিক সঞ্চালকালয় অধিক কাৰ্যক্ষম কৰা হব আৰু ৰাজ্যখনত সিঁচৰিত হৈ থকা প্ৰত্নতাত্বিক ক্ষেত্ৰ সমূহ সংৰক্ষন কৰাৰ বাবে আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰা হব। গাঁও অঞ্চলত ৰাজহুৱা আৰু ব্যক্তিগত সহযোগিতাৰ ভিত্তিত ক্ষুদ্ৰ চিনেমা হল স্থাপন কৰাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিছো। শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত থকা ড° ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ পৰিসৰ বৃদ্ধি কৰি থকা হৈছে। ড° ভূপেন হাজৰিকাৰ সমাধি ক্ষেত্ৰৰ সংৰক্ষণ আৰু উন্নয়নৰ কামো চলি আছে। যোৰহাটৰ ওচৰত স্বৰ্গদেউ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰ স্থাপনৰ বাবে পুঁজিৰ যোগান ধৰা হৈছে। সোণাপুৰত স্থাপন কৰি থকা উত্তৰ-পূৱ জনগোষ্ঠীয় সংগ্ৰহালয় আৰু সাংস্কৃতিক কেন্দ্ৰৰ প্ৰথম পৰ্যায়ৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে।



২৯.৩ এই বিভাগৰ বৰ্তমানে ৰূপায়িত হৈ থকা আঁচনিসমূহৰ কাম চলি থাকিব। সংগীতৰ পৰম্পৰাগত সা-সঁজুলি তৈয়াৰ কৰিবৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ অহা বছৰ এখন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিবলৈও বিবেচনা কৰি থকা হৈছে। গুৱাহাটীত থকা ৰবীন্দ্ৰ ভৱনক আন্তঃ ৰাষ্ট্ৰীয় মানৰ কৰি গঢ়ি তুলিবলৈ প্ৰস্তাৱ কৰা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত স্থাপন কৰি থকা আন্তঃ ৰাষ্ট্ৰীয় অভিবৰ্তন কেন্দ্ৰৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় পুঁজি যোগান ধৰা হৈছে আৰু এইটো বছৰটোৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব।

২৯.৪ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনাৰ বহিঃভুত শিতানত ২৬ কোটি টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ১০১ কোটি টকা ধাৰ্য কৰা হৈছে।

৩০। পৰ্য্যটন ঃ

৩০.১ বৈদেশিক মুদ্ৰা আহৰণ আৰু ৰাজহ বৃদ্ধি তথা ৰাজ্যখনৰ নিয়োগ সুবিধা সৃষ্টিৰ বাবে পৰ্য্যটন খণ্ডৰ প্ৰচুৰ সম্ভাৱনা আছে। বিগত বছৰবোৰত পৰ্য্যটন আন্তঃগাথনিৰ সৃষ্টি আৰু পৰ্য্যটকক আকৃষ্ট কৰা তথা অসমৰ পৰ্য্যটনৰ প্ৰচাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই ক্ষেত্ৰত সাংস্কৃতিক ঐতিহ্য আৱৰ্ত্ত, পৰ্য্যটন থলীৰ উন্নয়ন, পৰ্য্যটকৰ সা-সুবিধা উন্নীতকৰণ, জলক্ৰীড়াৰ উন্নয়ন, পৰ্য্যটন আন্তঃগাথনি, গোল্‌ফ কোৰ্চ আৰু গোল্‌ফ ৰিচোৰ্ট স্থাপন ইত্যাদিৰ বাবে পদক্ষেপ লোৱা হৈছে।

৩০.২ "মহাবাহু" নামৰ ষ্টেট অফ আৰ্ট বিলাসী ক্ৰুইজ লাইনৰ সেৱা আৰম্ভ হৈছে। এই সেৱাক ২০১২ বছৰটোৰ আটাইতকৈ উৎকৃষ্ট উদ্ভাৱনী পৰ্য্যটন সেৱা হিচাবে বঁটাৰ বাবে বিবেচনা কৰা হৈছে। এই বঁটাটো ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰণালয়ৰ দ্বাৰা যুটীয়াভাৱে অসম পৰ্য্যটন বিভাগ আৰু মেচাৰ্চ ফাৰ হৰাইজনক

প্ৰদান কৰা হ'ব। যোৰহাটত হোটেল মেনেজমেন্ট আৰু কেটেৰিঙ টেক্‌নলজিৰ এটা প্ৰতিষ্ঠান, গুৱাহাটীত এখন পঞ্চতাৰকাযুক্ত হোটেল, গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ মাজত লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ কামো বিভিন্ন পৰ্য্যায়ত ৰূপায়ণৰ পথত আছে।

৩০.৩ অসম চৰকাৰে পোনপ্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্ব আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটন মেলা আৰু ২০১৩ চনৰ জানুৱাৰী মাহৰ ১৮ ৰ পৰা ২২ তাৰিখলৈকে ভাৰতীয় দুঃসাহসিক ট্যুৰ অপাৰেটৰ পৰ্য্যটন সংস্থাৰ বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত কৰিছিল। ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰণালয় আৰু ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যম সমূহে এই সফলতাক ভূয়সী প্ৰশংসা কৰিছে।

৩০.৪ কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলা, দৌল উৎসৱ, ৰাসলীলা, উৰুচ ইত্যাদিৰ লেখীয়া ধৰ্মীয় আৰু সাংস্কৃতিক উৎসৱ সমূহৰ বিকাশৰ জৰিয়তে ৰাজ্যখনৰ পৰ্য্যটনৰ অধিক বিকাশ কৰিবলৈ মই সিদ্ধান্ত লৈছো। ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহিৰ্ভূত শিতানত ইয়াৰ বাবে ৪ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩০.৫ এনে বোৰ পদক্ষেপ হাতত লোৱাৰ ফলত দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটকৰ আগমনৰ সংখ্যা ২০১০-১১ বৰ্ষত ক্ৰমে ৪১,২৭,৪৪৭ আৰু ১৫,৬৩৩ ৰ পৰা ২০১১-১২ বৰ্ষত ক্ৰমে ৪৪,০৮,৩৩৬ আৰু ১৬,৬৬০ লৈ বৃদ্ধি পায়।

৩০.৬ ২০১৩-১৪ বৰ্ষত এই খণ্ডটোক অধিক উৎসাহিত কৰিবলৈ বিভিন্ন যোগ্য স্থানৰ প্ৰচাৰ আৰু বিজ্ঞাপনৰ জৰিয়তে ব্যাপক প্ৰচাৰ অভিযান হাতত লোৱাৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

৩০.৭ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডটোৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ১৩ কোটি আৰু পৰিকল্পনা শিতানত বৰ্তমানে ৬৩ কোটি ধাৰ্য্য কৰা হৈছে।



৩১। জনস্বাস্থ্য কাৰিকৰী ঃ

৩১.১ পানীজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ দূৰ কৰা তথা জনগণৰ স্বাস্থ্য উন্নীতকৰণৰ বাবে পৰিষ্কাৰ খোৱা পানীৰ ব্যৱস্থা, অনাময় আৰু টা নিকা পৰিবেশৰ অতিকৈ প্ৰয়োজন আছে। অসমৰ গ্ৰামাঞ্চলত ৬,৯৭০ টা বসতিস্থান আছে। ইয়াৰ ভিতৰত ৫২,২৫০ টা বসতিস্থান ২০১২ চনৰ ডিচেম্বৰ পৰ্য্যন্ত সম্পূৰ্ণভাৱে পানীযোগানৰ জৰিয়তে সামৰি লোৱা হৈছে।

৩১.২ চলিত বিত্তীয় বৰ্ষত চৰকাৰী বিদ্যালয়সমূহত ৩৩,৬৮৯ টা শৌচাগাৰ অনাময় খণ্ড নিৰ্মাণ কৰা হৈছে। ১০,৯৩৬ টা অংগনৱাড়ী কেন্দ্ৰত কণমানি শিশুৰ উপযোগীকৈ শৌচাগাৰ নিৰ্মাণো কৰা হৈছে।

৩১.৩ ২০১৩-১৪ বৰ্ষত ৩১০০ টা গুণমানৰ অভাৱ থকা আৰু ৫০২৫ টা সামৰি নোলোৱা বসতিস্থান নিৰাপদ খোৱাপানী যোগানৰ জৰিয়তে সামৰি লোৱাৰ প্ৰস্তাৱ ৰখা হৈছে। ৩০ টা অতি পুৰণি নলীযুক্ত পানীযোগান আঁচনিৰ উন্নীতকৰণ আৰু সবলীকৰণৰ কামো হাতত লোৱা হ'ব।

৩১.৪ খোৱাপানীৰ উৎস সমূহ ফ্লুৱ'ৰাইড আৰু আৰ্চেনিকৰ দ্বাৰা বিষাক্ত হৈ পৰাটো এতিয়াও এটা গুৰুতৰ সমস্যা হৈ আছে। সন্মানীয় কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ২০১৩-১৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত জলশোধন প্লান্ট স্থাপনৰ বাবে ১৪০০ কোটি টকা আগবঢ়াইছে। এই ক্ষেত্ৰত সমস্যাটোৰ মুখামুখি হোৱাৰ বাবে কেন্দ্ৰীয় অংশৰ ওপৰঞ্চিভাৱে প্ৰয়োজন হোৱা সমলখিনি মই যোগান ধৰিম।

৩১.৫ ২০১৩-১৪ বৰ্ষৰ বাবে কেন্দ্ৰীয় খণ্ডত ৩১,৭৮৭.৫০ লাখ টকা আৰু ৰাজ্যিক খণ্ডত ১২,১৩৭.৫ লাখ টকা ব্যয়ৰ প্ৰস্তাৱ লোৱা হৈছে।

৩২। পৰিবহন ঃ

৩২.১। এহাতে চালক সকলক অনুজ্ঞাপত্র দিয়া, যান-বাহনবোৰৰ পঞ্জীয়ন কৰা আৰু আনহাতে পথ সুৰক্ষা উন্নীত কৰালৈকে পৰিবহণ বিভাগৰ কৰ্মক্ষেত্ৰ বিস্তাৰিত। কমলপুৰ আৰু চিৰাঙত একোখনকৈ ২ খন গাড়ীচালনা প্ৰশিক্ষণৰ স্কুল স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। জিলাবোৰত উচ্চ নিৰাপত্তা পঞ্জীয়ন ফলক বিতৰণৰ কাম আৰম্ভ কৰা হৈছে। বিগত ৩ বছৰৰ ভিতৰত মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত (গ্ৰাম্য সংযোগ আঁচনি) ৩০০ খন বাছ ক্ৰয় কৰা হৈছে। এই বাছ সমূহে গ্ৰামাঞ্চলৰ পৰিবহন দৃশ্যপটৰ চকুত লগা পৰিবৰ্ত্তন সাধিছে। ২০১৩-১৪ চনৰ বছৰটোত গ্ৰাম্য সংযোগ আঁচনিৰ অধীনত আৰু ৫০ খন ক্ৰয় কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। নগৰত অহা-যোৱা কৰা লোকৰ বাবে অসম ৰাজ্যিক পৰিবহণ বিভাগে ৫০ খন চিটিবাছ আৰু বিশেষভাৱে মহিলা সকলৰ কাৰণে ১০ খন নিম্ন মজিয়াৰ চিটি বাছৰ ব্যৱস্থা কৰাৰ প্ৰস্তাৱ লৈছে। এয়া মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ২০১৩-১৪ চনৰ বাজেটত ঘোষণা কৰা ১০,০০০ খন নতুন বাছৰ মাজত থকা আমাৰ অংশটোৰ অতিৰিক্ত হ'ব।

৩২.২ মানুহৰ জীৱন আৰু সম্পত্তিৰ বিনাশকাৰী বৰ্দ্ধিত পথ দুৰ্ঘটনা সমূহৰ বাবে ৰাজ্য চৰকাৰ বাৰুকৈয়ে উদ্বিগ্ন। সজাগতা সৃষ্টি আৰু যান-বাহন আইনক শ্ৰদ্ধা জনোৱাৰ এক বাতাবৰণ গঢ়ি তোলাৰ বাবে বিশেষ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। এনে সজাগতা শিবিৰৰ লক্ষ্য হিচাপে যুৱক-যুৱতী বিশেষকৈ কলেজীয়া যুৱক-যুৱতীৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব।

৩২.৩ ৰবঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, যোৰহাট আৰু ডিব্ৰুগড়ৰ বন্দৰকেইটাৰ উন্নীতকৰণ



প্ৰসাৰণৰ কাম হাতত লোৱাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় ৰক অনুৰোধ জনাইছে। বৰ্ষা ঋতুৰ সময়ছোৱাত বৰঝাৰস্থিত প্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ আশে-শে থকা অঞ্চলবোৰত পানী জমা হোৱাৰ বিষয়ে মই অৱগত। সমস্যাটো সমাধানৰ বাবে আৱশ্যকীয় পদক্ষেপ লোৱা হৈছে প্ৰয়োজনীয় পুঁজিও উপলব্ধ কৰা হ'ব।

.৪ লাখ লাখ মানুহৰ, বিশেষকৈ নৈ পৰীয়া অঞ্চলবোৰৰ সকলৰ পৰিবহণ ব্যৱস্থাৰ একক আৰু প্ৰধান অৱলম্বন হোৱা ও অসমৰ আভ্যন্তৰীণ জল পৰিবহণ খণ্ডটো এতিয়াও অনুন্নত অসংগঠিত হৈয়ে আছে। আধুনিক নিৰাপত্তা বিনিয়ম আদিৰ নত যাত্ৰীসকলৰ নিৰাপত্তাৰ ওপৰত বিশেষ গুৰুত্ব দি আভ্যন্তৰীণ পৰিবহণৰ আন্তঃগাঁথনিটোৰ উন্নীতকৰণ আৰু উত্তৰণৰ বাবে ন বিশেষ আঁচনি লোৱা হ'ব। এই খণ্ডটোৰ প্ৰতি বে-চৰকাৰী নিয়োজন, বিশেষজ্ঞ আৰু উন্নত প্ৰযুক্তিৰ দৃষ্টি আকৰ্ষণৰ বাবে মই ন আভ্যন্তৰীণ জল পৰিবহণ নিগম স্থাপনৰ প্ৰস্তাৱো কৰো।

.৫ এই খণ্ডৰ বাবে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৰিকল্পনা বহিৰ্ভূত শিতানত ১৬২ কোটি টকা আৰু পৰিকল্পনা তানত বৰ্তমানে ৬৩ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩। ক্ৰীড়া আৰু যুৱকল্যাণ ঃ

৩.১ ক্ৰীড়াই শাৰীৰিক আৰু মানসিক স্বাস্থ্য অটুট ৰখাৰ ক্ষেত্ৰত বৰঙণি যোগোৱাৰ লগতে দলীয় মনোভাৱ আৰু তিযোগিতাৰ মানসিকতা গঢ়লৈ উঠাতো সহায় কৰে। ক্ৰীড়াৰ ৰ্বাঙ্গীণ উন্নয়নৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ। আগন্তুক বিত্তীয় বৰ্ষত ীড়াৰ আন্তঃগাঁথনিগত সা-সুবিধা উন্নীতকৰণৰ বাবে কিছুসংখ্যক আঁচনি হাতত লোৱা হব। ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া

প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰিবলৈ প্ৰতিভা সম্পন্ন ক্ৰীড়াবিদ আৰু ছাত্ৰ-ছাত্ৰী সকলক ক্ৰীড়া জলপানি আগবঢ়োৱাৰ বাবে ১৬ লাখ টকা আছুতীয়াকৈ ৰখা হৈছে। এই পৱিত্ৰ সদনক মই জনাবলৈ পাই সুখী হৈছো যে ২০১২ বৰ্ষৰ লণ্ডন অলিম্পিকত মহিলাৰ মুষ্টিযুদ্ধ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰি উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা মিচ এম চি মেৰীকমক ৰাজ্য চৰকাৰে ২০ লাখ টকাৰ আৰ্থিক পুৰস্কাৰেৰে সম্বৰ্দ্ধনা জনাইছিল। ৰাজ্যখনত আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে পুঁজি উপলব্ধ কৰা হব। ধেমাজি জিলাৰ বাবে মুখ্য মন্ত্ৰীৰ বিশেষ পেকেজৰ অধীনত ধেমাজিত ৬ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণ, জোনাইত প্ৰত্যেকখনতে ১ কোটি টকা ব্যয় সাপেক্ষ ক্ৰীড়া চৌহদ আৰু এখন যুৱ ছাত্ৰাবাস নিৰ্মাণৰ কাম হাতত লোৱা হ'ব।

৩৩.২ ৰাজ্যখনৰ প্ৰত্যেকটো উন্নয়ন খণ্ডতে ৰাজীৱ গান্ধী ক্ৰীড়া চৌহদ স্থাপন কৰাৰ বাবে মই প্ৰস্তাৱ কৰো। এই ক্ষেত্ৰত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ পৰা প্ৰস্তাৱ লাভ কৰাৰ পিছতে প্ৰয়োজনীয় পুঁজি উপলব্ধ কৰা হব।

৩৩.৩ ৰাজ্যখনৰ যুৱসমাজৰ মাজত পৰ্বতাৰোহণ আৰু দুঃসাহসিক ক্ৰীড়াক জনপ্ৰিয় কৰিবলৈ আমি উৎসাহ যোগাই আছো। এই উদ্দেশ্যে গুৱাহাটীত পৰ্বতাৰোহণ আৰু দুঃসাহসকি ক্ৰীড়াৰ এটা উৎকৰ্ষ কেন্দ্ৰ স্থাপনত উৎসাহিত কৰিবলৈ চৰকাৰে বিচাৰিছে। ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ পৰা ডি পি আৰ (D P R) লাভ কৰাৰ পিছতে প্ৰয়োজনীয় পুঁজি উপলব্ধ কৰা হব।



৩.৪ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে এই খণ্ডটোত পৰিকল্পনা বহিৰ্ভূত শিতানত ৩৮ কোটি টকা আৰু পৰিকল্পনা শিতানত বৰ্তমানে ৯ কোটি টকা ধাৰ্য কৰা হৈছে।

৪। ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণঃ

৪.১ ৰাজ্যৰ জনসংখ্যাৰ ৪৪ শতাংশৰো অধিক অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

৩৪.২ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰাক্ প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ বাবে পুঁজি আৱন্টন কৰিছো। চলিত বৰ্ষৰ সময়ত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ অন্তৰ্গত দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল সমূহৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিভিন্ন আঁচনি প্ৰধানকৈ পৰিয়ালমুখী আয় উপাৰ্জনকাৰী আঁচনি হাতত লোৱাৰ লগতে ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ বিতৰণৰ কাম হাতত লোৱা হৈছে। আন্তঃগাথনি উন্নয়নৰ বাবে পুঁজি আগবঢ়োৱা হৈছে। এই সকলোবোৰ আঁচনি পৰবৰ্ত্তী বিত্তীয় বৰ্ষটো অব্যাহত থাকিব।

৩৪.৩ ২০১৩-১৪ বৰ্ষৰ বাবে অনুসূচিত জাতি, অনুসূচীত জনজাতিৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ সকললৈ বিশেষ উদগনি আগবঢ়োৱাৰ অৰ্থে এখন আঁচনি হাতত লোৱা হব। ২০১৩-১৪ বৰ্ষত ৬ খন স্বায়ত্ত শাসিত পৰিষদ আৰু ১৮ খন উন্নয়ন পৰিষদে হাতত লোৱা উন্নয়নমূলক কাম-কাজৰ বাবে যথাক্ৰমে ১৮০ কোটি আৰু ৪৯ কোটি টকা আগবঢ়োৱা হৈছে। বড়োলেণ্ড আঞ্চলিক পৰিষদ (BTC) লৈ ৩৪৪.৭৫ কোটি টকা আগবঢ়োৱা হৈছে।

৩৫। সংখ্যালঘু উন্নয়ন ঃ

৩৫.১ ১৫ খন সংখ্যালঘু অধ্যুষিত জিলাত উন্নয়নমূলক কাম-কাজৰ বাবে বহুখণ্ডীয় উন্নয়ন পৰিকল্পনাৰ (এম এচ ডি পি) অধীনত বহুতো প্ৰকল্প হাতত লোৱা হৈছে। ইয়াৰ অধীনত আন্তঃগাঁথনি সৃষ্টিৰ বাবে বাছি লোৱা খণ্ডসমূহ হৈছে শিক্ষা, স্বাস্থ্য, খোৱাপানী আৰু সমাজ কল্যাণ। এই খণ্ডসমূহত বিভিন্ন আন্তঃগাঁথনিমূলক কাম যেনে অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ, স্বাস্থ্য উপকেন্দ্ৰ, প্ৰসূতি কক্ষ, ক্ষুদ্ৰ পানীযোগান আঁচনি, ইন্দিৰা আৱাস যোজনাৰ গৃহ, অংগনৱাড়ী কেন্দ্ৰ, হস্তচালিত নলীনাদ আৰু তাৰা হেণ্ডপাম্প আদি হাতত লোৱা হৈছে।

৩৫.২ বৃত্তি প্ৰপত্ৰৰ সৰলীকৰণ আৰু প্ৰক্ৰিয়াৰ সুষমকৰণৰ ফলত বৃত্তিৰ বাবে আবেদন কৰা সংখ্যালঘু হিতাধিকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰাক প্ৰৱেশিকা, প্ৰৱেশিকোত্তৰ আৰু মেধা-আয় ভিত্তিক ছাত্ৰ বৃত্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা বৃত্তিৰ ধন হিতাধিকাৰী ছাত্ৰ-ছাত্ৰীৰ মাজত বেংক একাউন্টৰ মাধ্যমেৰে প্ৰত্যক্ষভাবে বিতৰণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩৫.৩। সংখ্যালঘু সকল আৰু চৰ এলেকাত বসবাস কৰা লোকসকলৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নীতকৰণৰ বাবে ২০১৩-১৪ বৰ্ষত বহুতো আঁচনি ৰূপায়ণৰ প্ৰস্তাৱ লোৱা হৈছে। এই ক্ষেত্ৰত কৃষি, শিক্ষা, আত্মনিয়োজন আৰু নিপুণতা বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হব।

৩৫.৪ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডটোৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ৫৫৬ লাখ টকা আৰু পৰিকল্পনা শিতানত বৰ্তমানে ৪৮৮ কোটি টকা ধাৰ্য্য কৰা হৈছে।



৩৬। চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ কল্যাণ ঃ

৩৬.১ ৰাজ্যখনৰ 'এটি কলি দুটি পাত'ৰ সেউজীয়া মনোমোহা চাহ বাগিছাৰ মাজেৰে যেতিয়া আমি ভ্ৰমণ কৰো আৰু পৃথিৱীৰ ভিতৰতে প্ৰধান চাহ উৎপাদনকাৰী হিচাপে গৌৰৱ অনুভৱ কৰো, তেতিয়া যি সকল চাহ শ্ৰমিকৰ পৰিশ্ৰমৰ ফলত এইটো সম্ভৱ হৈ উঠিছে, তেওঁলোকৰ প্ৰতি আমাৰ মন কৃতজ্ঞতাৰে ভৰি পৰে। তেওঁলোকৰ কল্যাণ আৰু উন্নত মানৱ জীৱন ধাৰাৰ প্ৰতি আমি দায়বদ্ধ। নিপুণতা উন্নয়ন আৰু কৰ্মসংস্থাপন সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদানেৰে চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। প্ৰতি বছৰত ৫০০০ কৈ হিতাধিকাৰীক প্ৰশিক্ষণ দিব পৰাকৈ ৫১ টা নিপুণতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

৩৬.২ নাৰ্চিঙৰ দৰে মহিলা সৱলীকৰণ আঁচনিকে ধৰি পৰিয়াল কেন্দ্ৰিক আয় সৃষ্টিকাৰী আঁচনিসমূহ অহা বছৰো চলি থাকিব। বিশেষকৈ অশিক্ষিত নিবনুৱা মহিলা সকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে ২০১৩-১৪ বৰ্ষত ১০০ টা হস্ততাঁত আৰু হস্তশিল্পৰ গোট স্থাপন কৰা হ'ব। ওৱাচ (**Water, Sanitation and Hygiene**) ৰ অধীনত অনাময় আঁচনিৰ কাম ২০১৩-১৪ বৰ্ষত চলি থাকিব।

৩৬.৩ এই খণ্ডৰ বাবে ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহিৰ্ভূত শিতানত ১৭২ লাখ টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ২৩ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩৭। সমাজ কল্যাণ ঃ

৩৭.১ মহিলা আৰু শিশুৱে জীৱন একীকৃত, সম্পূৰ্ণ আৰু আনন্দদায়ক কৰি তোলে। অৱশ্যে, তেওঁলোক বিভিন্ন দিশৰ পৰা অপ্ৰতিৰক্ষিত। তেওঁলোকে যাতে অৰ্থপূৰ্ণভাৱে সমাজলৈ বৰঙণি

আগবঢ়াব পাৰে আৰু সমাজত অংশ লব পাৰে এইটো সুনিশ্চিত কৰিবলৈ আমি তেওঁলোকৰ বিশেষ যত্ন লোৱাটো প্ৰয়োজন।

৩৭.২। শিশুৰ অধিকাৰ সুৰক্ষা কৰাটো এক গুৰুত্বপুৰ্ণ বিষয়। ২৭ খন জিলাত ৰাজ্যিক শিশু অধিকাৰ আয়োগ, কিশোৰ ন্যায় পৰিষদ (জে জে বি), শিশু কল্যাণ সমিতি (চি ডব্লিউ চি) গঠন কৰা হৈছে। ৭৮ টা আই চি ডি এছ প্ৰকল্পত বয়সন্ধিপ্ৰাপ্ত ছোৱালীৰ সৱলীকৰণৰ অৰ্থে ৰাজীৱ গান্ধী আঁচনিখন (সবলা) ৰূপায়ণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধি আঁচনিৰ অধীনত ৫০০ টা মহিলা আত্মসহায়ক গোটলৈ সাহায্য আগবঢ়োৱা হ'ব। মোৰ চৰকাৰে গৰ্ভৱতী আৰু প্ৰসূতি মাতৃৰ অনাৰ্জিত মজুৰিৰ ক্ষতিপূৰণৰ অৰ্থে বিত্তীয় সাহায্য আগবঢ়াবলৈ আই জি এম এচ ওৱাই- এ আঁচনিখন ৰূপায়ণ কৰি আছে।

৩৭.৩ ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা দিয়াৰ অৰ্থে পৰ্যাপ্ত পুঁজি আছুতীয়াকৈ ৰখা হৈছে। প্ৰতিবন্ধী ছাত্ৰ-ছাত্ৰী সকললৈ জলপানি প্ৰদান কৰা আঁচনিখন ২০১৩-১৪ বৰ্ষতো অব্যাহত থাকিব।

৩৭.৪ আশ্ৰয়হীন লোকসকলৰ বাবে নৈশ আশ্ৰয় গৃহ নিৰ্মাণৰ কাম-কাজ গুৱাহাটী মহানগৰীত আৰম্ভ কৰা হৈছে। অসমৰ সকলো জিলাৰ সদৰত আশ্ৰয়হীন লোকসকলৰ বাবে নৈশ আশ্ৰয় গৃহ খোলাৰ প্ৰক্ৰিয়া চলি আছে।

৩৭.৫ বিভিন্ন বেচৰকাৰী সংস্থাই চলাই থকা বিদ্যালয়কে ধৰি মূকবধিৰ আৰু অন্ধ বিদ্যালয় আৰু অন্যান্য শাৰীৰিকভাৱে প্ৰত্যাহ্বানৰ সম্মুখীন হোৱা শিশুৰ অৱস্থা উন্নীত কৰিবলৈ বিশেষ গুৰুত্ব দিয়া হ'ব। এই ক্ষেত্ৰত সমাজ কল্যাণ বিভাগৰ পৰা



স্তাৱসমূহ পোৱাৰ পিছত প্ৰয়োজনীয় অতিৰিক্ত পুঁজি উপলব্ধকৰণ কৰা হ'ব।

৩৭.৬ সম্প্ৰতি মহিলা নিৰ্য্যাতন আৰু শিশু উৎপীড়ন বৃদ্ধি হোৱাটো আমি প্ৰত্যক্ষ কৰিছো। মই ইতিমধ্যে উনুকিয়াইছো যে মহিলা আৰক্ষী কোষ সমূহৰ শক্তিশালীকৰণ কৰিবলৈ মই মহিলা আৰক্ষীৰ অতিৰিক্ত পদৰ অনুমোদন জনাইছো। এই পৱিত্ৰ সদনক মই নিশ্চিতি প্ৰদান কৰো যে মহিলা মহিলা ।আৰু শিশুৰ ওপৰত হোৱা অপৰাধ কঠোৰ হাতেৰে দমন কৰা হ'ব। ভুক্তভোগী সকলক বিনামূলীয়া আইনী সাহায্য উপলব্ধ কৰাৰ বাবে এক কাৰ্য্য প্ৰণালী স্থাপন আৰু এনে গোচৰ সমূহৰ বিচাৰৰ বাবে ক্ষিপ্ৰ আদালত স্থাপনৰ কথা মই বিবেচন কৰি আছো। মহিলা আৰু শিশুৰ ওপৰত সংঘটিত হোৱা এনে নিৰ্য্যাতনৰ বলি হোৱা সকলৰ পুনৰ সংস্থাপনৰ বাবে ৫ কোটি টকাৰ প্ৰান্তিক কৰ্পাচেৰে আগন্তুক বিত্তীয় বৰ্ষত এক বিশেষ পুঁজিৰ ব্যৱস্থা কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। সমাজ কল্যাণ বিভাগ এই বিষয়ত ন'ডেল বিভাগ হ'ব আৰু তিনি মাহৰ ভিতৰতে এই বিভাগে নিৰ্দ্দিষ্ট বিস্তৃত প্ৰতিবেদন দাখিল কৰিব।

৩৭.৭ ২০১৩-১৪ বৰ্ষৰ পৰিকল্পনা বাজেটত সমাজ কল্যাণ খণ্ডত ১৫৭.৮৪ কোটি টকা আৰু পৰিপুষ্টি খণ্ডৰ অধীনত ৪৫.০০ কোটি টকা ধাৰ্য কৰা হৈছে। এই খণ্ডত চলিত বৰ্ষত ৰূপায়িত হোৱা সকলোবোৰ আঁচনি ২০১৩-১৪ বিত্তীয় বৰ্ষতো অব্যাহত ৰাখিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

৩৮। কৃষি ঃ

৩৮.১ আমি সকলোৱে নিশ্চয় এই বিষয়ত একমত যে অসমৰ ভৱিষ্যত কৃষি আৰু ইয়াৰ সহযোগী ক্ষেত্ৰসমূহৰ উন্নয়নৰ ওপৰত

বহুলাংশে নিৰ্ভৰ কৰিছে। সেই কাৰণে মোৰ চৰকাৰে ইয়াৰ বিকাশৰ বাবে জোৰ দিছে।

৩৮.২ মই এই সন্মানীয় সদনক জনাবলৈ পাই সুখী হৈছো যে ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰালয়ে খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত অসমক শীৰ্ষস্থান প্ৰাপ্ত ৰাজ্যসমূহৰ মাজত শ্ৰেণীভূক্ত কৰিছে। দেশখনৰ বৰ্দ্ধিত চাউল উৎপাদনৰ ক্ষেত্ৰত অসমৰ অৱদানৰ কথা মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত উল্লেখ কৰিছে। পূৱ ভাৰতৰ এই সেউজ বিপ্লৱটি আৰু আগবঢ়াই নিয়াৰ প্ৰচেষ্টাত তেওঁ সমৰ্থন আগবঢ়াব বুলি কৈছে। ইয়াৰ বাবে তেওঁ এক হাজাৰ কোটি টকা আৱন্টনো দিছে। মাহ জাতীয় শস্যৰ উৎসাহজনক উৎপাদনৰ স্বীকৃতি স্বৰূপে ৰাজ্যখনে ভাৰতৰ সন্মানীয় ৰাষ্ট্ৰপতিৰ পৰা 'কৃষি কৰ্মন' বঁটা গ্ৰহণ কৰে। ৰাজ্যত ২০১১-১২ বৰ্ষত ৬.৬ শতাংশ কৃষিৰ বিকাশ হৈছে। এই বিকাশৰ হাৰ ২০১২-১৩ বৰ্ষত ৭.৫ শতাংশ হবগৈ বুলি আশা কৰা হৈছে। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত চাউলৰ উৎপাদন, প্ৰথম বাৰৰ বাবে অভিলেখ সংখ্যক ৫৫ লাখ টন হবগৈ বুলি আশা কৰা হৈছে। ৰাজ্যখনে ২০১২-১৩ বৰ্ষত আমেৰিকালৈ ৩১.২০ মেট্ৰিকটন 'বাওধান' (জৈৱিক চাউল) ৰপ্তানি কৰিব পাৰিব।

৩৮.৩ একেদৰে নূন্যতম সমৰ্থন মূল্যত (এম এচ পি) ১৪৬০০ মেট্ৰিকটনতকৈও অধিক ধান ক্ৰয় কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

৩৮.৪ কৃষিজাত সামগ্ৰী সঞ্চয় কৰিবৰ বাবে গ্ৰাম্য ভড়াল আৰু শীতলীকৰণ ভড়াল নিৰ্মাণ কৰিবলৈ ৰাজ্য চৰকাৰে আঁচনি গ্ৰহণ কৰিছে। বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত এ এ চি পি ৰ অধীনত ১৫০০০ টা অগভীৰ নলীনাদ বহুৱা হৈছে আৰু কৃষি সেৱা গোঁট সমূহলৈ



০০ খন ট্ৰেক্টৰ প্ৰদান কৰা হৈছে। বৃহৎ পৰিসৰত কৃষিৰ যান্ত্ৰিকীকৰণ কৰা হ'ব। ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ হিতাৰ্থে 'কৃষি পামৰ পৰা বজাৰলৈ' এই কাৰ্য্যসূচীত বিশেষ জোৰ দিয়া হব।

৩৮.৫ অহা বিত্তীয় বৰ্ষত 'দ্বিগুন শস্য অভিযান'ৰ জৰিয়তে মাহ আৰু তেল জাতীয় শস্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাৰ বাবে মই জোৰ দিছো। ৫০০ টা তেলৰ মিল আৰু ২৫০ টা দাইল প্ৰস্তুতকৰণ মিল স্থাপনেৰে অহা বৰ্ষত নিয়োগ সৃষ্টিৰ বাবে বিশেষ জোৰ দিয়া হব।

৩৮.৬ নাবাৰ্ডৰ জৰিয়তে ৰূপায়ণ কৰা কৃষকক ৩ শতাংশ কৃষি ঋণৰ ৰাজ সাহায্য আঁচনিখন ২০১৩-১৪ চনতো চলি থাকিব।

৩৮.৭ সংৰক্ষণ ক্ষমতা বৃদ্ধি কৰিবৰ কাৰণে গুদাম আৰু শীতল ভঁড়ালৰ নিৰ্মাণৰ কাম বৃহৎ পৰিসৰত গ্ৰহণ কৰা হ'ব। এই ক্ষেত্ৰত পুঁজিৰ অভাৱ কোনো অন্তৰায় নহব।

৩৮.৮ অতিমাত্ৰা সাৰ, কীটনাশক তথা আন ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ প্ৰতিৰোধ কৰিবলৈ মই এক নিয়ন্ত্ৰক প্ৰাধিকৰণ স্থাপনৰ প্ৰস্তাৱ আগবঢ়াইছো।

৩৮.৯ এই খণ্ডত ২০১৩-১৪ বিত্তীয় বৰ্ষত পৰিকল্পনা বহিৰ্ভূত শিতানত ৩২০ কোটি টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ৭১৯ কোটি টকা ধাৰ্য কৰা হৈছে।

৩৯। জলসিঞ্চনঃ

৩৯.১ কৃষি উৎপাদন বৃদ্ধি কৰাৰ বাবে আৰু বছৰত কেইবাটাও খেতি কৰিব পৰাকৈ আবাদী ভূমিৰ পৰিমিত ব্যৱহাৰৰ বাবে এক উপযুক্ত জলসিঞ্চন আন্তঃগাথনিৰ প্ৰয়োজন। মোৰ চৰকাৰৰ বাবে ই এটা অগ্ৰাধিকাৰৰ বিষয়। ২০১৩-১৪ বৰ্ষত বুঢ়িদিহিং আৰু

৪ খন বৰ্তমানে চলি আঁচনিৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। ৩৯৭৬২ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বাবে, বিভিন্ন আঁচনিৰ অধীনত হাতত লোৱা ১০৯ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ কাম ২০১৩-১৪ বৰ্ষৰ কালছোৱাত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। ধনশিৰি আৰু ববলিয়া প্ৰকল্প সম্পূৰ্ণ কৰাৰ বাবে মোৰ চৰকাৰে ইয়াত বিনিয়োগৰ বিষয়ে অনুমোদন সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰিছে। মই নিশ্চিত যে এই পদক্ষেপ সমূহে ৰাজ্যখনৰ কৃষি উৎপাদনৰ পৰিমাণ আৰু অধিক বৃদ্ধি কৰিব।

৩৯.২ ৭৪০০ হেক্টৰ ভূমিক জলসিঞ্চন ব্যৱস্থাৰ অধীনলৈ অনাৰ লক্ষ্য আগত ৰাখি ৪ টা বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প - 'কমাণ্ড এৰিয়া ডেভেল'পমেন্ট এণ্ড ৱাটাৰছেদ মেনেজমেন্ট'ৰ কাম ২০১৩-১৪ বৰ্ষৰ কালছোৱাত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

৩৯.৩ জলসিঞ্চনৰ যথাযথ ব্যৱহাৰ সুনিশ্চিত কৰাৰ অৰ্থে এখন জল ব্যৱস্থাপনা প্ৰাধিকৰণ স্থাপনৰ বাবে মই প্ৰস্তাৱ লৈছো।

৩৯.৪ এই খণ্ডৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ৪৯৯ কোটি টকা আৰু বৰ্তমান পৰিকল্পনা শিতানত ৬৮৬ কোটি টকা ২০১৩-১৪ বৰ্ষৰ বাবে ৰখা হৈছে।

৪০। মীন ঃ

৪০.১ ৰাজ্য চৰকাৰৰ বিভিন্ন পদক্ষেপৰ ফলশ্ৰুতিত ৰাজ্যিক মীন খণ্ডই ৬ শতাংশৰো অধিক স্থিৰ বিকাশ দেখুৱাইছে। ২০১১-১২ বৰ্ষৰ সময়ছোৱাত ৰাজ্যখনত মাছৰ উৎপাদন ২.৪৩ লাখ মেট্ৰিকটন হৈছে।



৪০.২ বৰ্তমানে থকা চাহিদা পূৰণ আৰু নিয়োগ সৃষ্টি কৰিবলৈ আমি কিছুসংখ্যক উন্নয়নী আঁচনি আৰু মৎস্য উৎপাদনৰ বাবে উৎসভিত্তিক প্ৰযুক্তি হাতত লোৱাৰ কাৰ্যসূচী ৰূপায়ণ কৰি আছো। আগন্তুক বিত্তীয় বৰ্ষতো এইসমূহ আঁচনি অব্যাহত থাকিব।

৪০.৩ মৎস্য উৎপাদক আৰু উপভোক্তাসকলক অধিক ফলপ্ৰসুভাবে সেৱা আগবঢ়াবলৈ জিলাসমূহত "স্বাস্থ্যসন্মত মাছৰ বজাৰ" নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। বৰ্তমানে নগাওঁ, কাছাৰ আৰু নলবাৰী জিলাত ৩ খন স্বাস্থ্যসন্মত মাছৰ বজাৰ নিৰ্মাণৰ কাম চলি আছে।

৪০.৪ ২০১৩-১৪ বৰ্ষৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ৩৪ কোটি টকা আৰু বৰ্তমানে পৰিকল্পনা শিতানত ৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

৪১। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ

৪১.১ গ্ৰামাঞ্চলৰ দৰিদ্ৰতা দূৰীকৰণ আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাটো আমাৰ সদায়ে উচ্চ অগ্ৰাধিকাৰৰ বিষয় হৈ আছে। গ্ৰামাঞ্চলৰ উন্নয়ন আৰু উন্নীতকৰণৰ বাবে আমি কিছুসংখ্যক ধ্বজপোত আঁচনি **(Flagship Programme)** ৰূপায়ণ কৰি আছো। ২০১২-১৩ বৰ্ষৰ বৰ্তমানলৈ ২০৪ লাখ কৰ্মদিন সৃষ্টি কৰা হৈছে আৰু ৩৯ লাখ কৰ্ম পত্ৰ প্ৰদান কৰা হৈছে। চলিত বৰ্ষত ইন্দিৰা আৱাস যোজনাৰ অধীনত ১.৬ লাখ বাসগৃহ নিৰ্মাণ কৰা হৈছে।

৪১.২ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধকালীন পেঞ্চন আঁচনি **(IGNOAPS)** ৰ বাবে পেঞ্চনাৰসকলৰ বয়সৰ সীমা ৬৫ বছৰৰ পৰা ৬০ বছৰলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত ১.৫৫ লাখৰো অধিক লোক উপকৃত হ'ব। ৮০ বছৰ বয়সৰ সীমা গৰকা বৃদ্ধকালীন

পেঞ্চনৰ হাৰ প্ৰতিমাহে ২৫০ টকাৰ পৰা ৫০০ টকালৈ বৃদ্ধি কৰা হৈছে।

৪১.৩ ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে ৪৪ টা উন্নয়ন খণ্ডক সামৰি লোৱা হৈছে।

৪১.৪ ২০১২-১৩ বৰ্ষত মুখ্যমন্ত্ৰীৰ জীৱনজ্যোতি স্ব-নিয়োজন যোজনাৰ অধীনত ৮০৩৯ গৰাকী যুৱক-যুৱতীলৈ স্ব-নিয়োজনৰ কাম-কাজ হাতত লোৱাৰ বাবে যুটীয়া দায়িত্ববাহী গোটৰ (JLG), জৰিয়তে ইতিমধ্যে বেংকৰ ঋণ আৰু ৰাজসাহায্যৰে সহায় কৰা হৈছে। অসম পঞ্চায়ত আইনখন সংশোধন কৰি পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহত মহিলাৰ বাবে আৰক্ষণ ৩৩ শতাংশৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

৪১.৫ মাটি-বাৰী উন্নয়নকাৰী (ৰিয়েল ইষ্টেট ডেভেলপাৰ)ৰ দ্বাৰা নগৰীয়া অঞ্চলত বহুসংখ্যক গৃহ নিৰ্মাণ আঁচনি ৰূপায়ণ কৰা হৈছে। মই ৰাজ্যখনত বিস্তৃতৰূপত গ্ৰাম্য আৱাস নিৰ্মাণ কৰিবলৈ পদক্ষেপ লোৱাৰ প্ৰস্তাৱ কৰো। এই উদ্দেশ্যে মাননীয় কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ২০১৩-১৪ চনৰ কেন্দ্ৰীয় বাজেটত গ্ৰাম্য গৃহ নিৰ্মাণ পুঁজিত ৬০০০ কোটি টকা ৰখাৰ আশ্বাস দিছে। ইয়াৰ পৰা আমাৰ ৰাজ্যই পাবলগা অংশৰ উপৰিও বাণিজ্যিক ঋণৰ ব্যৱস্থাও কৰা হ'ব।

৪১.৬ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন খণ্ডৰ বাবে ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহিৰ্ভূত শিতানত ৩২৮ কোটি টকা আৰু বৰ্তমানে পৰিকল্পনা শিতানত ৮৭৯ কোটি টকা ধাৰ্য কৰা হৈছে।

৪২। সমবায় ঃ

৪২.১ আমাৰ ৰাজ্যখনৰ সমবায়সমূহৰ ব্যাপক পৰিসৰ আৰু সামৰ্থ্যক এতিয়াও ফলপ্ৰসূভাৱে কামত লগাৱ পৰা হোৱা নাই।



নীতিৰ প্ৰাথমিক (প্ৰাইমেৰী) আৰু দ্বিতীয় (ছেকেণ্ডাৰী) খণ্ড দুটাৰ জত এক সমন্বয় গঢ়ি তোলাৰ অৰ্থে ৯৭ সংখ্যক সাংবিধানিক শোধনীৰে সংগতি ৰাখি অসম সমবায় সমিতি আইন, ২০০৭ ৰ শোধনীৰ দ্বাৰা সমবায় সমূহৰ কাম-কাজ বোৰ যাতে ত্বৰান্বিত হয় ৰবাবে মোৰ চৰকাৰে তৎপৰতা দেখুৱাইছে।

২.২ কৃষিজাত সামগ্ৰী আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মগ্ৰীসমূহ বিজ্ঞানসন্মত ব্যৱস্থাৰে সংৰক্ষণ কৰি ৰখাটো নিশ্চিত কৰি ন্য ভঁৰাল, বজাৰ চালি আদি নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰীৰ বিশেষ চনি আৰু গ্ৰাম্য বুনিয়াদী উন্নয়ন পুঁজিৰ অধীনত পুঁজিৰ ব্যৱস্থা ৰা হৈছে।

২.৩ ২০১৩-১৪ বিত্তীয় বৰ্ষটোৰ বাবেও অসম ৰাজীৱ গান্ধী মবায় পৰিচালনা বিশ্ববিদ্যালয়খনলৈ আৰ্থিক সাহায্য আগবঢ়োৱা 'ব।

২.৪। এই খণ্ডটোত ২০১৩-১৪ চনৰ বিত্তীয় বৰ্ষটোৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ৬০ কোটি টকা আৰু সম্প্ৰতি পৰিকল্পনা শিতানত ৩৫ কোটি টকা ধাৰ্য কৰা হৈছে।

৩। জলসম্পদ ঃ

৩.১ বান আৰু খহনীয়াই আমাৰ ৰাজ্যৰ লোকসকলৰ জীৱনত অবৰ্ণনীয় দুৰৱস্থাৰ সৃষ্টি কৰি আহিছে আৰু ই প্ৰায়েই াভাৱিক জীৱনযাত্ৰা স্থবিৰ কৰি তোলে। বিশাল ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ খৰস্ৰোতা উপনৈসমূহে সৃষ্টি কৰা বান আৰু খহনীয়াৰ ংসলীলা ৰোধ কৰাটো ৰাজ্যৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান।

৩.২ একাদশ পৰিকল্পনাৰ সময়ছোৱাত বান ব্যৱস্থাপনা াৰ্যসূচীৰ অধীনত ১০০ খন বান ব্যৱস্থাপনা আঁচনি গ্ৰহণ কৰা

হৈছিল। এইবিলাকৰ ভিতৰত ৮০ খন আঁচনি কায়িকভাৱে সম্পূৰ্ণ হৈছে আৰু ২০ খনৰ কাম আগবাঢ়ি আছে। কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱাৰ পিছত দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত আন ৯৭ খন আঁচনি গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

৪৩.৩ মথাউৰি নিৰ্মাণ আৰু খহনীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত পৰিৱেশ অনুকূল ভূ-সংশ্লেষিত পদাৰ্থ ব্যৱহাৰ কৰি আমি উদ্ভাৱনীমূলক পদ্ধতি আৰু প্ৰযুক্তি গ্ৰহণ কৰিছো। খহনীয়া আক্ৰান্ত লোকসকলৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত উচ্চ অগ্ৰাধিকাৰ দিয়া হ'ব।

৪৩.৪ খহনীয়া হ্ৰাস কৰিবলৈ নদী-সূঁতিকৰণ (channelisation) অতি প্ৰয়োজনীয় হৈ পৰিছে। ১৯৫৪ চনৰ পৰা আমি ৪.২৭ লাখ হেক্টৰ ভূমি হেৰোৱাইছো। এই ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ দ্বাৰা এক দল গঠনৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো।

৪৩.৫ ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহিৰ্ভূত শিতানত ২৫০ কোটি টকা আৰু পৰিকল্পনা শিতানত বৰ্তমান ১২০১ কোটি টকা ধাৰ্য কৰা হৈছে।

৪৪। ভূমি সংৰক্ষণ ঃ

৪৪.১ মাটিৰ উৰ্বৰতা বজাই ৰাখিবলৈ হ'লে ইয়াৰ ওপৰৰ স্তৰটো সংৰক্ষণ কৰা অতি আৱশ্যক। মাটিৰ উৰ্বৰতা সংৰক্ষণ কৰিবলৈ আমি দীৰ্ঘস্থায়ী পদক্ষেপ গ্ৰহণ কৰিছো। মাটি আৰু পানী সংৰক্ষণৰ বাবে আমি বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনি, যেনে - বোৱতী পানী নিয়ন্ত্ৰণ আঁচনি (Gully Control Scheme), মাটি আবাদীকৰণ আৰু জল বিতৰণ, বনানিকৰণ, বাগিচা শস্যৰ উন্নয়ন (Plantation Crop Development), আৰু সংহত জলচ্ছেদ ব্যৱস্থাপনা আঁচনি ৰূপায়ণ কৰিছো। মাটি জৰীপকৰণ, নৈপৰীয়া অঞ্চলৰ সংৰক্ষণ আৰু



ক্ষিত বনানিকৰণ আদি আঁচনিও আমি গ্ৰহণ কৰিম। মাটিৰ ৰ্বৰতা সংৰক্ষণ আৰু অনুৰ্বৰ মাটিৰ উৰ্বৰা শক্তি পুনৰুজ্জীৱিতকৰণৰ স্থা আন্তৰিকতাৰে গ্ৰহণ কৰা হ'ব।

.২ ২০১৩-১৪ বৰ্ষত বশিষ্ঠ বাহিনী জলচ্ছেদত জৈৱ চিত্ৰতা সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

.৩ এই খণ্ডৰ বাবে ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহিৰ্ভূত তানত ৩১ কোটি টকা আৰু বৰ্তমান পৰিকল্পনা শিতানত ২১ টি টকা বৰ্তমান ধাৰ্য কৰা হৈছে।

৫। গড়কাপ্তানী বিভাগ ঃ

৫.১ দ্ৰুত অৰ্থনৈতিক বিকাশ লাভ কৰাৰ ক্ষেত্ৰত পথ যোগ ব্যৱস্থাটো এটা অতি গুৰুত্বপূৰ্ণ উপাদান। ৰাজ্যখনৰ পথ ক দলঙৰ আন্তঃগাঁথনিগত উন্নয়নৰ বাবে মোৰ চৰকাৰে কেইবাটাও ক্ষেপ লৈছে। ২০০১ চনৰ পৰা ২০,০০০ কিলোমিটাৰৰো অধিক দায় সুগম পথ আৰু ২৯০০ খনতকৈও অধিক পকী দলং নিৰ্মাণৰ ম সম্পূৰ্ণ কৰা হৈছে। তদুপৰি, ৫০০০ কিলোমিটাৰ পথ নিৰ্মাণৰ ম আৰু ১২৫০ খন পকী দলং নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত াছে। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত বৰ্তমানৰ কাঠৰ ংসমূহক পকী দলঙৈলে ৰূপান্তৰিত আৰু আন্তঃৰাজ্যিক সীমান্তত পথ ৰ্মাণৰ বাবে বিশেষ পদক্ষেপ হাতত লোৱা হৈছে।

৫.২ প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ অধীনত আজিলৈকে ০০০ গৰাকীতকৈও বেছি মানুহে বসবাস কৰা ৫০০০ টাতকৈ ধিক গ্ৰাম্য বাসস্থানক সদায় সুগম পথেৰে সংযোগ কৰা হৈছে। ধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাৰ অধীনত ৫০০ গৰাকীতকৈ ধিকলোকে বসবাস কৰা বাসস্থানসমূহকো সংযোগকৰণৰ ব্যৱস্থা াতত লোৱা হৈছে।

৪৫.৩ আগন্তুক বহুবসমূহত ঘাই পথ খণ্ডসমূহৰ সংহত উন্নয়নৰ বাবে মোৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। দুটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাই পথৰ সৈতে পূৰ্বতে ব্যৱস্থা নকৰা সংযোগী পথৰ নিৰ্মাণৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰিছো। সেই দুটা হ'ল ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলঙেৰে সৈতে নিৰ্মাণ কৰিবলৈ লোৱা প্ৰস্তাৱিত ধুবুৰী-ফুলবাৰী ৰাষ্ট্ৰীয় ঘাই পথ আৰু তিনিচুকীয়া-নাহৰকটীয়া-অৰুণাচল প্ৰদেশস্থিত হুকানজাৰী-খুনচা পথ। দুটা লেনযুক্ত ৰাষ্ট্ৰীয় ঘাই পথ পৰ্যায়ৰ পথেৰে সৈতে ১০ খন জিলা সদৰক ৰাষ্ট্ৰীয় ঘাই পথৰ সৈতে সংযোগ কৰিবলৈও লোৱা হৈছে।

৪৫.৪ গৃহ নিৰ্মাণৰ বাবে শেহতীয়া প্ৰযুক্তি, শক্তি মিতব্যয়ীৰ লেখীয়া সেউজী গৃহ নিৰ্মাণৰ ধাৰণা, বৰষুণৰ পানীৰ ব্যৱহাৰ; সৌৰ শক্তি আৰু পৰিবেশৰ লগত খাপ খোৱা সামগ্ৰীৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

৪৫.৫ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ১২০৪ কোটি টকা আৰু বৰ্তমান পৰিকল্পনা শিতানত ১৪১৫ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

৪৬। খনি আৰু খনিজ সম্পদ ঃ

৪৬.১ মহাত্মা গান্ধীয়ে কৈছিল - "প্ৰতিজন মানুহৰ প্ৰয়োজন পূৰাব পৰাকৈ পৃথিৱীয়ে বহুত দিছে, কিন্তু লোভ পূৰণৰ বাবে দিয়া নাই"। এই বিখ্যাত উক্তিটোৰ অন্তৰ্নিহিত অৰ্থ এইটোৱেই যে, আমি আমাৰ প্ৰাকৃতিক সম্পদবোৰ সুবিবেচনাৰে ব্যৱহাৰ কৰিব লাগে। পৰিবেশ অনুকূলে ৰাখি ক্ষুদ্ৰ খনিজ সম্পদসমূহ নিষ্কাষন কৰাত উদগনি যোগাবলৈ অসমৰ ক্ষুদ্ৰ খনিজ সম্পদ নিষ্কাষণ নীতিসমূহ সংশোধন কৰাৰ পদক্ষেপ লোৱা হৈছে।



৪৬.২ ভূমি স্খলন আৰু অসমৰ ভূমি স্খলন প্ৰৱন এলেকাসমূহৰ অধ্যয়নৰ উপৰি বিভিন্ন খনিজ সম্পদ আৰু মৌলৰ অনুসন্ধান, ভূমিকম্পজনিত বিপদৰ মাত্ৰা নিৰ্দ্ধাৰণ আৰু ভূ-জলৰ অনুসন্ধানৰ বাবে ভূ-ৰাসায়নিক (Geochemical) মেপ প্ৰস্তুতকৰণ, চুনশিল আৰু কয়লাৰ বিস্তৃত অনুসন্ধান আৰু লোৰ আকৰ অনুসন্ধানৰ বাবে ২০১৩-১৪ বৰ্ষত পদক্ষেপ লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

৪৬.৩ এই খণ্ডটোৰ বাবে ২০১৩-১৪ বৰ্ষত পৰিকল্পনা বহিৰ্ভূত শিতানত ১৩ কোটি টকা আৰু বৰ্তমান পৰিকল্পনা শিতানত ১৪৪ লাখ টকা ধাৰ্য কৰা হৈছে।

৪৭। উদ্যোগ আৰু বাণিজ্য ঃ

৪৭.১ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক প্ৰতিষ্ঠানৰ উন্নয়ন, অৰ্থনৈতিক কাৰ্যকলাপৰ সোঁতৰ সৃষ্টি আৰু নিয়োগৰ ক্ষেত্ৰসমূহত দক্ষতাৰ উন্নয়নৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰিছো। এই লক্ষ্যত উপনীত হোৱাৰ বাবে ২০১৩-১৪ বৰ্ষত ঔদ্যোগিক আন্তঃগাঁথনি সৃষ্টি, বৰ্তমানে থকা ঔদ্যোগিক এলেকাসমূহৰ উন্নীতকৰণ আৰু বৰপেটাত এখন আতচ্‌বাজী গাওঁস্থাপনৰ বাবে পৰ্যাপ্ত পুঁজি ধাৰ্য কৰা হৈছে।

৪৭.২ ভিন্ন শাখা নিপুনতা বৃদ্ধি আঁচনিৰ অধীনত উন্নয়ন খণ্ড পৰ্যায়ত বিভিন্ন বৃত্তিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। টি চেচ্ ইউটিলাইজেচন পলিচিৰ জৰিয়তে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৈ বিভিন্ন উদগনি প্ৰদান কৰা হ'ব।

৪৭.৩ মাজুলীত এটা হস্তশিল্প প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ লোৱা হৈছে আৰু অহা বছৰ বৰপেটাৰ চৰ অঞ্চলসমূহৰ বাবে আন এটা এনেধৰণৰ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। আৰ্হিৰ

প্ৰয়োগ আৰু সজাগতা সৃষ্টিৰ জৰিয়তে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগিক প্ৰতিষ্ঠানত সামগ্ৰী উৎপাদনৰ বাবে উদগনি জনোৱাৰ অৰ্থে পদক্ষেপ গ্ৰহণৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

৪৭.৪ আমি উল্লেখ কৰিছো যে গ্ৰাম্য উদ্যমিতাৰ উন্নয়ন সাধন, নিপুনতা বৃদ্ধি, গ্ৰাম্য নিয়োগৰ সুবিধা সৃষ্টি আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ অৰ্থে তৃণমূল পৰ্যায়ত বিনিয়োগৰ সৃষ্টিৰ বাবে দেশৰ কেইবাটাও আগশাৰীৰ ঔদ্যোগিক প্ৰতিষ্ঠানে আমাক সহায়ৰ প্ৰস্তাৱ আগবঢ়াইছে। তেওঁলোকৰ প্ৰস্তাৱক আদৰণি জনাই অতি ক্ষুদ্ৰ ঔদ্যোগিক প্ৰতিষ্ঠানৰ বাবে অসমত সৰ্বান্তৰ্ভুক্ত বিকাশ (**Inclusive Growth**) সাধনৰ বাবে মোৰ চৰকাৰে এটা এঞ্জেল পুঁজি গঠন কৰিবলৈ বিচাৰিছে। এই পুঁজি বিত্তীয় প্ৰতিষ্ঠানবোৰৰ জৰিয়তে চালিত কৰা হ'ব। এই পুঁজিত ৰাজ্য চৰকাৰে ১০ কোটি টকা প্ৰদান কৰিব।

৪৭.৫ সোনকালে এটা নতুন উদ্যোগ নীতি ঘোষণা কৰা হব। গ্ৰাম্য নিয়োগৰ সুবিধা বৃদ্ধি, ক্ষুদ্ৰ উদ্যোগ, কুটিৰ শিল্প আৰু খাদী উদ্যোগৰ বাবে পুনৰসংস্থাপন আঁচনি তথা স্থানীয় যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা প্ৰদান কৰা ক্ষুদ্ৰ ঔদ্যোগিক গোটসমূহৰ বাবে বিশেষ উদগনিমূলক ব্যৱস্থা প্ৰদান কৰাৰ অৰ্থে মুখ্যমন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনিখনৰ ৰূপায়ণৰ কাম অহা বছৰৰ বাবেও অব্যাহত ৰখা হব। গেছ ক্ৰেকাৰ গোট স্থাপনৰ বাবে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰছ লিমিটেডে পূৰ্ণোদ্যমে কাম কৰি আছে আৰু এই গোট স্থাপনৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আগবাঢ়িছে।

৪৭.৬ মহিলা আৰু প্ৰথম প্ৰজন্মৰ অনুসূচীত জাতি, অনুসূচীত জনজাতি তথা শাৰীৰিকভাৱে প্ৰতিবন্ধী শ্ৰেণীৰ উদ্যোগী লোকসকলৰ দ্বাৰা স্থাপন কৰা ক্ষুদ্ৰ গোটসমূহৰ বাবে মই এক বিশেষ ৰাজ্যিক মূলধনী বিনিয়োগ ৰাজ সাহায্যৰ কথা ঘোষণা কৰিম। এনেধৰণৰ



প্ৰতিটো গোটৰ বাবে সৰ্বোচ্চ ৩ লাখ টকাৰ ৰাজ সাহায্যৰ ব্যৱস্থা কৰিব। ইয়াৰ বাবে ১.৫ কোটি টকা প্ৰদান কৰা হব।

৪৭.৭ মোৰ চৰকাৰে অসমৰ প্ৰধান এলেকাসমূহত দুটা মূল স্নায়ুকেন্দ্ৰ স্বৰূপ ঔদ্যোগিক গোট (**Logistical Hubs**) স্থাপনত সহায়ৰ ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰে এটা ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত থকা বঙাইগাওঁ জিলাৰ নোৱাপাৰাত আৰু আনটো ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত থকা জাগীৰোডত স্থাপন কৰা হব। বিতং প্ৰকল্পৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে আৰু ইয়াক এ আই ডি চিৰ জৰিয়তে ৰূপায়ণৰ বাবে মই ১০ কোটি টকা ধাৰ্য কৰিছো।

৪৭.৮ কুটীৰ শিল্প খণ্ডটোৰ মূল্য সংযোজিত উৎপাদন সামগ্ৰী সমূহৰ বাবে এক মঞ্চ প্ৰদান কৰাৰ অৰ্থে গুৱাহাটীত আমি এটা খাদী প্লাজা স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছো। প্ৰধান মন্ত্ৰী নিয়োগ সৃষ্টি আঁচনিৰ অধীনত ৰাজ্যখনৰ ১৪ হাজাৰ গৰাকীতকৈও অধিক নিৱনুৱা যুৱক-যুৱতীক সাহায্য প্ৰদান কৰা হৈছে। এই আঁচনিখন কে ভি আই চি, ডি আই চি চি আৰু কে ভি আই বি, অসমে ৰূপায়ণ কৰিছে। ইয়াৰ বাবে খাদী প্লাজা হব এখন বজাৰ সহায়ক মঞ্চ। কেন্দ্ৰীয় সাহায্যৰ সৈতে এই প্ৰকল্পৰ স্থাপনৰ বাবে ৰাজ্যৰ অংশ হিচাবে ১০ কোটি টকা প্ৰদান কৰা হব।

৪৭.৯ গ্ৰাম্য কাৰিকৰ, কুটীৰ শিল্প তথা পৰাম্পৰাগত হস্ত শিল্পজাত উদ্যোগ সমূহৰ বাবে সঁজুলিৰ যোগান আৰু এটা সমূহীয়া সেৱা কেন্দ্ৰ স্থাপন কৰিবৰ কাৰণে উদ্যোগ আৰু বাণিজ্য বিভাগে এখন আঁচনি প্ৰস্তুত কৰিব। ইয়াৰ বাবে আৱশ্যকীয় পুঁজি যোগান ধৰা হব।

৪৭.১০ এই বিত্তীয় বৰ্ষত এই খণ্ডৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ১১৩ কোটি টকা আৰু সম্প্ৰতি পৰিকল্পনা শিতানত ১১৭ কোটি টকা ধাৰ্য কৰা হৈছে।

৪৮। হস্ততাঁত আৰু ৰেচম ঃ

৪৮.১ অসমীয়া মহিলাই পূৰ্বতে নিজৰ স্বামীসকলক যুদ্ধক্ষেত্ৰত শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ বাবে 'কবচ' বৈছিল। অসমৰ শিপিনীসকলে এতিয়া আমদানিকৃত বস্ত্ৰৰ আগ্ৰাসনৰ বিপৰীতে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত অন্যতম ভূমিকা গ্ৰহণ কৰিব পাৰে, যদিহে তেওঁলোকক এইক্ষেত্ৰত প্ৰয়োজনীয় নূন্যতম সা-সুবিধা প্ৰদান কৰা হয়। বিভিন্ন আঁচনিৰ মাধ্যমেৰে সূঁতা, কম্বল, তাঁতশাল আৰু অন্যান্য সা-সঁজুলি বিতৰণৰ যোগেদি আমি শিপিনীসকলক উৎসাহিত কৰিছো। ইয়াৰ ফলত ৰাজ্যখনত উৎপাদনো বৃদ্ধি পাইছে। গামোছাৰ উৎপাদন আৰু ৰাজ্যখনৰ ভিতৰত ইয়াৰ বিপণনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। তৈয়াৰী পোছাক বা বস্ত্ৰৰ প্ৰস্তুতকৰণৰ বাবে তথা চহৰাঞ্চলত হস্ততাঁত খণ্ডত উদ্যমিতাৰ বিকাশৰ বাবে যন্ত্ৰপাতি আৰু সা-সঁজুলি প্ৰদান কৰা হৈছে।

৪৮.২ বস্ত্ৰ গোটসমূহৰ বাবে বিশ্বমানৰ আন্তঃগাঁথনিগত সা-সুবিধা সৃষ্টি কৰাৰ বাবে নাহৰকটীয়াত এখন সংহত বস্ত্ৰ উদ্যান স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। হস্ততাঁত খণ্ডৰ উন্নীতকৰণ আৰু উত্তৰণৰ বাবে গুৱাহাটীত এটা হস্ততাঁত বাণিজ্য কেন্দ্ৰৰো প্ৰস্তাৱ ৰখা হৈছে।

৪৮.৩ ভাৰতৰ ৰেচম মানচিত্ৰত অসমক তৃতীয় স্থানত অধিষ্ঠিত কৰি এৰী সূঁতা আৰু মুগা চিল্কৰ উৎপাদন ক্ৰমে বছৰি ১০৬২ মেট্ৰিকটন আৰু ১১৪ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে।

৪৮.৪ সূঁতা বিতৰণ আঁচনিখন ২০১৩-১৪ বৰ্ষতো চলি থাকিব।



৪৮.৫ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডটোৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ১৩৮ কোটি টকা আৰু পৰিকল্পনা শিতানত বৰ্তমান ৩২ কোটি টকা ধাৰ্য কৰা হৈছে।

৪৯। তথ্য আৰু প্ৰযুক্তি ঃ

৪৯.১ ৰাজ্যখনত তথ্য প্ৰযুক্তিৰ উত্তৰণ আৰু ই-গৱৰ্নেন্স ৰূপায়িত কৰাৰ অৰ্থে মোৰ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিত্ত আৰু ৰাজহ বিভাগে এই ক্ষেত্ৰত আগ-ভাগ লৈছে।

৪৯.২ উন্নয়ন খণ্ডৰ পৰা ৰাজধানীৰ সৈতে সংযোগ কৰাৰ বাবে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ই-গৱৰ্নেন্স আঁচনিৰ অধীনত ২৭১ টা পইন্টচ্ অৱ প্ৰেজেনচ্ আৰম্ভ কৰা হৈছে। জি টু চি আৰু বি টু চি সেৱা উপলব্ধ কৰিবৰ বাবে সমগ্ৰ ৰাজ্যখনতে ৩৮৮১ টা সামূহিক সেৱা কেন্দ্ৰ (চি এচ চি) স্থাপন কৰা হৈছে। গাঁৱৰ জনসাধাৰণ, খেতিয়ক আৰু কাৰু শিল্পী সকলক বিভিন্ন সেৱা আগবঢ়াবলৈ সামূহিক সেৱা কেন্দ্ৰসমূহ উন্নত কৰা হ'ব।

৪৯.৩ ক্ষুদ্ৰ তথ্য কেন্দ্ৰটি কাৰ্যক্ষম কৰি তোলা হৈছে আৰু বৰ্তমান আৰক্ষী বিভাগৰ অপৰাধ আৰু অপৰাধীৰ শৃংসুত্ৰ উলিওৱা নেটৱৰ্ক ব্যৱস্থা প্ৰকল্প, তথ্য প্ৰযুক্তি বিভাগৰ এচ এচ ডি জি প্ৰকল্প আৰু পূৱ ভাৰতৰ প্ৰথম ক্লাউড ইনফ্ৰাষ্ট্ৰাকচাৰ **(Cloud Infrastructure)** ৰ তথ্য ইয়াত ৰখা হৈছে। চেক্ৰেটাৰিয়েট লেচ পেপাৰ অফিচ **(Secretariat Less Paper Office)** প্ৰকল্পৰ কাম পূৰ্ণ গতিত চলি আছে আৰু অহা বিত্তীয় বৰ্ষত সচিবালয়ৰ বিভিন্ন বিভাগত ফলপ্ৰসুভাৱে প্ৰৱৰ্তন কৰা হব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ মহাবিদ্যালয়সমূহত পৰ্যায়ক্ৰমে তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱস্থা কৰিবলৈ আন্তঃগাঁথনি নিৰ্মাণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে।

৪৯.৪ এই খণ্ডৰ বাবে অহা বিত্তীয় বৰ্ষত পৰিকল্পনা শিতানত ৫৪ কোটি টকা ধাৰ্য কৰা হৈছে।

৫০। বিজ্ঞান আৰু প্ৰযুক্তি ঃ

৫০.১ এখন সমাজৰ বৌদ্ধিক আৰু পাৰ্থিৱ বিকাশ, বৈজ্ঞানিক জ্ঞানৰ উত্তৰণৰ সৈতে অঙ্গাংগীভাৱে জড়িত। আমাৰ ৰাজ্যখনৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশত মই সদায়েই উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছো।

৫০.২ যোৰহাট, কোকৰাঝাৰ, লখিমপুৰ আৰু নলবাৰীত বিজ্ঞান কেন্দ্ৰ তথা তাৰকাগৃহ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। অপৰিমিত শক্তিৰ **(Renewable)** ব্যৱহাৰক জনপ্ৰিয় কৰিবলৈ ৰাজ্যখনৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৪০০০ টা সৌৰ লেম্প বিতৰণ কৰা হৈছে।

৫০.৩ গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যান আৰু এখন বিজ্ঞান মহানগৰ তথা আমোদ-প্ৰমোদ উদ্যান স্থাপন কৰাৰ বাবে ভূমি নিৰ্বাচন কৰা হৈছে। বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাবে পথ, নলা-নৰ্দমা, গাওঁ আৰু কেডেষ্ট্ৰেল মানচিত্ৰৰ ওপৰত উপগ্ৰহীয় তথ্য ভাণ্ডাৰ **(Data Base)** সৃষ্টি কৰিবলৈ বাবে মহাকাশ ভিত্তিক তথ্য প্ৰণালী স্থাপনৰ কাম হাতত লোৱা হৈছে। এটা জৈৱ প্ৰযুক্তি কোষ আৰু এখন উচ্চ প্ৰযুক্তিৰ অৰ্কিডাৰিয়াম আৰু কেকটাচ গৃহও স্থাপন কৰা হৈছে।

৫০.৪ ২০১৩-১৪ বিত্তীয় বৰ্ষত এই খণ্ডটোৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ১৬৯ লাখ টকা আৰু পৰিকল্পনা শিতানত বৰ্তমান ১৫ কোটি টকা ধাৰ্য কৰা হৈছে।



৫১। পৰিৱেশ আৰু বন ঃ

৫১.১ আমি নিজে বৰ্তি থকাৰ স্বাৰ্থত আৰু আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ হিত সাধনৰ অৰ্থে বন আৱৰণ বৰ্ত্তাই ৰখা আৰু পৰিৱেশক ৰক্ষা দিয়াটো অত্যন্ত গুৰুত্বপূৰ্ণ। ২০১৩-১৪ বৰ্ষত দহ হাজাৰ হেক্টৰ ভূমিত বৃক্ষৰোপণ কৰিবলৈ আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো।

৫১.২ গোলকীয় উষ্ণতাৰ বৃদ্ধি আৰু পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্তনে অনুন্নত দেশসমূহত ধাৰাবাহিক উন্নয়নৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। পাৰিপাৰ্শ্বিকভাৱে স্পৰ্শকাতৰ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলো ইয়াৰ ব্যতিক্ৰম নহয়। পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খোৱাকৈ আৰু দীৰ্ঘম্যাদী অবিৰত উন্নয়নৰ স্বাৰ্থত সেউজীয়া অৰ্থনীতিৰ অভ্যাস গঢ়ি তোলাৰ যোগেদি আমি নিজকে পৰিৱৰ্ত্তিত বতৰৰ লগত মিলি যাবৰ কাৰণে এইটোৱে উপযুক্ত সময়।

৫১.৩ ৰাজ্যখনে ইয়াৰ জৈৱ উৎসসমূহৰ অবিৰত ব্যৱহাৰৰ উদ্দেশ্যে এইবোৰৰ সংৰক্ষণৰ বাবে আৱশ্যকীয় প্ৰচেষ্টা চলাই আছে। স্থানীয় জৈৱ বিবিধতা পৰিচালনা সমিতি (এল বি এম চি) সমূহ গঠন কৰা হৈছে।

৫১.৪ বন্যপ্ৰাণী বিশেষকৈ এশিঙিয়া গড়ক সুৰক্ষা প্ৰদান কৰিবলৈ আৱশ্যকীয় প্ৰচেষ্টা চলাই থকা হৈছে। বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে অধিক ক্ষেত্ৰীয় কৰ্মচাৰী আৰু সশস্ত্ৰ বাহিনী নিয়োগ কৰিবলৈ পদক্ষেপ লোৱা হ'ব। বন আৰু বন্যপ্ৰাণীৰ অধিক সুৰক্ষাৰ অৰ্থে বিভিন্ন পৰ্য্যায়ত বৰ্ত্তমানে খালীহৈ থকা পদসমূহ পূৰণ কৰিবলৈ আমি পদক্ষেপ লৈছো।

৫১.৫ ২০১২ চনৰ ৮ জুনত অসম চৰকাৰ আৰু ফ্ৰান্স উন্নয়নী সংস্থাৰ মাজত বন আৰু জৈৱ বিবিধতা সংৰক্ষণৰ অসম প্ৰকল্পৰ বাবে প্ৰকল্প চুক্তিখন স্বাক্ষৰিত হৈছে। এই প্ৰকল্পটো ২০০ জে

এফ এম চি আৰু ২৮ জৈৱ-উন্নয়ন সমিতিক সামৰি সকলো বন সংমণ্ডলত ৫ বছৰৰ বাবে ৰূপায়ণ কৰি থকা হৈছে।

৫১.৬। ২০১৩-১৪ বৰ্ষৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানৰ অধীনত ২৭৮ কোটি টকা আৰু পৰিকল্পনা শিতানৰ অধীনত বৰ্তমানে ২৪৭ কোটি টকা আছুটীয়াকৈ ৰখা হৈছে।

৫২। সাধাৰণ প্ৰশাসনঃ

৫২.১ নতুন দিল্লীস্থিত আসাম হাউচ/ ভৱনত থকা-খোৱাৰ ক্ষেত্ৰত মাননীয় সদস্যসকল আৰু ৰাজ্য চৰকাৰৰ বিষয়াসকলে সততে সন্মুখীন হোৱা অ-পৰ্য্যাপ্ততাৰ সমস্যাবোৰৰ প্ৰতি মঁয়ো সজাগ। নতুন দিল্লীত থকা-খোৱাৰ সুবিধা বৃদ্ধিৰ বাবে বৰ্ত্তমানৰ অসম হাউচৰ ঠাইত আধুনিক সা-সুবিধাৰে সমৃদ্ধ এটা নতুন বহুমহলীয়া ভৱন নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। বেংগালোৰ, ভেলোৰ, চেন্নাইৰ অসম ভৱন আৰু কলকাতাত বহুমহলীয়া অসম হাউছ নিৰ্মাণ আৰু চিলং আৰু মুম্বাইৰ অসম হাউচৰ সম্প্ৰসাৰণৰ কাম আগবাঢ়ি আছে।

৫২.২ পৰমবীৰ চক্ৰ, মহাবীৰ চক্ৰ, অশোক চক্ৰ, বীৰ চক্ৰ আদি লাভ কৰা লোকসকলৰ বাবে থকা সাহসিকতা বঁটাৰ পুৰণি মঞ্জুৰীৰ নিৰিখটো বুজন পৰিমাণে বঢ়োৱা হৈছে। গুৱাহাটীস্থিত সৈনিক জিৰণি চ'ৰা আৰু সৈনিক কল্যাণৰ সঞ্চালকৰ কাৰ্য্যালয় ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পথত।

৫২.৩ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে এই খণ্ডত পৰিকল্পনা বহিৰ্ভূত শিতানত ১৪০ কোটি টকা পৰিকল্পনা শিতানত বৰ্তমানে ১৫ লাখ টকা আছুটীয়াকৈ ৰখা হৈছে।



৩। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ঃ

৩.১ ২০১২-১৩ বৰ্ষত অসমে ক্ৰমাগতভাবে তিনিটা ভূতপূৰ্ব বানপানীৰ কবলত পৰিছিল। পৰ্য্যাপ্ত খাদ্য সামগ্ৰী, ৱাপানী আৰু স্বাস্থ্য প্ৰযত্ন ইত্যাদি আগবঢ়াবলৈ সাহায্য আৰু নঃসংস্থাপনৰ অভিযানসমূহ যুদ্ধকালীনভাবে চলাই নিয়া হৈছিল। নেকুৱা দুৰ্যোগৰ সময়ত প্ৰশাসন যন্ত্ৰ আৰু জনসাধৰণক সম্ভৱপৰ কলো প্ৰকাৰৰ সহায়ৰ হাত আগবঢ়োৱাৰ বাবে সন্মানীয় সদনৰ কলো সদস্য/সদস্যাকে এই আপাহতে মই ধন্যবাদ জনাইছো। কৃতিক দুৰ্যোগ পুঁজিৰ পৰা গড়াখহনীয়াত আক্ৰান্তলোকক সাহায্য দান কৰাৰ বাবে এতিয়ালৈকে কোনো ব্যৱস্থা ৰখা হোৱা নাই। াজ্য চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ ফলশ্ৰুতিত এচ,ডি,আৰ,এফ'ৰ ধীনত সাহায্যপ্ৰাপ্তিৰ যোগ্যতা আহৰণৰ বাবে গড়াখহনীয়াক ালিকাভুক্ত কৰাৰ বিষয় বিবেচনাৰ বাবে ভাৰত চৰকাৰে এখন কেবিনেট কমিটি গঠন কৰিছে।

৩.২ বি,টি,এ,ডি আৰু গোৱালপাৰা জিলাত সংঘটিত িংসাত্মক ঘটনাত আক্ৰান্ত লোকসকলক চৰকাৰৰ দ্বাৰা সম্ভৱপৰ কলো প্ৰকাৰৰ সহায় কৰা হৈছিল। চৰকাৰে লোৱা পদক্ষেপে এই জিলা সমূহত আক্ৰান্ত লোকসকলৰ পুনঃসংস্থাপনত সহায় কৰিছে।

৩.৩ আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ আৰ্থ ইনষ্টিটিউটে দুৰ্যোগ ব্যৱস্থাপনৰ দিশত অসম চৰকাৰৰ সৈতে সহযোগিতা আগবঢ়াবলৈ সন্মতি প্ৰকাশ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA) ৰ সৈতে যুটীয়াভাবে "গতিশীল বিকাশৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ বতৰ পৰিবৰ্ত্তনৰ লগত খাপ খোৱা আৰু দুৰ্যোগ বিপদশংকুলতা হ্ৰাসকৰণ" আৰু "অসমত

জল সম্পদ আৰু বান তথা গড়াখহনীয়াৰ বিপদশংকুলতা নিবাময় পৰিকল্পনা” নামৰ দুটা প্ৰকল্প ৰূপায়ণৰ কাম হাতত লোৱা হৈছে।

৫৩.৪ আৱক্ষী, অগ্নিনিৰ্বাপন সেৱা আৰু চিকিৎসা সহাৰিৰ লেখীয়া সকলোবোৰ জৰুৰীকালীন হেল্প লাইন নম্বৰ একত্ৰিত কৰি “১০৮” নম্বৰলৈ পৰিবৰ্তিত কৰা অসম হ'ল দেশৰ ভিতৰতে প্ৰথম ৰাজ্য ।

৫৩.৫ মই ঘোষণা কৰিবলৈ পাই অতি আনন্দিত হৈছো যে, পঞ্জীয়ন ব্যৱস্থাৰ কম্পিউটাৰকৰণ প্ৰকল্পৰ যোগেদি চৰকাৰী ব্যৱস্থা পুনৰ পৰিচালনাত **(Re-engineering)** দেখুওৱা উত্তম প্ৰদৰ্শনৰ বাবে ২০১২-১৩ বৰ্ষত ই-গভৰ্নেন্সৰ ক্ষেত্ৰত থকা ৰাষ্ট্ৰীয় পুৰস্কাৰ সন্মানীয় “গল্ড আইকন”ৰ বাবে এই প্ৰকল্পটো নিৰ্বাচিত কৰা হৈছে। এই প্ৰকল্পটো বিত্ত বিভাগৰ অসম প্ৰশাসন আৰু ৰাজহুৱা সম্পদ ব্যৱস্থাপনা আঁচনিৰ অধীনত গ্ৰহণ কৰা হৈছিল। এই প্ৰকল্পৰ অধীনত ৰাজ্যখনৰ ৭৫টা উপ-পঞ্জীয়কৰ কাৰ্যালয় কম্পিউটাৰকৰণ কৰা হৈছে। ইয়াৰ ফলত পঞ্জীয়নকাৰীসকলক পঞ্জীয়ন পত্ৰৰ কপি দিয়াৰ ক্ষেত্ৰত হোৱা বিলম্বতা লাঘৱ হৈছে।

৫৩.৬। প্ৰাৰম্ভিকতে কামৰূপ (মহানগৰ) আৰু কামৰূপ জিলাত আৰম্ভ কৰা ই-ষ্টেম্পিং প্ৰকল্প এতিয়া সমগ্ৰ ৰাজ্যতে প্ৰবৰ্তন কৰা হৈছে।

৫৪। ৰাজহুৱা প্ৰতিষ্ঠানসমূহ ঃ

৫৪.১ তথ্য পৰিচালনা পদ্ধতিৰ উন্নীতকৰণ আৰু হিচাপ তথা প্ৰযুক্তি উত্তৰণৰ বিষয়টো কম্পিউটাৰযুক্ত কৰাৰ অৰ্থে কেবাটাও ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ তথ্য প্ৰযুক্তিৰ গাঁথনি শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা লোৱা হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বোৰ্ডসমূহৰ আৰু নিগম প্ৰশাসনৰ ফলপ্ৰসূতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণ দিয়া হৈছে।



পৰিচালনা পদ্ধতি আৰু ফলপ্ৰদতা জড়িত বেতনৰ ওপৰত অধ্যয়ন লোৱাৰ কামো হাতত লোৱা হৈছে।

৫৪.২ এই খণ্ডত ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানত ২৮৭ লাখ টকা আৰু পৰিকল্পনা শিতানত সম্প্ৰতি ১৫ লাখ টকা আছুতীয়াকৈ ধৰা হৈছে।

৫৫। বিদ্যুৎ ঃ

৫৫.১ জীৱনৰ মান উন্নীতকৰণ কৰিব পৰা বিকাশ আৰু উন্নয়নৰ বাবে বিদ্যুতেই হ'ল চালিকা শক্তি। ৰাজ্যখনত বিদ্যুতৰ সৰ্বোচ্চ চাহিদা ২০০১ চনৰ ৫৭৮ মেগাৱাটৰ পৰা ১৩০০ মেগাৱাটলৈ বৃদ্ধি পাইছে। কিন্তু সৰ্বোচ্চ চাহিদাৰ সময়খিনিত আমাৰ নিজা উৎস আৰু কেন্দ্ৰীয় আৱন্টনৰ পৰা লাভ কৰা বিদ্যুতৰ গড় প্ৰাপ্তি ৯৫০ মেগাৱাটহে মাথোন। পালাটনাস্থিত ‘অ’ এন জি চি ত্ৰিপুৰা বিদ্যুৎ কোম্পানী লিমিটেড'ৰ প্ৰথম গোটৰ বাণিজ্যিক উৎপাদন আৰম্ভ হোৱাৰ পিচত আৰু এন টি পি চিৰ বঙাইগাওঁ থাৰ্মেল পাৱাৰ ষ্টেচনৰ সেৱা আৰম্ভ হোৱাৰ লগে লগে বিদ্যুৎ প্ৰাপ্তিৰ উন্নতি ঘটিব বুলি আশা কৰা হৈছে।

৫৫.২ ৰাজ্যখনৰ বিদ্যুৎ আন্তঃগাঁথনি উন্নীতকৰণৰ অৰ্থে কেবাটাও যোঁজনা হাতত লোৱা হৈছে। ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিকৰণ যোঁজনাৰ অধীনত ৭৯৯২ খন বিদ্যুৎ সংযোগ নথকা গাওঁ আৰু ১২৩৭৪ খন আংশিকভাবে বিদ্যুৎ সংযোগ থকা গাঁৱৰ বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে। প্ৰায় ৯ লাখ দৰিদ্ৰ সীমাৰ তলৰ লোকৰ ঘৰত বিদ্যুৎ সংযোগ দিয়া হৈছে। ৰাজ্যখনত বিদ্যুতৰ প্ৰৱাহন আৰু বিতৰণৰ নেটৱৰ্ক শক্তিশালী কৰাৰ অৰ্থে বাণিজ্য উন্নয়ন পুঁজি উপলব্ধ কৰা হৈছে।

৫৫.৩ মোৰ চৰকাৰে ৰাজ্যখনত নতুন তথা অফুৰন্ত শক্তি প্ৰকল্প বিশেষকৈ সৌৰ শক্তি আৰু বায়ু শক্তি প্ৰকল্প স্থাপনৰ বাবে উৎসাহ যোগাব। ইয়াৰ বাবে মুখ্যমন্ত্ৰীৰ **Solar and Wind Power Mission** নামৰ এখন বিশেষ আঁচনি আৰম্ভ কৰা হব। সৌৰ শক্তিৰ উন্নয়নৰ বাবে ২০১৩-১৪ বৰ্ষত ৰুফ টপ চোলাৰ প্ৰজেক্ট, হাইব্ৰিড ৰিনিউৱেল শক্তি প্ৰকল্প আৰু সামূহিক ভিত্তিত গ্ৰাম্য বৈদ্যুতিকৰণ আৰ্হিৰ লেখীয়া বিভিন্ন পদক্ষেপ হাতত লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

৫৫.৪ আমাৰ নতুন প্ৰজন্মৰ ভৱিষ্যৎ হিচাপে সৌৰ আৰু বতাহৰ অফুৰন্ত শক্তিৰ ক্ষেত্ৰত নতুন মিশ্ৰিত প্ৰযুক্তি অন্তৰ্ভূক্ত কৰাৰ প্ৰতি মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সেয়েহে স্মাৰ্ট গ্ৰীড/ৰিমোট মিটাৰৰ সুবিধাসহ এল ই ডি প্ৰযুক্তিৰ জৰিয়তে আলি বাটত লাইট জ্বলাবৰ বাবে বিদ্যুৎ উৎপাদন কৰিবলৈ শেহতীয়া মিশ্ৰিত প্ৰযুক্তিৰ যোগেদি সৌৰ আৰু বতাহৰ এই দুয়োটা শক্তিকে ব্যৱহাৰৰ বাবে এখন আঁচনি ৰূপায়ণ কৰিবলৈ বিচৰা হৈছে। বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে আৰু এটা ডেমো পাইলট প্ৰজেক্ট স্থাপনৰ বাবে ৫ কোটি টকা প্ৰদান কৰা হব। এই আঁচনি ৰাজ্যখনৰ কেতবোৰ বচা বচা বাজহুৱা স্থানত হাতত লোৱা হব।

৫৫.৫ কৃষকসকলে সন্মুখীন হোৱা শক্তিৰ নাটনি জোৰা মৰাৰ বাবে শক্তি উৎপাদনত অফুৰন্ত শক্তিৰ অংশ বৃদ্ধি কৰাৰ ওপৰত আমি অগ্ৰাধিকাৰ প্ৰদান কৰিছো। এনে ধৰণৰ সৌৰ শক্তি ব্যৱহাৰক উৎসাহিত কৰাৰ অংশ স্বৰূপে মই কৃষিৰ ওপৰত নিৰ্ভৰশীল আওহতীয়া নিৰ্বাচিত গাওঁসমূহত কৃষি কাৰ্যৰ বাবে বিদ্যুৎ ব্যৱহাৰ কৰিব পৰাকৈ ১ মেগাৱাট শক্তিসম্পন্ন দুটা সৌৰ শক্তি আৰু সঞ্চয় প্ৰকল্পৰ স্থাপনৰ প্ৰস্তাৱ আগ বঢ়াইছো। এই উদ্দেশ্যে ৰাজ্যৰ অংশ স্বৰূপে ১.৫ কোটি টকা উপলব্ধ কৰি তোলা হব।



৫৫.৬ মুখ্যমন্ত্ৰীৰ বিদ্যুৎ যোগান নিশ্চিত আঁচনিৰ অধীনত ২০১৩-১৪ বৰ্ষত ৰাজ্যখনৰ সকলো সমষ্টিতে সহযোগী সংযোগ আৰু আচবাবসহ সকলোবোৰ বিকল ট্ৰেন্সফৰ্মাৰ আতৰাই তাৰ ঠাইত নতুন ট্ৰেন্সফৰ্মাৰ বহুৱাবলৈ প্ৰস্তাৱ কৰা হৈছে।

৫৫.৭ ২০১৩-১৪ বৰ্ষত মাইনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ ৩ মেগাৱাট পৰ্যায়-২ আৰু ৬ মেগাৱাট পৰ্যায়-১ ৰ সেৱা আৰম্ভ কৰা হব। তদুপৰি ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য আগন্তুক বৰ্ষত আৰম্ভ কৰা হব।

৫৫.৮ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাবে পৰিকল্পনা বহিৰ্ভূত শিতানৰ অধীনত ১১৮ কোটি টকা আৰু পৰিকল্পনা শিতানৰ অধীনত বৰ্তমানে ৫৩১ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

৫৬। পশুপালন আৰু দুগ্ধ উন্নয়ন ঃ

৫৬.১ পশু ধনৰ জাত উন্নীতকৰণ, পশু খাদ্য তথা পশু খাদ্য বীজৰ উন্নয়ন, জীৱ-জন্তুৰ স্বাস্থ্য সেৱাৰ উন্নীতকৰণ আৰু শক্তিশালীকৰণ, স্বাৰ্থজড়িত সকলৰ সক্ষমতা গঢ়ি তোলা আদি হ'ল ২০১২-১৩ বৰ্ষত এই খণ্ডৰ অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰ। মান বিশিষ্ট গাখীৰ সংগ্ৰহ আৰু প্ৰক্ৰিয়াকৰণ, উৎপাদক সকলৰ সক্ষমতা সৃষ্টি, উৎপাদক আৰু গ্ৰাহকসকলৰ মাজত উৎপাদনৰ বিষয় সজাগতা সৃষ্টি আৰু স্বাস্থ্যসন্মত গাখীৰ সেৱন আছিল দুগ্ধ উন্নয়ন খণ্ডৰ মুখ্য অগ্ৰাধিকাৰ ক্ষেত্ৰ।

৫৬.২ অহা বিত্তীয় বৰ্ষত ১০০ খন পশু চিকিৎসালয় ভৱন আৰু ১০০ টা পশু উপ-কেন্দ্ৰ গৃহৰ পুনৰ নিৰ্মাণ কৰা হ'ব। কৃষকসকলৰ উপকাৰৰ বাবে বিভাগৰ অব্যৱহৃত ভূমি পশু খাদ্য উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰা হ'ব। শোণিতপুৰ, নগাওঁ আৰু তিনিচুকীয়া জিলাৰ শদিয়া মহকুমাত পৰীক্ষামূলক ভাবে দুগ্ধ উৎপাদন

বৰ্দ্ধিতকৰণৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰা হ'ব। যোৰহাট জিলাত এখন চৰকাৰী ছাগলী ফাৰ্ম স্থাপন কৰা হ'ব। এখন দুগ্ধ বাহি হোৱা জিলাত পৰিণত কৰাৰ বাবে নগাওঁ জিলাক বাটকটীয়া হিচাপে গ্ৰহণ কৰা হৈছে। দুগ্ধ অভাৱী ৰাজ্যৰ পৰা দুগ্ধ ৰাহি ৰাজ্যলৈ ৰূপান্তৰিত কৰা উদ্দেশ্যৰ লগত সংগতি ৰাখি ২০১৩-১৪ বৰ্ষত চহৰ দুগ্ধ যোগান আঁচনিসমূহ পুণৰুজ্জীৱিত কৰা হব।

৫৬.৩ ২০৭ কোটি টকা পৰিকল্পনা বহিৰ্ভূত শিতানত আৰু সম্প্ৰতি ৮৮ কোটি টকা পৰিকল্পনা শিতানত ২০১৩-১৪ বৰ্ষৰ বাবে ধাৰ্য কৰা হৈছে।

৫৭। তথ্য আৰু জনসংযোগ ঃ

৫৭.১ মাধ্যমিক পৰ্যায়ত চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয়সমূহত "মুখ্যমন্ত্ৰীৰ শব্দ জ্যোতি আঁচনি" নামৰ এখন নতুন আঁচনি পৰ্যায়ক্ৰমে আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। এই আঁচনিৰ অধীনত এনে ধৰণৰ প্ৰতিখন বিদ্যালয়ৰ বাবে অনুভাষ সা-সঁজুলিৰ একোটাকৈ ব্যৱস্থা থাকিব।

৫৭.২ চলিত বৰ্ষত ১১৩ টা স্থানত স্থিৰ ধ্বনিবৰ্দ্ধক যন্ত্ৰ স্থাপন কৰা হৈছে আৰু এই আঁচনিখন ২০১৩-১৪ বৰ্ষতো অব্যাহত ৰখা হ'ব। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ ২০০ খন গাওঁ পঞ্চায়ত সামৰি লোৱা হ'ব। চৰকাৰৰ আঁচনি, নীতি আদি সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে চকুত পৰা প্ৰধান স্থানসমূহত বৈদ্যুতীন এল ই ডি প্ৰদৰ্শন ফলক আঁৰা হ'ব। বিভিন্ন তথ্য সমৃদ্ধ গ্ৰন্থ আৰু প্ৰচাৰ পুস্তিকা প্ৰকাশৰ ওপৰত জোৰ দিয়া হ'ব। ২০১৩-১৪ বৰ্ষত লক্ষ্মীনাথ বেজবৰুৱা গণ সংযোগ আৰু মুদ্ৰণ প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপনৰ প্ৰাৰম্ভিক কাম-কাজ হাতত লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।



.৩ প্ৰতিখন বাতৰি কাকতৰে প্ৰচলনৰ ওপৰত ভিত্তি কৰি ঁ, মধ্যমীয়া আৰু দৈনিক বাতৰিকাকত সমূহৰ বিজ্ঞাপনৰ ৰখটো বৃদ্ধি কৰাৰ প্ৰস্তাৱ এটা চৰকাৰৰ বিবেচনাধীন হৈ আছে ক সোনকালে এই বিষয়ত এটা সিদ্ধান্ত লোৱা হ'ব।

.৪ ২০১৩-১৪ বৰ্ষত এই খণ্ডটোৰ বাবে পৰিকল্পনাৰ ৰ্ভূত শিতানত ২৭ কোটি টকা আৰু পৰিকল্পনা শিতানত বৰ্তমান কোটি টকা ধাৰ্য কৰা হৈছে।

৮। অসম চুক্তি ঃ

ঐতিহাসিক অসম চুক্তিৰ বিভিন্ন দফাসমূহৰ ৰূপায়ণৰ ষয়টো মই সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আহিছো। ইতিমধ্যে উল্লেখ বা ধৰণে বিধিসন্মতভাৱে বিদেশী চিনাক্তকৰণ আৰু বিতাৰণ বস্থাটো শক্তিশালী কৰা হৈছে। বিদেশী ন্যায়াধিকৰণৰ সংখ্যা ৰ্তমানে থকা ৩৬ টাতকৈ বঢ়াব লাগে বুলি প্ৰস্তাৱ দিয়া হৈছে। াষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বিষয়টোক সক্ৰিয়ভাৱে আগ বাঢ়ি আছে। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ভাষা, সাহিত্য আৰু াংস্কৃতিক অধ্যয়নৰ কেন্দ্ৰত এখন অসমীয়া আসন স্থাপনৰ বিষয়টো বিশ্ববিদ্যালয়খনৰ কাৰ্যবাহী পৰিষদে মঞ্জুৰ কৰিছে।

কৰাৰোপন ঃ

৯ মটৰ গাড়ীৰ কৰ ঃ

(ক) ৰাজ্য চৰকাৰৰ বাবে পৰিবহন বিভাগ হৈছে ৰাজহ উপাৰ্জনৰ এক প্ৰধান উৎস। পূৰ্বৰ বিত্তীয় বৰ্ষৰ একে সময়ত সংগৃহিত প্ৰায় ২১৪ কোটি টকাৰ বিপৰীতে চলিত বিত্তীয় বৰ্ষত ২০১২ চনৰ ডিচেম্বৰ মাহলৈকে এই বিভাগে সংগ্ৰহ কৰা কৰৰ পৰিমাণ হ'ল প্ৰায় ২৫০ কোটি টকা। বিভাগে ৰাজ্যৰ ৰাজ ভড়ালৈ আগবঢ়োৱা এই

বৰঙণিৰ পৰিমাণ আৰু অধিক বৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিব। এই উদ্দেশ্যে কৰ/ মাছুল হাৰ/ জৰিমনা ইত্যাদি ব্যৱস্থা থকা বিভাগীয় নিয়ম কানুন সমূহৰ সংশোধন ঘটোৱা হ'ব। আমাৰ ৰাজ্যৰ যান-বাহনৰ মালিক সকলে যাতে তেওঁলোকৰ যান-বাহনবোৰ কেৱল আমাৰ ৰাজ্যখনৰ ভিতৰতে পঞ্জীয়ণ কৰায় তাৰ বাবে তেওঁলোকক পতিয়ন নিয়াবলৈ বিশেষ প্ৰচেষ্টা হাতত লোৱা হ'ব। এইটো এটা উদ্বেগৰ বিষয় যে বহুতো ব্যক্তিগত যান-বাহন বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰ কৰি থকা হৈছে, যাৰ দ্বাৰা চৰকাৰী বিধিক উলংঘা কৰাৰ লগতে তেওঁলোকে ৰাজ্যখনক দিব লগা কৰৰ পৰা আঁতৰি আছে। এনেকুৱা সকলো বোৰ বিষয় বিভাগে নিয়ন্ত্ৰণ কৰিবলৈ আৰু কৰ ক্ষেত্ৰৰ আওতালৈ আনিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব।

(খ) চৰকাৰ এই বিষয়ত অৱগত যে আমাৰ ৰাজ্যখন কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ড সমূহৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। সেয়েহে ৰাজ্যখনৰ প্ৰগতি কৃষকৰ উৎপাদন বৃদ্ধিৰ প্ৰচেষ্টাৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। এই উদ্দেশ্যে ৰাজ্য চৰকাৰে বাণিজ্যিক শস্যৰ বাহিৰে কৃষি আৰু আনুষঙ্গিক কৃষি কৰ্মৰ ক্ষেত্ৰত মাত্ৰ ব্যৱহৃত ট্ৰেক্টৰৰ বাবে যান-বাহন কৰ হ্ৰাস কৰাৰ বাবে প্ৰস্তাৱ কৰে। ঠিক সেইদৰে শৱদেহ কঢ়িওৱা বাহন আৰু মুনাফা নোলোৱা দাতব্য সমিতিৰ দ্বাৰা উপলব্ধ কৰা এম্বুলেঞ্চক কৰমুক্ত কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

পঞ্জীয়ন মাছুল আৰু টিকট শুল্ক ঃ

৬০। আন বহুতো ৰাজ্যৰ তুলনাত অসমত সম্পত্তি হস্তান্তৰৰ ওপৰত প্ৰযোজ্য পঞ্জীয়ন মাছুল আৰু টিকট শুল্কৰ নিৰিখ যথেষ্ট বেছি। সম্পত্তি বেচা-কিনাৰ দলিল যাতে সঠিক মূল্যৰ ভিত্তিতহে পঞ্জীয়ন কৰা হয় আৰু মহিলা সকলৰ নামত সম্পত্তি পঞ্জীয়ন কৰাত উদ্‌গনি দিয়াৰ উদ্দেশ্যে মই পঞ্জীয়ন মাছুল আৰু টিকট শুল্কৰ



যৌথ নিৰিখ মহিলাৰ ক্ষেত্ৰত বৰ্তমানৰ ১৩.৫ শতাংশৰ পৰা ৩ শতাংশলৈ আৰু পুৰুষৰ ক্ষেত্ৰত বৰ্তমানৰ ১৪.৫ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰিছো।

বাণিজ্যিক কৰ ঃ

৬১.১। বিত্ত (কৰাৰোপন) বিভাগ ৰাজ্যৰ কৰ ৰাজহ সংগ্ৰহৰ অধিকাংশ সংগ্ৰহ কৰে। ৰাজ্যৰ নিজস্ব কৰ সংগ্ৰহৰ ৮০ শতাংশৰো অধিক ৰাজহ এই বিভাগে সংগ্ৰহ কৰে। ২০১১-১২ বিত্তীয় বৰ্ষত নিৰ্দ্ধাৰিত লক্ষ্য ৫৬৮৪.৬২ কোটি টকাৰ বিপৰীতে কৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ আছিল ৬৬০৪.৩১ কোটি টকা। নিৰ্দ্ধাৰিত লক্ষ্যৰ বিপৰীতে এই সংগ্ৰহৰ হাৰ ১১৬ শতাংশ আৰু ২০১০-১১ বিত্তীয় বৰ্ষৰ মুঠ সংগ্ৰহ ৫১৮৫.৫৯ কোটি টকাৰ বিপৰীতে এই বৃদ্ধিৰ হাৰ আছিল ২৭ শতাংশ।

৬১.২। চলিত বৰ্ষ ২০১২-১৩ চনৰ বাবে ৰাজ্য চৰকাৰে কৰ বিভাগৰ বাবে কৰ সংগ্ৰহৰ লক্ষ্য ৭২৭০.৬১ কোটি টকা ধাৰ্য্য কৰিছিল। বিভাগটোৱে চলিত বিত্তীয় বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে সাময়িক হিচাপত (Provisional) মুঠ ৬০৪৮.৫৮ কোটি টকা কৰ সংগ্ৰহ কৰিছে। যোৱা বিত্তীয় বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে ইয়াৰ পৰিমাণ আছিলে ৫৭৫১.৪৫ কোটি টকা। যোৱা বছৰৰ তুলনাত চলিত বিত্তীয় বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে কৰ সংগ্ৰহৰ বৃদ্ধিৰ হাৰ ৫ শতাংশ, ই চলিত বিত্তীয় বৰ্ষৰ বাবে নিৰ্দ্ধাৰিত লক্ষ্যৰ ৮৩ শতাংশ। বৰ্তমানলৈকে কৰ সংগ্ৰহৰ পৰিমাণ নিৰিক্ষণ কৰিলে দেখা যায় যে আমি চলিত বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য্য কৰা কৰ সংগ্ৰহৰ লক্ষ্য অতিক্ৰম কৰিব পাৰিম।

৬১.৩। চলিত বিত্তীয় বৰ্ষৰ ছেপ্তেম্বৰ মাহত কৰ বিভাগে এটা বৃত্তিকৰ সংগ্ৰহ পখেক অনুষ্ঠিত কৰে আৰু নবেম্বৰ মাহত বিভিন্ন কৰ আইনৰ অধীনত পাবলগীয়া বকেয়া কৰ সংগ্ৰহৰ বাবে এটি কৰ

আদায় অভিযান অনুষ্ঠিত কৰে। বৃত্তি কৰ আদায় অভিযানত বিভাগটোৱে ৩.৮০ কোটি টকা সংগ্ৰহ কৰে আৰু বকেয়া কৰ আদায় অভিযানত বিভাগটোৱে ৫.৮০ কোটি টকা সংগ্ৰহ কৰে। এই বিত্তীয় বৰ্ষৰ ডিচেম্বৰ মাহলৈকে বকেয়া আদায়ৰ পৰিমাণ হৈছে ৩১.১৩ কোটি টকা। যোৱা বছৰ এই একেই সময়লৈকে বকেয়া আদায়ৰ পৰিমাণ আছিল ২১.৫৬ কোটি টকা। যোৱা বছৰৰ তুলনাত এইবাৰ এই সংগ্ৰহৰ বৃদ্ধিৰ হাৰ ৪৪ শতাংশ।

৬১.৪। এইখিনিতেই মই উনুকিয়াব খোজো যে চলিত বিত্তীয় বৰ্ষত ভাৰত বৰ্ষৰ অৰ্থনীতিৰ মন্থৰতাই আমাৰ ৰাজ্যৰ কৰ সংগ্ৰহৰ ওপৰতো কিছু বিৰূপ প্ৰভাৱ পেলাইছে।

কৰ প্ৰস্তাৱ ঃ

৬২.১। দেশৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই তেঁওৰ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বাজেট বক্তৃতাত উল্লেখ কৰিছে যে অনতিপলমে দ্ৰব্য আৰু সেৱা কৰ (GST) সমগ্ৰ দেশত প্ৰৱৰ্ত্তন হোৱাৰ সম্ভাৱনা আছে। দ্ৰব্য আৰু সেৱা কৰ প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰত ৰাজ্য সমূহে দাবী কৰা এটা প্ৰধান পূৰ্বচৰ্ত আছিল কেন্দ্ৰীয় বিক্ৰী কৰৰ ক্ষেত্ৰত হোৱা লোকচানৰ বাবদ কেন্দ্ৰই দিব লগীয়া ক্ষতিপূৰণ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য সমূহক এই ক্ষতিপূৰণ দিবলৈ মান্তি হোৱাত এই বিষয়টো সমাধান হৈছে। অসম চৰকাৰেও এই ক্ষতিপূৰণৰ অংশ হিচাপে ২০১৩-১৪ বিত্তীয় বৰ্ষত বকেয়া প্ৰায় ১৭৫ কোটি টকা লাভ কৰিব বুলি আশা কৰিছো। যিহেতু দ্ৰব্য আৰু সেৱা কৰ প্ৰৱৰ্ত্তনৰ সময় ওচৰ চাপি আহিছে, সেয়ে বৰ্তমানৰ মূল্য সংযোজিত কৰ (ভেট) ব্যৱস্থাপনাত বিস্তৃত সাল-সলনিৰ বাবে মই ইচ্ছুক নহয়। তথাপিও কিছুমান অনুষ্ঠান/ প্ৰতিষ্ঠানে দাখিল কৰা কেতবোৰ দাবী, প্ৰস্তাৱ আৰু অনুৰোধ চালি-জাৰি চোৱা হৈছে। এই সকলো দিশ বিবেচনা কৰি প্ৰয়োজন সাপেক্ষে কিছু যথাযোগ্য সকাহ দিবৰ বাবে তথা ক্ষুদ্ৰ



আৰু মজলীয়া খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান সমূহক উৎসাহিত কৰাৰ উদ্দেশ্যে আৰু লগতে ৰাজহ সংগ্ৰহও বৃদ্ধি কৰাৰ বাবে মই তলত উল্লেখ কৰা কৰ প্ৰস্তাৱ সমূহ পবিত্ৰ সদনৰ মজিয়াত দাখিল কৰিবলৈ বিচাৰিছোঃ-

(ক) অসমৰ ৰাইজে, বিশেষকৈ গ্ৰামাঞ্চলত গুৰ ব্যাপক ভাবে ব্যৱহাৰ কৰে। ৰাজ্যত চেনি কৰ মুক্ত অথচ গুৰৰ ওপৰত ৫ শতাংশ কৰ আৰোপিত হৈ আহিছে। সেয়েহে মই গুৰক (Gur, Jaggery and edible variety of rub gur) কৰমুক্ত কৰিবলৈ প্ৰস্তাৱ ৰাখিছো।

(খ) ক্ষুদ্ৰ ব্যৱসায়ী সকলক কিছু সকাহ দিয়াৰ বাবে অসম মূল্য সংযোজিত কৰ আইন ২০০৩ ৰ অধীনত কৰমুক্ত পৰিমাণৰ সীমা ৰেখা বৰ্তমানৰ ৪ লাখ টকাৰ পৰা ৬ লাখ টকালৈকে বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছো। তাৰোপৰি খুচুৰা বিক্ৰেতাৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা বুজাপৰা আঁচনি (Composition scheme) ৰ বৰ্তমানৰ মুঠ বিক্ৰীৰ পৰিমাণ ৪০ লাখ টকাৰ সীমাৰেখা ৬০ লাখ টকালৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ ফলত যি সকল খুচুৰা ব্যৱসায়ীৰ মুঠ বিক্ৰীৰ পৰিমাণ ৬ লাখ টকাৰ পৰা ৬০ লাখ টকালৈ, তেওঁলোকে ৰাহি হাৰত কৰ পৰিশোধ কৰিব পাৰিব।

(গ) আন্তঃগাঠনি বিকাশৰ বাবে আৰু নিৰ্মাণ খণ্ডক উৎসাহিত কৰাৰ উদ্দেশ্যে মই শিল আৰু পাথৰৰ ওপৰত আৰোপিত বৰ্তমানৰ ১৩.৫ শতাংশ হাৰৰ ভেট ৫ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ ৰাখিছো।

(ঘ) ৰাজ্যখনে এশ শতাংশ গ্ৰাম্য বৈদ্যুতিকৰণৰ দিশে অগ্ৰসৰ হৈছে। ৰাজ্য চৰকাৰে বৈদ্যুতিকৰণক বিশেষ

প্ৰাধান্য দিছে। সেয়েহে মই বিদ্যুৎ সামগ্ৰীৰ ওপৰত ৫ শতাংশৰ সমান হাৰত আবোপ কৰাৰ উদ্দেশ্যে সকলো ধৰণৰ ছকেট, ৰেগুলেটৰ, মডিউলাৰ প্লেট, এম এচ ৰ্বড, কেছিং আৰু কেপিং আদি কেতবোৰ বিদ্যুৎ সামগ্ৰীৰ ওপৰত বৰ্তমানৰ ১৩.৫ শতাংশৰ ঠাইত ৫ শতাংশ ভেট আবোপনৰ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ দ্বাৰা ইতিপূৰ্বে অসম মূল্য সংযোজিত কৰ আইন, ২০০৩ অধীনৰ দ্বিতীয় সূচীত উল্লেখ কৰা বৈদ্যুতিক সামগ্ৰীৰ লগত ওপৰত উল্লেখিত সামগ্ৰী সমূহৰ কৰ সমপৰিমাণৰ হ'ব। তাবোপৰি বিদ্যুৎ ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে চি এফ এল বাল্বত আবোপিত কৰ ১৩.৫ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজ উপকৃত হ'ব।

(ঙ) মই জেনেৰেটৰ চেটত আৰোপিত বৰ্তমানৰ কৰৰ হাৰ ১৩.৫ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ ৰাখিছো।

(চ) উদ্যোগ/ ব্যৱসায়ী সকলৰ উপকাৰৰ হকে মই ২৫ কে ভি এ লৈকে জেনেৰেটৰ চেটত উৎপাদিত বিদ্যুতৰ ওপৰত আৰোপিত বিদ্যুৎ শুল্ক ৰেহাই দিয়াৰ প্ৰস্তাৱ ৰাখিছো। অনা ব্যৱসায়িক ব্যক্তিগত উদ্দেশ্যত ব্যৱহৃত জেনেৰেটৰৰ ক্ষেত্ৰতো একেই ৰেহাই প্ৰযোজ্য হ'ব।

(ছ) প্লাষ্টিক খুদ (Plastic Granules) ৰ ওপৰত আৰোপিত ২ শতাংশ প্ৰবেশ কৰ উঠাই লবলৈ প্লাষ্টিক উদ্যোগ সমূহে দাবী জনাই আহিছিলে। যিহেতু এনে সামগ্ৰী থলুৱা ভাবে উপলব্ধ নহয়, সেই বাবে এনে উদ্যোগ সমূহক সহায় কৰিবলৈ মই প্লাষ্টিক খুদৰ ওপৰত



আৰোপিত প্ৰবেশ কৰ বৰ্তমানৰ ২ শতাংশৰ পৰা ১ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ ৰাখিছো।

(জ) আমিনগাওঁৰ ইনলেণ্ড কন্টেইনাৰ ডিপো (Inland Container Depot) ৰ পৰা ৰপ্তানিকৃত চাহৰ বাবদ দিয়া ৰেহায়ে অসমৰ চাহ ৰপ্তানিৰ ক্ষেত্ৰত এক যোগাত্মক প্ৰভাৱ পেলাইছে। ইনলেণ্ড কন্টেইনাৰ ডিপোৰ পৰা ৰপ্তানিৰ ধাৰাবহিকতা বজাই ৰখাৰ উদ্দেশ্যে আৰু ইয়াৰ সুস্থিৰতাৰ বাবে এই ৬ টকা প্ৰতি কিলোগ্ৰামত ৰেহাই ১ এপ্ৰিল, ২০১৩ চনৰ পৰা আৰু এবছৰলৈ বঢ়াই দিয়াৰ প্ৰস্তাৱ ৰাখিছো।

(ঝ) অলপ দিনৰ পৰা অসম ভ্ৰমণ কৰিবলৈ অহা পৰ্য্যটকৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। পৰ্য্যটন খণ্ডত উদ্‌গনি দিয়াৰ বাবে মই হোটেলৰ কোঠা সমূহত প্ৰযোজ্য হোৱা বিলাস কৰ বৰ্তমান ব্যৱস্থাত ছপা ৰুম ভাড়া (Published Room Tariff) ৰ ওপৰত আৰোপিত হোৱাৰ সলনি প্ৰকৃততে আদায় হোৱা ৰুম ভাড়াৰ ওপৰত আৰোপিত কৰাৰ বাবে প্ৰস্তাৱ ৰাখিছো।

৬৩। **সমান্তৰাল** **বিত্ত** **কৰ** **প্ৰস্তাৱ** ওপৰত উল্লেখ কৰি অহা ৰেহাই সমূহ প্ৰস্তাৱ কৰাৰ ভাবে ৰাজ্যৰ কৰ সংগ্ৰহৰ পৰিমাণ যাতে হ্ৰাস নাপায়, মন্ত্ৰী হিচাবে তাৰ ওপৰতো মই নজৰ দিব লাগিব। সেয়েহে সংগ্ৰহ বৃদ্ধি কৰিবলৈও কিছু ব্যৱস্থা লবলৈ মই প্ৰস্তাৱ কৰিছো। সমূহ হ'লঃ-

(ক) চিগাৰেট, বিড়ি, চিৰট, চিগাৰ আৰু হুপি সেৱন কৰা সকলো ধৰণৰ ধপাতৰ ওপৰত আৰোপিত বৰ্তমানৰ কৰৰ হাৰ ২০ শতাংশৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি

কৰিবলৈ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ দ্বাৰা ধপাত সেৱন কিছু পৰিমাণে হলেও নিৰুৎসাহিত হব বুলি আশা কৰিছো।

(খ) বিভিন্ন বুজা পৰা আঁচনি (Composition scheme) সমূহৰ হাৰ কেবা বছৰ আগতেই ধাৰ্য্য কৰা হৈছিলে। ইতিমধ্যে এই সামগ্ৰী সমূহৰ মূল্য আগৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে। গতিকে এই সমূহৰ হাৰ সংশোধন কৰা জৰুৰী হৈ পৰিছে। সেয়ে মই তলত দিয়া ধৰণে সংশোধন প্ৰস্তাৱ ৰাখিছোঃ-

(১) ইটা ভাটাৰ বাবে প্ৰযোজ্য হোৱা বুজা পৰা আঁচনিত 'ক' শ্ৰেণীৰ অৰ্ন্তভুক্ত ভাটা সমূহে বৰ্তমানৰ ৫৭,৫০০/- টকাৰ সলনি একলাখ টকা দিব লাগিব। 'খ' শ্ৰেণীৰ ভাটা সমূহে বৰ্তমানৰ ৪৬ হাজাৰ টকাৰ সলনি ৮০ হাজাৰ টকা দিব লাগিব আৰু 'গ' শ্ৰেণীৰ ভাটা সমূহে বৰ্তমানৰ নিৰিখ ৩৪,৫০০/- টকাৰ সলনি ৬০ হাজাৰ টকা দিব লাগিব।

(২) মাৰ্বল ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰযোজ্য বুজা পৰা আঁচনিৰ অধীনত ছয় চকাৰ বাহনৰ ওপৰত নিৰ্দ্ধাৰিত বৰ্তমানৰ নিৰিখ ৩১ হাজাৰ টকাৰ সলনি ৪৫ হাজাৰ টকা, দহ চকাৰ বাহনত প্ৰযোজ্য হোৱা বৰ্তমানৰ নিৰিখ ৫০ হাজাৰ টকাৰ সলনি ৭৫ হাজাৰ টকা, ট্ৰেইলাৰ বাহনৰ বৰ্তমানৰ নিৰিখ এক লাখ টকাৰ সলনি একলাখ ৩০ হাজাৰ টকা আৰু ওপৰত উল্লেখ নথকা কিন্তু আন ধৰণে আমদানিকৃত মাৰ্বলৰ ক্ষেত্ৰত



বৰ্তমানে প্ৰযোজ্য হোৱা নিৰিখ প্ৰতি টনত ১৫০০ টকাৰ সলনি দুহেজাৰ টকাকৈ আৰোপিত হ'ব।

(৩) মিঠাই তথা বন্ধা সামগ্ৰীৰ বুজা পৰা আঁচনিৰ ক্ষেত্ৰত এজন ব্যৱসায়ীৰ মুঠ বিক্ৰীৰ পৰিমাণ যদি ৬ লাখ টকাৰ পৰা ৮ লাখ টকা হয়, তেন্তে তেওঁ বছৰি ১৫ হাজাৰ টকা দিব লাগিব আৰু যাৰ মুঠ বিক্ৰীৰ পৰিমাণ ৮ লাখ টকা আৰু ১০ লাখ টকাৰ ভিতৰত, তেওঁ বছৰি ২২ হাজাৰ টকা কৰ দিব লাগিব। বাৰ্ষিক বিক্ৰীৰ পৰিমাণ ১০ লাখ টকাৰ উৰ্দ্ধত হলে তেনে ব্যৱসায়ীয়ে নিয়মীয়া হাৰত কৰ পৰিশোধ কৰিব লাগিব। তেওঁলোকৰ বাবে কোনো বুজা পৰা আঁচনি নাথাকে।

(গ) মই আহাৰ যোগান (Catering Service) সেৱাৰ বাবেও এক বিশেষ বুজা পৰা আঁচনি প্ৰবৰ্ত্তন কৰাৰ প্ৰস্তাৱ ৰাখিছো যাতে এনে খণ্ডৰ পৰাও কৰ সংগ্ৰহ কৰিব পৰা যায়।

(ঘ) পুৰণি বাণিজ্যিক বাহন বিক্ৰী খণ্ডটোক কৰ ব্যৱস্থাৰ আওতালৈ অনাৰ উদ্দেশ্যে ইয়াৰ ওপৰত বিশেষ হাৰত কৰ আৰোপ কৰাৰ প্ৰস্তাৱ ৰাখিছো। এই খণ্ডটো ইমান দিনে কৰ জালৰ বাহিৰত আছিল।

(ঙ) মই ক্লিংকাৰ (Clinker) ৰ ওপৰত আৰোপিত প্ৰৱেশ কৰ বৰ্তমানৰ ২ শতাংশৰ পৰা ৬ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰাখিছো।

(চ) মাৰ্বল, গ্ৰেনাইট, আন ডেকৰেটিভ শ্লেব, আচবাব, বাথৰুমৰ সামগ্ৰী আদিৰ ওপৰত আৰোপিত প্ৰৱেশকৰৰ নিৰিখ বৰ্তমানৰ ৪ শতাংশৰ পৰা ৬ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ ৰাখিছো।

(ছ) সাম্প্ৰতিক কালত অন্ লাইন যোগে বিক্ৰীৰ পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে ৰাজহ হেৰুৱাব লগা হৈছে। অহা বিত্তীয় বৰ্ষত এনে অন্ লাইন যোগে কৰা বেচা-কিনা বোৰ কৰ আওতালৈ আনিবলৈ উপযুক্ত কৌশল ব্যৱস্থাপনা প্ৰৱৰ্ত্তন কৰাৰ প্ৰস্তাৱ ৰাখিছো।

৬৪। মাননীয় সদনক মই জনাব খুজিছো যে ৰাজ্যিক উদ্যোগ নীতিৰ অধীনত আগবঢ়োৱা কৰ ৰেহাই ব্যৱস্থাৰ বাবে ৰাজ্য চৰকাৰে বুজন পৰিমাণৰ ৰাজহ এৰি দিব লগা হৈছে। মই এই নীতিৰ যোগাত্মক আৰু ঋণাত্মক দিশ সমূহ বিশ্লেষণ (Cost benefit analysis) ৰ বাবে এক বিশেষ অধ্যয়নৰ প্ৰস্তাৱ ৰাখিছো যাতে ইয়াৰ ওপৰত ভিত্তি কৰি ২০১৩ চনত আহিবলগীয়া অসম উদ্যোগীক নীতিত প্ৰয়োজনীয় সংশোধন আনিব পৰা যায়।

৬৫। এতিয়া মই ২০১৩-১৪ বিত্তীয় বছৰটোৰ বাজেট প্ৰাক্কলন উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো। পাঁচ বছৰীয়া বিত্তীয় বিৱৰণ আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫'ৰ অধীনত দাখিল কৰিবলগীয়া প্ৰ-বিৱৰণো পৱিত্ৰ সদনত বাজেট নথিৰ লগত আন এখন সুকীয়া পুস্তিকা দাখিল কৰা হ'ল।

২০১৩-১৪ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ৪৫৮৩৪.৫৫ কোটি টকা ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ৪১২৮৪.৩২ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৪৫৫০.২৩ কোটি টকা মূলধন শিতানত। একত্ৰীকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ২ নম্বৰ তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা খণ্ডৰ অধীনত ২৫৫২৯৫.৫৭ কোটি টকা আৰু উপনিমিত্ত পুঁজিৰ ৫০.০০ কোটি টকা আদায়ৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হব ৩০১১৮০.১২কোটি টকা। একত্ৰীকৃত নিধিৰ ২০১৩-১৪ চনৰ সৰ্বমুঠ ব্যয়ৰ পৰিমাণ হব ৪৮৫৫৩.৬৩ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ৩৮১৮৩.৮০ কোটি টকা আৰু মূলধন শিতানত ১০৩৬৯.৮৩ কোটি টকা। ২ নম্বৰ তালিকাত ২০১৩-১৪ চনত একত্ৰীকৃত নিধিৰ মঞ্জুৰী অনুযায়ী ব্যয় সমূহো বিতংভাৱে দেখুওৱা হৈছে। এতেকে ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ ২৫৩৩৯৮.৩৯ কোটি টকা আৰু উপনিমিত্ত পুঁজিৰ ৫০.০০ কোটি টকাকে ধৰি বছৰটোত সৰ্বমুঠ ব্যয়ৰ পৰিমাণ হব ৩০২০০২.০২ কোটি টকা। ফলত বছৰটোত হোৱা লেন-দেনৰ বাবদ ৮২১.৯০ কোটি টকা ঘাটি হব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ঘাটি ৫৩০.৬৭ কোটি টকা ঘাটি যোগ দিলে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বছৰটোৰ শেষত ঘাটিৰ পৰিমাণ ১৩৫২.৫৭ কোটি টকা হবগৈ।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পবিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

জয় আই অসম

## Table-1

**Estimates of Inflows into the Consolidated Fund of the State during 2013-2014**

*(Rupees in Crores)*

| | |
|---|---|
| State Tax | 8983.77 |
| Non Tax Revenue | 3400.33 |
| Share of Central Taxes | 12620.75 |
| State Plan Grants | 9462.75 |
| Non Plan Grants from Centre | 1579.59 |
| Grants from the Centre (Plan, CSS etc.) | 5237.13 |
| Loans from the Centre | 137.28 |
| Internal Debt | 4391.14 |
| Recoveries of Loans & Advances | 21.81 |
| **Total** | 45834.55 |

TABLE 2

**Estimates of Grantwise outflows from the Consolidated fund and a part of the Public Account of the State during 2013-14**

***Rs. In lakh.***

| No. of Demand Appro-priation | Title of Demand/ Appropriation | | |
|---|---|---|---|
| [1] | [2] | | |
| 1 | State Legislature | Voted | 10476.72 |
| | | Charged | 67.00 |
| | Head of State | Charged | 578.37 |
| 2 | Council of Ministers | Voted | 1340.70 |
| 3 | Administration of Justice | Voted | 22067.57 |
| | | Charged | 4978.94 |
| 4 | Elections | Voted | 10008.15 |
| 5 | Sales Tax and other Taxes | Voted | 10259.24 |
| 6 | Land Revenue & Land Ceiling | Voted | 22834.50 |
| | | Charged | 0.53 |
| | Public Service Commission | Charged | 978.08 |
| 7 | Stamps & Registration | Voted | 2244.76 |
| 8 | Excise & Prohibition | Voted | 4784.92 |
| 9 | Transport Services | Voted | 22526.76 |
| 10 | Other Fiscal Services | Voted | 208.87 |
| 11 | Secretariat and Attached Offices | Voted | 361650.84 |
| 12 | District Administration | Voted | 14059.04 |
| 13 | Treasury & Accounts Aadministration | Voted | 6889.31 |

| No. of Demand Appro-priation | Title of Demand/ Appropriation | | |
|---|---|---|---|
| [1] | [2] | | |
| 14 | Police | Voted | 283745.89 |
| | | Charged | 218.20 |
| 15 | Jails | Voted | 6325.69 |
| | | Charged | 10.00 |
| 16 | Stationery and Printing | Voted | 3161.69 |
| 17 | Administrative and Functional Buildings | Voted | 49988.80 |
| 18 | Fire Services | Voted | 12666.23 |
| | | Charged | 1.51 |
| 19 | Vigilance Commission and Others | Voted | 7059.70 |
| 20 | Civil Defence and Home Guards | Voted | 17860.26 |
| 21 | Guest Houses, Govt. Hostels etc. | Voted | 1534.13 |
| 22 | Administrative Training | Voted | 1060.69 |
| 23 | Pension & Other Retirement Benefit | Voted | 312958.85 |
| | | Charged | 713.00 |
| 24 | Aid Meterials and Equipments | Voted | 1.00 |
| 25 | Miscelleneous General Services | Voted | 1436.14 |
| 26 | Education (Higher Education) | Voted | 188304.25 |
| 27 | Art and Culture | Voted | 12712.54 |
| 28 | State Archives | Voted | 188.36 |
| 29 | Medical and Public Health | Voted | 188528.05 |
| 30 | Water Supply and Sanitation | Voted | 81167.61 |



| No. of Demand Appro-priation | Title of Demand/ Appropriation | | |
|---|---|---|---|
| [1] | [2] | | |
| 31 | Urban Development (T & CP) | Voted | 19197.49 |
| 32 | Housing Schemes | Voted | 713.97 |
| 33 | Residential Buildings | Voted | 5411.03 |
| 34 | Urban Development (MAD) | Voted | 8201.78 |
| 35 | Information & Publicity | Voted | 3118.91 |
| 36 | Labour & Employment | Voted | 17469.65 |
| 37 | Food Storage, Warehousing and Civil | Voted | 15164.34 |
| 38 | Welfare of SC/ST & OBC | Voted | 71577.30 |
| 39 | Social Security, Welfare & Nutrition | Voted | 201842.82 |
| 40 | Sainik Welfare (Freedom Fighters) | Voted | 3280.48 |
| 41 | Natural Calamities | Voted | 62679.70 |
| 42 | Social Services | Voted | 49393.54 |
| 43 | Co-operation | Voted | 9471.20 |
| 44 | North-Eastern Council Schemes | Voted | 189212.74 |
| 45 | Census, Surveys & Statistics | Voted | 6102.74 |
| 46 | Weights and Measures | Voted | 1426.28 |
| 47 | Trade Adviser | Voted | 103.91 |
| 48 | Agriculture | Voted | 103922.10 |
| 49 | Irrigation | Voted | 118438.01 |
| 50 | Other Special Areas Programme | Voted | 18414.63 |
| 51 | Soil & Water Conservarion | Voted | 5198.68 |

| No. of Demand Appro-priation | Title of Demand/ Appropriation | | |
|---|---|---|---|
| [1] | [2] | | |
| 52 | Animal Husbandry | Voted | 29453.10 |
| | | Charged | 100.00 |
| 53 | Dairy Development | Voted | 4331.89 |
| 54 | Fisheries | Voted | 8384.46 |
| 55 | Forestry and Wildlife | Voted | 52486.58 |
| 56 | Rural Development (Panchayat) | Voted | 72664.77 |
| | | Charged | 15.67 |
| 57 | Rural Development | Voted | 48026.18 |
| 58 | Industries | Voted | 14065.09 |
| 59 | Sericulture and Weaving | Voted | 37027.84 |
| | | Charged | 2.00 |
| 60 | Cottage Industries | Voted | 8917.41 |
| 61 | Mines & Minerals | Voted | 1492.11 |
| 62 | Power (Electricity) | Voted | 64973.53 |
| 63 | Water Resources | Voted | 145092.40 |
| 64 | Roads and Bridges | Voted | 206438.29 |
| 65 | Tourism | Voted | 7610.07 |
| 66 | Compensation & Assignment to Local Bodies and Panchayati Raj Institutions | Voted | 174815.07 |
| 67 | Horticulture | Voted | 904.24 |
| | Public Debt & Servicing of Debt | Charged | 360172.94 |



| No. of Demand Appro-priation | Title of Demand/ Appropriation | | |
|---|---|---|---|
| [1] | [2] | | |
| 68 | Loans to Government Servants | Voted | 40.00 |
| 69 | Scientific Services & Research | Voted | 1618.83 |
| 70 | Hill Areas | Voted | 6711.67 |
| 71 | Education (Elementary. Secondary etc) | Voted | 744412.58 |
| 72 | Relief and Rehabilitation | Voted | 5502.54 |
| 73 | Urban Development (GDD) | Voted | 49217.70 |
| 74 | Sports and Youth Welfare | Voted | 6732.74 |
| 75 | Information & Technology | Voted | 5372.00 |
| 76 | Karbi Anglong Autonomous Council | Voted | 83546.35 |
| 77 | N. C. Hills Autonomous Council | Voted | 38790.03 |
| 78 | Bodoland Territorial Autonomous Council | Voted | 131089.56 |
| | **Total** | **Voted** | **4518109.59** |
| | | **Charged** | **367836.24** |
| | | **Grand Total** | **4885945.83** |

**Expenditure on Salaries, Wages & Pension**

Salaries, Wages & Grant -in-Aid for Salaries = **23292.18 crores**

**Pension = 3136.72 crores.**

# পৰিশিষ্ট

## লেনদেনৰ সংক্ষিপ্ত বিৱৰণ

(কোটি টকাৰ হিচাপত)

| | প্ৰকৃত 2011-2012 | বাজেট আনুমানিক হিচাপ 2012-2013 | সংশোধিত বাজেট আনুমানিক হিচাপ 2012-2013 | বাজেট আনুমানিক হিচাপ 2013-2014 |
|---|---|---|---|---|
| **(ক) প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত | | | | |
| ৰাজহ হিচাপ | ২৭৪৫৫.৪০ | ৩৭৬৬২.৮৪ | ৩৮২৮৬.৩৫ | ৪১২৮৪.৩২ |
| মূলধন হিচাপ | ৯৭৩.৭০ | ৪৭১৭.৮৪ | ৪৮১৮.৭৬ | ৪৫৫০.২৩ |
| মুঠ- | ২৮৪২৯.১০ | ৪২৩৮০.৬৮ | ৪৩১০৫.১১ | ৪৫৮৩৪.৫৫ |
| ২। উপানামিত্ত পুঁজি হিচাপ | | ৫০.০০ | ৩০০.০০ | ৫০.০০ |
| ৩। ৰাজহুৱা হিচাপ | ২১১০৪৯.১০ | ২৪৩৯১৬.০৬ | ২৩২৩৮৮.৫৪ | ২৫৫২৯৫.৫৭ |
| মুঠ (১+২+৩) | ২১১০৪৯.১০ | ২৪৩৯৬৬.০৬ | ২৩২৬৮৮.৫৪ | ২৫৫৩৪৫.৫৭ |
| **(খ) ব্যয়** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ২৬৫২৮.৫৫ | ৩৬২৯৮.৮৬ | ৩৭৪০১.০০ | ৩৮১৮৩.৮০ |
| মূলধন হিচাপ | ৩৭৪০.৩৭ | ৬৮৫২.৯৩ | ৭২৪৮.১৭ | ১০৩৬৯.৮৩ |
| মুঠ- | ৩০২৬৮.৯২ | ৪৩১৫১.৭৯ | ৪৪৬৪৯.১৭ | ৪৮৫৫৩.৬৩ |
| ২। উপনিমিত্ত পুঁজি হিচাপ | | ৫০.০০ | ৩০০.০০ | ৫০.০০ |
| ৩। ৰাজহুৱা হিচাপ | ২০৯২২৬.০৫ | ২৪২৩৫৯.২৮ | ২৩০৩৮৬.০২ | ২৫৩৩৯৮.৩৯ |
| মুঠ (১+২+৩) | ২০৯২২৬.০৫ | ২৪২৪০৯.২৮ | ২৩০৬৮৬.০২ | ২৫৩৪৪৮.৩৯ |
| **(গ) বছৰটোৰ ভিতৰত লেনদেন** | | | | |
| বাঢ়ি (+) | | ৭৮৫.৬৭ | ৪৫৮.৪৬ | |
| ঘাটি (-) | -১৬.৭৭ | | | -৮২১.৯০ |
| **(ঘ) আকস্মিকৰ হিচাপ** | | | | |
| গাণনিকৰ হিচাপ মতে | | | | |
| বাঢ়ি (+) | | | | |
| ঘাটি (-) | -৯৭৩.২৫ | -১০৭৯.১১ | -৯৮৯.১৩ | -৫৩০.৬৭ |
| **(চ) সামৰণিৰ উদ্বৃত্ত** | | | | |
| বাঢ়ি (+) | | | | |
| ঘাটি (-) | -৯৮৯.১৩ | -২৯৩.৪৪ | -৫৩০.৬৭ | -১৩৫২.৫৭ |

২০১৩

অসম চৰকাৰী ছপাশালত মুদ্ৰিত
গুৱাহাটী-২১